আগষ্ট 2012 ▪ ₹ 25/-

চান্দমামা

Mumbai Edition

স্বাধীনতা দিৱসৰ শুভেচ্ছাৰে

www.chandamama.com/parle/

উদীয়মান তাৰকা

যদি আপুনি আপোনাৰ পৰিয়াল বা ওচৰ-পাজৰৰ কোনো শিশুক উদীয়মান তাৰকা হিচাপে পোহৰলৈ আনিব বিচাৰে, তেন্তে শিশুজনৰ বিৱৰণ আৰু আপোনাৰ যোগাযোগৰ বিৱৰণ আমালৈ লিখি নিম্নোক্ত ঠিকনাত প্ৰেৰণ কৰকঃ

Young Achievers-RCM,
Chandamama India Ltd,
No:2 Ground Floor, Swathi Enclave, Amman koil street, Vadapalani, Chennai-26
(or)
online@chandamama.com

চিন্ময়'ছিছ উচ্চ মাধ্যমিক বিদ্যালয়ত পঢ়ি থকা ১৩ বছৰীয়া গৌৰৱে কেৱল মাত্ৰ যোৱা ৩ বছৰ মান আগৰে পৰাহে ভলীবল খেলিবলৈ আৰম্ভ কৰে। তেওঁৰ স্কুলে প্ৰায় ৩০টা মান আন স্কুলৰ টিমক পৰাজিত কৰাত তেওঁ আগভাগ লৈছে। তেওঁ নিজৰ স্কুলৰ ভলীবল দলৰ অধিনায়ক। ২০১১ চনত পানহালা আন্তৰ্জাতিক প্ৰশিক্ষক অজিত পাটিলে তেওঁক সৰ্বশ্ৰেষ্ঠ উদীয়মান খেলুৱৈ আৰু প্ৰতিযোগিতাৰ সৰ্বশ্ৰেষ্ঠ খেলুৱৈ হিচাপে বাচনি কৰে। পুনা ক্ৰীড়া এথলেটিকছ এছছিয়েচনেও গৌৰৱক সৰ্বশ্ৰেষ্ঠ অলৰাউণ্ড খেলুৱৈৰ পুৰস্কাৰ প্ৰদান কৰে। তাৰোপৰি তেওঁ সখাৰাম মোৰে ক্ৰীড়া প্ৰতিষ্ঠানে অনুষ্ঠিত কৰা প্ৰতিযোগিতাত মেন অৱ দি টুৰ্নামেণ্ট খিতাপ লাভ কৰিবলৈ সক্ষম হয়।

প্ৰশিক্ষক শ্ৰীককৰে আৰু শ্ৰীবামনেৰ লগতে পিতৃ-মাতৃৰ বৰঙণিক এই সাফল্যৰ মূল বুলি গৌৰৱে কব খোজে। তেওঁ অধ্যয়নৰ লগতে চিত্ৰ-অংকন, সাঁতোৰ, ছিন্থেচাইজাৰ বজোৱা, নৃত্য আদি নানা ধৰণৰ কলা আৰু খেলতো পাৰ্গত। তেওঁ নানান প্ৰতিযোগিতাত যোগদান কৰি এই শিতানবিলাকত বহু পুৰস্কাৰ লাভ কৰিছে।

গৌৰৱ আজি যি পৰ্যায়ত উপনীত হৈছে, তাত উপনীত হবৰ বাবে বহু অধ্যৱসায় আৰু অনুশীলনৰ প্ৰয়োজন। গৌৰৱে শ্ৰেণীকোঠাত অধ্যয়নত মনোযাগ দিয়ে আৰু শ্ৰেণী কোঠাতেই যিমান পাৰে সিমান জ্ঞান আহৰণ কৰিবলৈ চেষ্টা কৰে। অধ্যৱসায়, কঠোৰ পৰিশ্ৰম আৰু দৃঢ় সংকল্পৰ উদাৰণৰ গৌৰৱৰ জীৱন সফলতাৰ বন্তিৰে উজলি উঠক।

August 2012 ₹25/-
Founded by **B. Nagi Reddi and Chakrapani**

Editor & Publisher :
Prashant Sharad Mulekar

Associate Editors :
R. Vaasugi, K. Raja Sekhara Raju

Sub Editor :
Patricia Pandian

General Manager :
Sowmya Bharadwaj

Senior Artists:
K.C. Sivasankaran (Sankar),
Gandhi Ayya, P. Mahesh,
Sandeep Solkar

Artist :
Venki

Layout Designers :
B. Thirumal, K. Narendra,
N. Sivakumar

Production In-charge :
Prashant Pawar

Circulation:
circulation@chandamama.com

Asst. Manager - Sales & Circulation:
Subhankar Rej

Sales Officer - Circulation :
K. Ravishankar

Advertisement :
sales@chandamama.com

Customer Help :
Ph: 022 40786043
customerhelp@chandamama.com

Head Office :
CHANDAMAMA INDIA LTD.,
P.O.Box No:19407, Mumbai-400093
Phone +91 22 28312872 / 28311849
Email:chandamama@chandamama.com
Website : www.chandamama.com

Published, Printed and Owned by
CHANDAMAMA INDIA LTD.,
Published and Printed on their behalf by
Prashant Sharad Muleker
Published at B-3, Cross Road 'B', MIDC,
Andheri (East) Mumbai - 400093.
Printed At :- Kala Jyothi Process Pvt. Ltd,
S.No.185, Kondapur, R.R.District-500133,
Andhra Pradesh.
Editor :- Prashant Sharad Mulekar

এই সংখ্যাত আছে

চান্দমামা

Volume-3 August 2012 Issue-08

✻ পাঠকৰ পত্ৰ ...০৬
✻ মোৰ স্মৃতি ...০৯
✻ এক নাস্তিক ...১১
✻ মাছৰ ফচল ...১৭
✻ উপযুক্ত শিক্ষা ...২০
✻ মিত্ৰ লাভ - ১ ...২৪
✻ স্বৰ্গ আৰু নৰক ...২৭
✻ ৰাঙ্কিৰ জনা গিৰিয়েক ...৩০
✻ বিম্ব-প্ৰতিবিম্ব ...৩২
✻ খেতিয়কৰ অভিযোগনামা ...৩৫
✻ সৰু সৰু মুদ্ৰা ...৩৯
✻ ব্যৱসায়ৰ নীতি ...৪২
✻ সঁচাৰ দৰে লগা মিছা ...৪৩
✻ কুদ্ৰম দেৱী ...৪৪
✻ চুটি-চাপৰ বাহুবলী ...৪৮
✻ দুই পুত্ৰ ...৫২
✻ শুদ্ধ পচন্দ ...৫৪
✻ শিথিলালয় - ২৯ ...৫৫
✻ সহজ-সৰল বোৱাৰী ...৬৩
✻ জ্যোতিষীৰ কাহিনী ...৬৪
✻ হেৰুৱাবলৈ একো নাই ...৬৬
✻ জীৱনত সুখ ...৬৭
✻ সঁজাত থকা ভাটো ...৭০
✻ অদ্ভুত বিজয় ...৭২
✻ মই কি হ'ব পাৰো? ...৭৩
✻ চান্দমামা সাধাৰণ জ্ঞান সাঁথৰ - ৪৩ ...৭৪
✻ কৌতুক ...৭৫
✻ কথাৰ মালিহা ...৭৬
✻ ভাৰত দৰ্শন ...৭৮
✻ বীৰবল ...৮০
✻ গুপ্তধনৰ বাকচ ...৮২

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

স্বাধীনতা দিৱস

মই এই মাহৰ সম্পাদকীয় লিখিবলৈ লৈ যোৱা বছৰৰ আগষ্ট মাহৰ সম্পাদকীয়টো পুণৰ পঢ়ি চালো। অনুভৱ কৰিলো যে সেই এবছৰৰ আগৰ সম্পাদকীয়টো পুণৰ মুদ্ৰণ কৰিবৰ যোগ্য কিয়নো আজিৰ তাৰিখতো সেইটো উপযোগী হৈ আছে...

ব্ৰিটিছৰ পৰা স্বাধীনতা লাভ কৰাৰ ৬৫ বছৰৰ পিছতো আমি স্বাধীনতাৰ প্ৰকৃত অৰ্থ অনুধাৱন কৰিবলৈ সক্ষম হোৱা নাই। প্ৰতিবছৰে আমি এতিয়াও বৰষুণৰ আশা কৰি আকাশলৈ চাব লাগে। এই চিন্তাত দিন কটাব লাগে যে খেতি কৰিবৰ বাবে বা আন কামৰ বাবে প্ৰয়োজনীয় পৰিমাণৰ পানী উপলব্ধ হবনে নহয়। আমাৰ মৌলিক প্ৰয়োজনীয়তা আজিলৈকে পূৰ্ণ হোৱা নাই। আমাৰ আন্তঃগাঠনি নানা কাৰণত বাৰে বাৰে ভাগি পৰিছে আৰু আমাৰ সমৃদ্ধি তেনেই ওপৰোৱা। যি আশা কৰি আমাৰ দেশৰ শত সহস্ৰ লোকে স্বাধীনতাৰ সংগ্ৰামত প্ৰাণ দিলে, সেই সকলৰ ত্যাগক আমি এতিয়াও সন্মান জনাবলৈ সক্ষম হোৱা নাই।

ইয়াৰ অৰ্থ এইটো নহয় যে আমি আমাৰ আশা ত্যাগ কৰিব লাগে। আমাৰ দেশৰ নৱ প্ৰজন্মৰ ওপৰত আমাৰ ভাৰসা আছে আৰু আমি নিশ্চিত যে তেওঁলোকে আমাক সমৃদ্ধিৰ পথত আগুৱাই লৈ যাব আৰু আমি অতীতৰ গৌৰৱ পুণৰ উভতাই পাম।

বৰ দুখেৰে আমাৰ পাঠকক জনাবলগীয়া হৈছে যে আমি পাঠকৰ উপযুক্ত সহাঁৰি নোপোৱাৰ বাবে এইমাহৰ পৰা চান্দমামাৰ সান্থালী সংস্কৰণৰ প্ৰকাশ বন্ধ কৰি দিবলগীয়া হৈছে। চান্দামামা সান্থালী ভাষাৰ একমাত্ৰ শিশু আলোচনী হোৱা স্বত্তেও আমি চৰকাৰৰ পৰা কোনো আৰ্থিক অনুদান লাভ নকৰিলো। কিন্তু আপোনালোকক কথা দিছো যে চান্দমামাক বিশ্বৰ নানা কোণত থকা পাঠকসকলৰ কাষলৈ লৈ যোৱাৰ চেষ্টা আমি অব্যাহত ৰাখিম।

সকলোলৈকে স্বাধীনতা দিৱসৰ শুভাকামনা যাঁচিছো।

– *সম্পাদক*



পাঠকৰ পত্ৰ

মই চতুৰ্থ শ্ৰেণীত থকাৰ সময়তে ৬ অনা দি প্ৰথমবাৰৰ বাবে চান্দমামা কিনিছিলো। তেতিয়াৰে পৰাই মই আৰু মোৰ পৰিয়ালে চান্দমামা পঢ়ি আহিছো। মাজতে কিছুদিনৰ বাবে চান্দমামাৰ প্ৰকাশ বন্ধ হৈ যোৱাটো চান্দমামাৰ লগত আমাৰ সম্পৰ্কৰ শেষ নহ'ল আৰু পুণৰ প্ৰকাশ পাবলৈ আৰম্ভ কৰাৰ লগে লগে আমি পুণৰ চান্দমামা পঢ়িবলৈ ধৰিলো। মোৰ সন্তান আৰু নাতিকেইটাও চান্দমামাৰ পৰম ভক্ত। মোৰ নাতিয়ে আগতে চান্দমামাৰ পৰা কাহিনী পঢ়ি শুনাবলৈ কৈছিল। বৰ্তমান লণ্ডনত পঢ়ি নাতিক মোৰ বন্ধু এজনে লগ ধৰিবলৈ যাওতে ইয়াৰ পৰা এখন চান্দমামা লৈ গৈছিল। সেইখন পাই সি বৰ সুখী হৈছিল আৰু আমাক কৈছিল যে চান্দমামাখন হাতত পাই সি আমাৰ সকলোকে পোৱাৰ দৰে অনুভৱ কৰিছিল। মই চান্দমামাৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিছো।

– এছ অমৰাৱতী, কাকীনাড়া, অন্ধ্ৰপ্ৰদেশ

মই অলপ দিনৰ আগতে চেন্নাইত থকা চান্দমামাৰ কাৰ্যালয়লৈ গৈছিলো। চান্দমামা বৰ্তমান বহু সলনি হ'ল। বৰ্তমানৰ সংখ্যাসমূহে আমাক সদায় পুৰণা সংখ্যাৰ লগত জড়িত স্মৃতিবিলাকলৈ মনত পেলাই দিয়ে। মই প্ৰধানত এক পৃষ্ঠৰ কাহিনীবিলাকৰ বাবে চান্দমামা পঢ়ো। সেইবিলাক অতি উত্তম মানৰ। অলপ দিনৰ আগতে চান্দমামাত পুণৰ প্ৰকাশ কৰা এক পৃষ্ঠৰ কাহিনী 'অব্যৱহৃত সৰ্জুলি' হ'ল তেনে এটা উৎকৃষ্ট কাহিনীৰ উদাহৰণ। সেই কাহিনীয়ে আমাক এই শিক্ষা দিয়ে যে এটা কুকুৰাই নকল দাঁত পিন্ধিলেই শিয়াললৈ থকা ভয় আতৰি নাযায়। ভয় নাইকীয়া কৰিবৰ বাবে প্ৰয়োজন হ'ল এটা সাহসী মন। চান্দমামাৰ দৰে আন কোনো শিশু আলোচনীয়েই এমাহত ২০ টা কাহিনী আমাক উপহাৰ নিদিয়ে।

– গাংগীছেটী শিৱকুমাৰ, নেল্লোৰ, অন্ধ্ৰপ্ৰদেশ

মই যোৱা চল্লিশ বছৰে নিয়মিতভাৱে চান্দমামা পঢ়ি আহিছো। কিন্তু বৰ্তমানৰ কিছু কাহিনীৰ মানদণ্ডক লৈ মই সন্তুষ্ট নহয়। কিছু পৰাম্পৰাগত কাহিনী যেনে দেৱী ভাগৱত, বীৰ হনুমান, মহাভাৰত আদিৰ অভাৱ চান্দমামাত দেখা পোৱা গৈছে। ইমান বছৰ ধৰি চান্দমামা এনেধৰণৰ কাহিনীৰ বাবেই জনপ্ৰিয়, কিন্তু বৰ্তমান চান্দমামাত এনে কাহিনী পঢ়িবলৈ পোৱা নাযায়। বৰ্তমান প্ৰকাশিত হৈ থকা শিথিলালয় ধাৰাবাহিকখন বৰ সুন্দৰ আৰু মনোৰঞ্জক।

– বিজয় চৌহান, উত্তৰ প্ৰদেশ।

চান্দমামাৰ যোৱা সংখ্যাটো বজাৰলৈ বৰ পলমকৈ আহিল। এইবাৰ চান্দমামা মাহৰ তৃতীয় সপ্তহতহে আহি পালেহি। চান্দমামাৰ নতুন সংখ্যা এটা হাতত লোৱা কামটোৱেই বৰ মনোৰঞ্জকৰ। চান্দমামাৰ কাহিনীবিলাক বৰ সুন্দৰ। কিন্তু চান্দমামাক মাহৰ তৃতীয় সপ্তহৰ শেষত পোৱাটো

ভাল লক্ষণ নহয়, কিয়নো তেতিয়ালৈকে বাকী সকলো আলোচনী প্ৰকাশ হৈ শেষ হৈ যায়। ই চান্দমামাৰ বিক্ৰীত প্ৰভাৱ পেলাব পাৰে। অনুগ্ৰহ কৰি এই বিষয়ত গুৰুত্ব দিয়ক।

– ৰাজেশ, হায়দৰাবাদ, অন্ধ্ৰপ্ৰদেশ

মই অলপতে এই মাহৰ চান্দমামাখন লাভ কৰিলো। মই একে উশাহতে আলোচনীখন পঢ়ি শেষ কৰিলো। মোৰ এনে লাগিল যে মই তীব্ৰ গৰমৰ বতৰত গছৰ শীতল ছাঁতহে বহি আছো। গোটেই সংখ্যাটোৱেই বৰ সুন্দৰ হৈছে। মই চান্দমামাৰ গোটেই দলটোকে অভিনন্দন যাচিছো। আমি সকলোৱে জানো যে অলপতে চান্দমামাৰ মূল্য বৃদ্ধি কৰা হ'ল। আমি সেইটোক লৈ চিন্তিত নহয়। বৰঞ্চ আচৰিতহে হৈছিলো যে ইমানদিনে কিয় চান্দমামাৰ মূল্যবৃদ্ধি কৰা হোৱা নাছিল। বৰ্তমানৰ মূল্যবৃদ্ধিৰ সময়ত চান্দমামাৰ মূল্যবৃদ্ধি কৰাটোও অত্যন্ত জৰুৰী। শেষত মই কব খুজো যে চান্দমামাৰ দাম যিয়েই নহওক, মোৰ দৰে পাঠক সদায় চান্দমামাৰ লগত থাকিব।

– প্ৰফেছৰ সন্দীপ কুমাৰ, অমৃতসৰ

এইবাৰ চান্দমামা আমি বেছ পলমকৈ লাভ কৰিলো। এক পৃষ্ঠাৰ সকলো কাহিনীয়েই বৰ সুন্দৰ। গোপণ কথা, অব্যৱহৃত সৰ্জুলি, কৰ্মী আৰু যোগ্য প্ৰশংসা পঢ়ি বৰ ভাল পালো। সাধাৰণতে এখন আলোচনীতে ইমানবিলাক ভাল কাহিনী পোৱা নাযায়। মোৰ ফালৰ পৰা শুভেচ্ছা থাকিল।

– নাগেশ্বৰ ৰাও, ইলুৰু, অন্ধ্ৰপ্ৰদেশ

মোৰ নাম স্বতী আৰু মোৰ বয়স হ'ল ২০ বছৰ। মই দিল্লীত বাস কৰো। মই মোৰ শৈশৱৰে পৰা চান্দমামা পঢ়ি আহিছো। মোৰ পৰিয়ালৰ সকলোৱে চান্দমামা পঢ়ি বৰ ভাল পায়। মই বহু বছৰৰ পৰা চান্দমামা সংগ্ৰহ কৰিছো। চান্দমামাৰ সুন্দৰ কাহিনী আৰু মনোমোহা চিত্ৰই সদায় মোক আকৰ্ষণ কৰে। চান্দমামাৰ পুৰণা কাহিনীবিলাক বৰ সুন্দৰ। অনুগ্ৰহ কৰি চান্দমামাক আগৰ আকাৰত প্ৰকাশ কৰক।

– স্বাতী, দিল্লী

দুটা গোপণ কথা আৰু নিকা মনৰ মানুহ কাহিনী দুটাৰ নীতিশিক্ষা বৰ সুন্দৰ। ভাল আৰু বেয়া লোকৰ সম্পৰ্কে শংকৰাচাৰ্যৰ বিশ্লেষণ চিন্তা কৰিবলগীয়া। আনটো কাহিনীত কোৱাৰ দৰে সচাকৈয়ে শিক্ষকৰ চাকৰি বিক্ৰীৰ বাবে হব নালাগে।

– যজ্ঞনূনা শাস্ত্ৰী, ভেটাপালেম, অন্ধ্ৰপ্ৰদেশ

মই দুদিনমানৰ আগতে চান্দমামাৰ নতুন সংখ্যাটো পালো। কুম্ভকৰ্ণই শুই থকাৰ ছবিৰে বেটুপাতটো বৰ ভাল হৈছে। চান্দমামাৰ পুৰণা সংখ্যাবিলাক চাই মই যিমান আনন্দ অনুভৱ কৰো ঠিক একে আনন্দই মই এই সংখ্যাটোৰ পৰা লাভ কৰিছো। চান্দমামা আৰ্ট বুকৰ বিজ্ঞাপনত প্ৰকাশ কৰা চিত্ৰখন বৰ সুন্দৰ হৈছে। শ্ৰীকৃষ্ণক বৰ সুন্দৰ দেখা গৈছে। শিথিলালয় ধাৰাবাহিকত প্ৰকাশ কৰা সম্পূৰ্ণ পৃষ্ঠাৰ ছবিয়ে এক অৰণ্যৰ সাম্যক ধাৰণা দিব পাৰিছে। চান্দমামাৰ চিত্ৰসমূহ সচাকৈয়ে বৰ সুন্দৰ। আমাৰ জীৱনত চান্দমামা এক অমূল্য সংযোজন।

– ৰামচন্দ্ৰায়া, কুৰনুল, অন্ধ্ৰপ্ৰদেশ

Avail the loyalty bonus!

Chandamama Subscribers will get flat 10% off on subscription renewals! (All Editions - within India)

Chandamama!

Because stories make the world go round...

Choose your Chandamama!
Go to www.chandamamashop.com & subscribe Now!!

You can also subscribe online at: **www.chandamamashop.com**

Chandamama is available in English and 11 regional languages.
Junior Chandamama for children above 4 years is available only in English.

I want to subscribe to / gift / renew subscription for the following editions of Chandamama:

☐ English ☐ Telugu ☐ Tamil ☐ Kannada ☐ Hindi
☐ Marathi ☐ Gujarati ☐ Oriya ☐ Bengali ☐ Sanskrit
☐ Malayalam ☐ Assamese ☐ Junior (Only in English)

Name: ....

Date of Birth: .... Sex: ....

Address: ....

....

....

.... City: ....

State: .... Pin: ....

Telephone: ....

Mobile: ....

Email: ....

Subscription Number (for renewals): ....

Gift Subscription to the following address:

....

....

....

....

Enclosed Cheque/DD* for Rupees ....

Cheque/DD No ....

favouring Chandamama India Ltd on ....

.... bank.

* Your subscription will commence in 6 weeks.
Please mail the subscription form to:
Chandamama India Limited,
P.O.Box No:19407, Mumbai-400093.
Phone +91 22 28312872 / 28311849
Email: subscription@chandamama.com
You can also subscribe online at : www.chandamamashop.com

Take Your Pick!	1 YEAR	2 YEARS	3 YEARS	4 YEARS	5 YEARS
ENGLISH (Rs. 30/- per copy)	Rs. 360	Rs. 645	Rs. 915	Rs. 1150	Rs. 1350
You Save		Rs. 75	Rs. 165	Rs. 290	Rs. 460
REGIONAL (Rs. 25/- per copy)	Rs. 300	Rs. 540	Rs. 765	Rs. 960	Rs. 1125
You Save		Rs. 60	Rs. 135	Rs. 260	Rs. 375
JUNIOR (Rs. 20/- per copy)	Rs. 240	Rs. 430	Rs. 610	Rs. 765	Rs. 900
You Save		Rs. 50	Rs. 110	Rs. 195	Rs. 300

** conditions apply

Annual Subscription Overseas : US $40 for English Chandamama, US $30 for Regional Languages, US $25 for Junior Chandamama (including shipping and handling charges) by air mail.

মোৰ স্মৃতি – কানাড়া

মই ১৯৭৯ চনত মাধ্যমিক পৰীক্ষা সমাপ্ত কৰো। মই আমাৰ পৰিয়ালৰ সকলোতকৈ ডাঙৰ সন্তান আছিলো আৰু আৰ্থিক সমস্যাৰ বাবে মই অধ্যয়ন অব্যাহত ৰাখিব নোৱাৰিলো। মোৰ ছজন ভাই-ভনী আছিল। এই কথাত মই গৌৰৱ কৰো যে সেইসময়ত মোক পথ প্ৰদৰ্শন কৰা আৰু কলেজৰ শিক্ষাতকৈ অধিক জ্ঞান প্ৰদান কৰাজন হ'ল চান্দমামা।

Name: Rajendra Hegade
Occ: Revenue, dept.,
Haveri, Karnataka.

মই গ্ৰন্থাগাৰলৈ গৈ নিয়মীয়াকৈ চান্দমামা পঢ়িছিলো। মোৰ দেউতাই চাকৰিৰ পৰা অৱসৰ লোৱাৰ পিছত, মই পি ডব্লিউ ডি বিভাগত এজন কুলী হিচাপে চাকৰিত যোগদান কৰো। সেই সময়ত মই দৰমহা হিচাপে কেৱল ১৫০ টকাহে লাভ কৰিছিলো। সেই দৰমহাৰ পৰাও মই কিছু টকা বেলেগ কৰি থৈছিলো যাতে নিয়মীয়াকৈ চান্দমামা কিনিব পাৰো।

চান্দমামাই মোৰ ভাষা জ্ঞান বৃদ্ধি কৰাৰ লগতে নানা ধৰণৰ জ্ঞান প্ৰদান কৰি আহিছে। চান্দমামাৰ পৰাই মই লিখাৰ কলা আয়ত্ব কৰিবলৈ সক্ষম হলো। মোৰ ৰচনা নানা ধৰণৰ আলোচনীত ইতিমধ্যেই প্ৰকাশিত হৈছে। চান্দমামাৰ কাহিনীৰ মাজত থকা নীতিশিক্ষাই মোক ভাল আৰু বেয়া কি তাক চিনি পাবলৈ জ্ঞান দিলে। এইদৰেই চান্দমামা মোৰ প্ৰিয় আলোচনী হৈ পৰিল।

মই ১৯৯১ চনত কৰ বিভাগত যোগদান কৰো। সেই চাকৰিৰ সময়ত লগ পোৱা গাৱঁৰ নানা ধৰণৰ লোকৰ মনোভাৱ বুজি পোৱাত চান্দমামাৰ কাহিনীবিলাকে বেছ সহায় কৰিছিল। সেই কাহিনীয়ে মোক বেয়া মানুহ চিনি উলিয়াই তেওঁলোকৰ পৰা আঁতৰি থকাত সহায় কৰিছিল। চান্দমাই মোক দুখীয়া স্বত্বেও এক সৎ জীৱন যাপন কৰিবলৈ প্ৰেৰণা দিলে। পিছত আৰ্থিক অৱস্থাৰ শ্ৰীবৃদ্ধি হোৱাৰ পিছতো সেই অভ্যাস মোৰ থাকি গ'ল। আধুনিক বিলাসী সামগ্ৰী টিভি আৰু মোবাইলৰ পৰা আঁতৰি থকাত সহায় কৰিলে চান্দমামাই। এনেবিলাক কাৰণতেই মোৰ জীৱনত চান্দমামাৰ স্থান অতুলনীয়।

চান্দমামাই এটা সহজ সৰল জীৱন যাপন কৰাত মোক বৰ সহায় কৰি আহিছে। স্বামী বিবেকানন্দ, সাৰদা দেৱী, ৰামকৃষ্ণ পৰমহংস আদিৰ জীৱন সঁচাই মনত সাঁচ পেলাব পৰা বিধৰ। চান্দমামাই মানুহৰ ছয় শত্ৰুক দমন কৰাত সহায় কৰি আহিছে। সিবিলাক হ'ল – কাম, ক্ৰোধ, লোভ, মোহ ইত্যাদি। একেষাৰতে কবলৈ গলে মোৰ জীৱনত চান্দমামাৰ ভূমিকা অসীম। সকলো দিশৰ পৰাই মোৰ মনক নিকা কৰি ৰখাত চান্দামামাই সহায় কৰি আহিছে।

যেনেদৰে ভোকাতুৰক খাদ্যৰ আৱশ্যক, ঠিক একেদৰেই জ্ঞানৰ বাবে চান্দমামাৰ প্ৰয়োজন। পৃথিৱীক জনাৰ বাবে কেৱল দুটাই পথ আছে – অধ্যয়ন আৰু ভ্ৰমণ। ভ্ৰমণ কৰিবৰ বাবে মোৰ

ওচৰত অৰ্থৰ অভাৱ আছিল, কিন্তু চান্দমামাৰ কাহিনীয়ে মোক নানা ঠাইলৈ লৈ যায়। এজন মানুহ হিচাপে মই মোৰ বিচাৰ কৰাৰ ক্ষমতা, আত্ম-নিয়ন্ত্ৰণ, মানসিক শক্তিৰ ব্যৱহাৰ আদিৰ বিষয়ে চান্দমামাৰ পৰাই শিকিলো। যোৱা জানুৱাৰী, ২০১২ৰ সংখ্যাৰ চান্দমামাই মোক বৰ আকৰ্ষণ কৰিলে। সেইখন বৰ সুন্দৰ আছিল।

প্ৰায় ৩০ বছৰৰ পিছতো, মই সমান আগ্ৰহেৰে চান্দমামা পঢ়ি আছো। মোৰ সন্তানেও চান্দমামা পঢ়ি বৰ ভাল পায়। সিঁহতে ইংৰাজী মাধ্যমৰ বিদ্যালয়ত অধ্যয়ন কৰে, কিন্তু কানাড়া ভাষাতো বেছ পাৰ্গত। সিঁহত হিন্দী ভাষাতো বেছ আগবঢ়া। মই মোৰ এই মিঠা স্মৃতি চান্দমামাত প্ৰকাশ কৰিবৰ বাবে অনুৰোধ জনাইছো।

মোৰ স্মৃতি – মাৰাঠী

আমাৰ মাজত চান্দমামাৰ পঢ়াৰ অভ্যাস সৃষ্টি কৰাজন হ'ল আমাৰ দেউতা। দেউতাই আন এখন চহৰত চাকৰি কৰিছিল। প্ৰতি শণিবাৰে, বিশেষকৈ প্ৰতিমাহৰ প্ৰথমটো শণিবাৰে দেউতা আহি ঘৰ পোৱালৈ আমি অতি আগ্ৰহেৰে বাট চাই ৰৈছিলো। কিয়নো সেইদিনা দেউতাই আমালৈ চান্দমামাৰ মাৰাঠী সংস্কৰণটো লৈ আহিছিল। প্ৰথমতে কোনে সেইখন পঢ়িব, তাকে লৈ আমি নিজৰ মাজতে কাজিয়া কৰিছিলো। কেতিয়াবা চান্দমামা বিক্ৰী হৈ শেষ হৈ যোৱাৰ বাবে দেউতাই সেইখন কিনি আনিব নোৱাৰিছিল। তেনে অৱস্থাত আমি গোটেই মাহটো ইচাট-বিচাট কৰি কটাইছিলো।

Name: Neelam Pandit,
Occ: Teacher, Warje,
Pune, Maharashtra.

দেউতাই এবছৰৰ শেষ হোৱাৰ লগে লগে চান্দমামাৰ এবছৰৰ সকলো সংখ্যা গোটাই ভালদৰে বন্ধাই পেলাইছিল। সেইবিলাক আমি প্ৰায় ত্ৰিছ বছৰমান পুণৰ পুণৰ পঢ়িছিলো। কিন্তু এটা সময়ত সেইবিলাক ফাটি-চিটি অৱস্থা নাইকীয়া হোৱাত অনিচ্ছা সত্ত্বেও পেলাই দিবলগীয়া হ'ল। এনে লাগিল যে লগে লগে আমি আমাৰ শৈশৱক হেৰুৱাই পেলালো।

আমাৰ উত্তৰ পুৰুষেও একেধৰণৰ আগ্ৰহেৰে চান্দমামা পঢ়ি আছে। মোৰ এগৰাকী ভগ্নী মেনেজমেন্টৰ প্ৰফেছাৰ। তেওঁ চান্দমামাৰ বিক্ৰম আৰু বেতালৰ কাহিনী 'কেছ ষ্টডি'ৰ বাবে ব্যৱহাৰ কৰে। মোক তেওঁ কোৱা মতে সেই কাহিনীবিলাকে তেওঁৰ যৌক্তিক ও বিশ্লেষণাত্মক চিন্তাক অধিক বিকশিত কৰি তোলে। এয়া সঁচাই অসাধাৰণ।

মোৰ এজন বন্ধুৱে কোৱাৰ দৰে, চান্দমামাই আমাক নীতিকথাৰ শিক্ষা প্ৰদান কৰে।

চান্দমামাক অশেষ ধন্যবাদ।

বেতাল কথা

এক নাস্তিক

হতাশ নহৈ ৰজা বিক্ৰম পুণৰ গছজোপাৰ ওচৰলৈ উভতি গ'ল। শটো পুণৰ গছৰ পৰা নমাই কান্ধত তুলি ললে। তাৰপিছত নিৰৱে মৰিশালিৰ ফালে খোজ পেলাবলৈ আৰম্ভ কৰিলে। তেনেসময়তে, শটোৰ মাজত বাস কৰা ভুতটোৱে কবলৈ ধৰিলে, "মহাৰাজ বিক্ৰম, মই এই কথা অনুমান কৰিব পৰা নাই যে তুমি কি লাভ কৰিবৰ বাবে ইমান বেছি কষ্ট কৰিছা? মই এই কথা চিন্তা কৰি আছো যে কি বিশ্বাস কৰি তুমি এই পথত আগবাঢ়িছা। কিন্তু কোনো বিশ্বাসেই স্থায়ী নহয়। যি সময়ৰ প্ৰয়োজনত নিজৰ বিশ্বাসক সলনি কৰিব পাৰে, তেনে লোককেই পৃথিৱীয়ে সদায় মনত ৰাখে। তেনে লোকেই মহান লোকৰ মৰ্যদা লাভ কৰে। মই তোমাক এটা কাহিনী কম, যি কাহিনীৰ সম্ৰাটে সময়ৰ প্ৰয়োজনত নিজৰ বিশ্বাস সলনি কৰিছিল। সেই কাহিনী শুনি তুমি তোমাৰ কষ্ট পাহৰি যাব পাৰিবা।"

এসময়ত চন্দ্ৰগুপ্ত নামৰ এজন সম্ৰাটে কোশল ৰাজ্যত ৰাজত্ব কৰিছিল। কোশল



কেৱল এক বৃহৎ সম্ৰাজ্যই নাছিল, ই সকলো দিশৰ পৰাই সমৃদ্ধিশালী আছিল। সেই সম্ৰাজ্য নানা ধৰণৰ প্ৰাকৃতিক সম্পদেৰে ভৰি আছিল আৰু ৰাজ্যৰ সকলো প্ৰজা আছিল কঠোৰ পৰিশ্ৰমী। গতিকে সেই ৰাজ্য সময়ৰ লগে লগে আৰু অধিক সমৃদ্ধিশালী হৈ গৈ আছিল।

যেতিয়া এখন ৰাজ্য বা সম্ৰাজ্য এইদৰে সমৃদ্ধিশালী হৈ পৰে, তেতিয়া এইটো স্বাভাৱিক যে কাষৰীয়া ৰজা, সম্ৰাটসকলৰ চকু পুৰিবলৈ আৰম্ভ কৰে। লাহে লাহে সকলো সমৃদ্ধিশালী ৰাজ্যৰ শত্ৰুলৈ ৰূপান্তৰিত হৈ পৰে।

বাহিৰৰ পৰা আহিব পৰা তেনে সমস্যাৰ বাবে কোশল ৰাজ্যই এক বুজন সংখ্যক যোদ্ধাৰে সুগঠিত সৈন্যবাহিনী তৈয়াৰ কৰি ৰাখিছিল। সময়ে সময়ে বিশেষজ্ঞই সেই সৈন্যবাহিনীক প্ৰশিক্ষণ প্ৰদান কৰিছিল আৰু নতুন নতুন যুৱকক সৈন্যবাহিনীত ভৰ্তি কৰিছিল।

কোশলত থকা সুগঠিত শক্তিশালী সৈন্যবাহিনী বেছ পৰাক্ৰমী আছিল আৰু সেই ভয়তে চুবুৰীয়া ৰাজ্যই কোশলক আক্ৰমণ কৰিবলৈ ভয় কৰিছিল। সেইবাবে বহুদিন ধৰি কোশল ৰাজ্যই কোনো আক্ৰমণৰ সন্মুখীন হবলগীয়া হোৱা নাছিল।

এইদৰে শান্তিত দিন পাৰ কৰি থকাৰ সময়তে ৰাজ্যৰ চোৰাংচোৱাই এনে এক গোপন খবৰ আনিলে, যি খবৰ শুনি সমগ্ৰ কোশল ৰাজ্য আচম্বিত হৈ পৰিল।

সেই বাৰ্তাটো আছিল এই যে বিজয়বৰ্ধন নামৰ এজন ৰজাই সমগ্ৰ ভাৰততে এক বিশাল সম্ৰাজ্য প্ৰতিষ্ঠা কৰাৰ মানসেৰে যুদ্ধ যাত্ৰা আৰম্ভ কৰিছে। তেওঁৰ সৈন্যবাহিনীয়ে এখনৰ পিছত এখনকৈ ৰাজ্য জয় কৰি কোশল ৰাজ্যৰ ফালে আহিব ধৰিছে। সেই ৰজাৰ বাহিনীৰ বিপক্ষে যুদ্ধত অৱতীৰ্ণ হোৱা সকলো ৰজাই পৰাজয় বৰণ কৰিছে আৰু আন কিছুমানে বিনা যুদ্ধই বশ্যতা স্বীকাৰ কৰিছে। কোনো ৰজাৰ সৈন্যবাহিনীয়েই বিজয়বৰ্ধনৰ পৰাক্ৰমী সৈন্যবাহিনীৰ আগত বেছিদিনৰ বাবে তিষ্ঠি থাকিব পৰা নাই।

এই খবৰ শুনি সমগ্ৰ সম্ৰাজ্য সচকিত হৈ পৰিল। ক্ষিপ্ৰ গতিত সকলো প্ৰয়োজনীয় যোগাৰ কৰা আৰম্ভ হ'ল।

প্ৰধানমন্ত্ৰী মহাদেৱে সেনাধক্ষ্য বীৰভদ্ৰক মতাই আনিলে। তেওঁ সেনাধক্ষ্যক কলে, "যুদ্ধত সৈন্যসকলেহে যুদ্ধ কৰে। গতিকে

তেওঁলোকেই আমাৰ প্ৰকৃত শক্তি। আমি তেওঁলোকৰ মাজত দেশভক্তিৰ ভাৱ জগাই তোলা উচিত যাতে শত্ৰু সম্পূৰ্ণৰূপে নিপাত নোহোৱালৈকে তেওঁলোক ক্ষান্ত নহয়। আমি এই কথা তেওঁলোকক বুজাই কোৱা উচিত যে যুদ্ধত বিজয়ী হবলৈ চেষ্টা কৰা উচিত আৰু পৰাজিত হৈ শত্ৰুৰ অধীন হোৱাতকৈ মৃত্যুক সাৱতি লোৱাই শ্ৰেয়।''

''হে প্ৰধানমন্ত্ৰী ডাণ্ডবীয়া, দেশভক্তি ক্ষেত্ৰত কোনেও আমাৰ সৈন্যৰ ফেৰ মাৰিব নোৱাৰে। কিন্তু কিবা অজ্ঞাত কাৰণৰ বাবে আমাৰ সৈন্যৰ আত্মবিশ্বাস কমি যাবলৈ আৰম্ভ কৰিছে।'' সেনাধ্যক্ষই কলে।

এই কথা শুনি প্ৰধানমন্ত্ৰী চিন্তিত হৈ পৰিল। তেওঁ অনুভৱ কৰিলে যে তেনে চিন্তাই সৈন্যৰ মনত বাহ ললে, যুদ্ধ কৰাৰ আগতেই পৰাজয় নিশ্চিত হৈ পৰিব। তেওঁ সেনাধ্যক্ষক সুধিলে, ''বীৰভদ্ৰ, তুমি কেনেকৈ এই কথাৰ উমান পালা? সৈন্যবাহিনী এনে এক সজুলি নহয় যে কেৱল তাক যুদ্ধৰ সময়ত উলিয়াই আনি ব্যৱহাৰ কৰা হয়। সৈন্যবাহিনী যিকোনো মূহুৰ্তত যুদ্ধ কৰিবৰ বাবে প্ৰস্তুত হৈ থাকিব লাগিব। তেনে ক্ষেত্ৰত কি কাৰণৰ বাবে আমাৰ সৈন্যৰ আত্মবিশ্বাস কমি আহিব ধৰিছে? তেওঁলোকৰ বীৰত্বৰ ওপৰতে দেশৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে।''

''ক্ষমা কৰিব প্ৰধানমন্ত্ৰী ডাণ্ডবীয়া, মই সেই অৰ্থত আত্মবিশ্বাস শব্দটো ব্যৱহাৰ কৰা নাছিলো। বিজয়বৰ্ধনে নানা ৰজাৰ বিপক্ষে যুদ্ধত অনায়াসে জয়লাভ কৰাৰ কথা শুনি সৈন্যসকল চিন্তিত হৈ পৰিছে। মই এই কথা বুজাব বিচৰা নাছিলো যে আমাৰ সৈন্যই যুদ্ধৰ কথা শুনি ভয় কৰিছে আৰু বিনাযুদ্ধই শত্ৰুৰ সন্মুখত শিৰ নত কৰিব খুজিছে।''

“সেয়া হয়তো সঁচা, কিন্তু আমি যদি শত্রুক যুদ্ধত পৰাজিত কৰিবলগীয়া হয়, তেন্তে প্ৰথমতে আমি সিঁহতক আমাৰ মনতে পৰাস্ত কৰিব লাগিব। তেতিয়াহে আমি যুদ্ধক্ষেত্ৰত তেওঁলোকক পৰাস্ত কৰিব পাৰিম। আমাৰ মন যদি যুদ্ধৰ আগতেই দুৰ্বল হৈ পৰে, তেন্তে আমি নিজেই পৰাজয়ৰ সন্মুখীন হবলগীয়া হব।” প্ৰধানমন্ত্ৰীয়ে কলে।

“মই আপোনাৰ কথাৰ লগত একমত প্ৰধানমন্ত্ৰী ডাঙৰীয়া। সেইবাবেই আমি সৈন্যসকলৰ মনোবল বৃদ্ধি কৰিবৰ বাবে নানাধৰণৰ আঁচনি হাতত হৈ ৰূপায়ণ কৰি আছো। মই অতি সোনকালেই আপোনাক ভাল খবৰ দিব পাৰিম বুলি আশা কৰো।” সেনাধ্যক্ষ বীৰভদ্ৰই কলে আৰু প্ৰধানমন্ত্ৰীৰ পৰা বিদায় ললে।

পুণৰ একসপ্তাহৰ পিছত সেনাধ্যক্ষ বীৰভদ্ৰই প্ৰধানমন্ত্ৰীক লগ ধৰিলে।

“কি হ’ল? তুমি আমাৰ সৈন্যসকলৰ মনোবল বৃদ্ধি কৰিবলৈ সক্ষম হ’লানে?” প্ৰধানমন্ত্ৰীয়ে সুধিলে।

“আমাৰ আঁচনি সফল হ’ল প্ৰধানমন্ত্ৰী ডাঙৰীয়া।” বীৰভদ্ৰই কলে।

“উত্তম, তুমি কেনেকৈ এই কামক সম্ভৱ কৰি তুলিলা?” প্ৰধানমন্ত্ৰীয়ে সুধিলে।

“ডাঙৰীয়া, আপুনি জানে যে যুদ্ধৰ পতাকাত থকা হনুমানৰ ছবিয়ে যুদ্ধৰ জয়ক সূচায়। মই আমাৰ সৈন্যসকলৰ মাজত এই কথা বিয়পাই দিলো যে বিখ্যাত জ্যোতিষী অশ্বনাথ শাস্ত্ৰীয়ে এই ভৱিষ্যত বাণী কৰিছে যে আমাৰ সৈন্যবাহিনীয়ে হনুমানৰ ছবি থকা পতাকা ব্যৱহাৰ কৰিলে আমি যুদ্ধত জয়ী হোৱাটো নিশ্চিত। আপুনি নিশ্চয় জানে যে মহাভাৰতৰ ভীমৰ পতাকাত হনুমানৰ ছবি আছিল। এতিয়া আমাৰ সৈন্যসকলে সেই ছবি থকা পতাকা লৈ নতুন উদ্যমেৰে যুদ্ধৰ বাবে প্ৰস্তুতি কৰি আছে। তেওঁলোক এতিয়া যিকোনো মূহুৰ্ততে শত্ৰুক প্ৰত্যাক্ৰমণৰ বাবে সাজু। কিন্তু....” বীৰভদ্ৰই কিবা এটা কবলৈ অলপ সংকোচ কৰিলে।

“কিন্তু কি?” প্ৰধানমন্ত্ৰীয়ে আগ্ৰহেৰে বীৰভদ্ৰক সুধিলে।

সেনাধ্যক্ষ বীৰভদ্ৰই বিৰৰি কলে, “মই এই কথা কৈ আমাৰ সৈন্যসকলৰ মনোবল বৃদ্ধি কৰি তুলিলো ঠিকেই, কিন্তু ৰাজধানী সোমাইহে এই কথা উপলব্ধি কৰিলো যে মই এনে কৰা উচিত নাছিল।”

“এনে কি ঘটিল?” প্ৰধানমন্ত্ৰীয়ে সুধিলে।

‘‘মই আচলতে আমাৰ সম্ৰাটৰ কথা ভাৱি চিন্তাত পৰিছো। আমাৰ সম্ৰাট হ’ল নাস্তিক। মই এই লৈ চিন্তাত পৰিছো যে তেওঁ যুদ্ধত ধৰ্মীয় চিহ্ন ব্যৱহাৰ কৰাৰ অনুমতি নিদিবও পাৰে।’’

সেনাধ্যক্ষই কি কব বিচাৰিছে প্ৰধানমন্ত্ৰীয়ে বুজি পালে। সম্ৰাটে সদায় কৈছিল, ‘‘আমি দেখি নোপোৱা কিবা এটা বস্তুত বিশ্বাস কৰাতকৈ আমাৰ নিজৰ সামৰ্থৰ ওপৰত বিশ্বাস কৰাটোৱেই শ্ৰেয়।’’

যি কি নহওক, ৰজা চন্দ্ৰগুপ্তই তেওঁৰ প্ৰজাৰ ওপৰত নিজৰ বিশ্বাস আৰোপ নকৰিছিল। কিন্তু তথাপিও সম্ৰাজ্যৰ সকলো ক্ষেত্ৰতে তেওঁৰ বিশ্বাসক উচিত সন্মান দিয়া হৈছিল।

‘‘আমি বৰ শলঠেকত পৰিলো। যি হব লগা আছে তাৰ পৰা পৰিত্ৰাণ পাব নোৱাৰি। সকলো ভগৱানৰ ইচ্ছানুসৰিয়েই হব। সকলো দিশৰে পৰা পৰাক্ৰমী আমাৰ সম্ৰাট নাস্তিক হোৱাটোও হয়তো ভগবানৰেই ইচ্ছা। তুমি আঁচনি মতেই কাম কৰি যোৱা। যি হব পিছত দেখা যাব।’’ প্ৰধানমন্ত্ৰীয়ে কলে।

চোৰাংচোৱাই পুণৰ খবৰ আনিলে যে শত্ৰু আহি পাবৰ বেছিদিন নাই।

সম্ৰাট চন্দ্ৰগুপ্তই এখন জৰুৰী সভাৰ আহ্বান কৰিলে। পৰিকল্পনা কৰা হ’ল যে কোশলৰ সৈন্যই শত্ৰুক সম্ৰাজ্যৰ সীমাতে আক্ৰমণ কৰি পৰাস্ত কৰিব, যাতে তেওঁলোক কোশলৰ ভিতৰলৈ প্ৰৱেশ কৰি সুবিধা নাপায়।

সম্ৰাট চন্দ্ৰগুপ্তই বীৰভদ্ৰক সেনাবাহিনী সাজু কৰি ৰাখিবৰ বাবে আদেশ দিলে।

প্ৰধানমন্ত্ৰী মহাদেৱে চিন্তা কৰিলে যে আৰু

অধিক পলম কৰা উচিত নহয়। তেওঁ সম্ৰাটক সৈন্যবাহিনীৰ পতাকাত হনুমানৰ চিত্ৰ ব্যৱহাৰৰ আঁচনিৰ বিষয়ে বিৱৰি কলে।

সম্ৰাট চন্দ্ৰগুপ্তই মনোযোগ দি প্ৰধান মন্ত্ৰীৰ কথা শুনিলে। তাৰপিছত তেওঁ বেছ কিছু সময় ধৰি মৌন হৈ থাকিল। তাত উপস্থিত থকা সকলোৱেই সম্ৰাটে কি মন্তব্য কৰে তাক শুনিবৰ বাবে অপেক্ষা কৰি থাকিল।

শেষত, সম্ৰাটে মূৰ দুপিয়ালে, যেন তেওঁ সিদ্ধান্ত গ্ৰহণহে কৰি পেলালে। তাৰপিছত তেওঁ ঘোষণা কৰিলে যে সৈন্যসকলে হনুমানৰ ছবি থকা পতাকা লৈ যুদ্ধ কৰিবলৈ যোৱাত তেওঁৰ সম্মতি আছে।

কাহিনীটো ইমানলৈকে কৈ বেতালে ৰজা বিক্ৰমক সুধিলে, ‘‘হে মহাৰাজ, সম্ৰাট চন্দ্ৰগুপ্ত আছিল এজন নাস্তিক লোক। তেওঁ

স্ব-সক্ষমতাত বিশ্বাস কৰিছিল। তেনেস্থলত তেওঁ সেনাধ্যক্ষ বীৰভদ্ৰৰ আঁচনিত কিয় সম্মতি দিলে? তেওঁ এজন মিছা নাস্তিক আছিল নেকি যে যি সকলো ঠিকে থকালৈ ভগৱানৰ অস্তিত্ব অস্বীকাৰ কৰি থাকে আৰু বিপদৰ সময়ত ভগৱানৰ নাম লবলৈ আৰম্ভ কৰে? নতুবা তেওঁ এজন আত্মবিশ্বাসহীন লোক আছিল নেকি যি আনৰ আগত নিজৰ আত্মবিশ্বাস থকাৰ কথা প্ৰমাণ কৰিবলৈ নিজকে নাস্তিক বুলি চিনাকি দিছিল? তুমি যদি মোৰ এই প্ৰশ্ন সমূহৰ উত্তৰ জনা স্বত্বেও নিদিয়া, তেন্তে তোমাৰ মূৰ ফাটি হেজাৰ টুকুৰা হব।''

ৰজা বিক্ৰমে উত্তৰ দিলে, ''সম্ৰাট চন্দ্ৰগুপ্ত দূৰ্বল বা আত্মবিশ্বাসহীন নাছিল। সেইবাবেই তেওঁ ভগৱানতকৈ নিজৰ শক্তিত বিশ্বাস কৰিছিল, ভাৰসা ৰাখিছিল। একেসময়তে, তেওঁ আন লোকসকলৰ বিশ্বাসক সন্মান কৰিছিল আৰু নিজৰ বিশ্বাস আনৰ ওপৰত জাপি দিব বিচৰা নাছিল। তেওঁ এই কথা স্পষ্ট কৰি দিছিল যে ভগৱানক বিশ্বাস নকৰাটো তেওঁ ব্যক্তিগত বিশ্বাস। গতিকে তেওঁ সৈন্যসকলক হনুমানৰ ছবি থকা পতাকা যুদ্ধক্ষেত্ৰলৈ লৈ যাবলৈ অনুমতি দিয়াৰ কথাত আচৰিত হবলগীয়া একো নাই। যুদ্ধ এক ব্যক্তিগত বিষয় নহয়। ই হ'ল সমগ্ৰ সম্ৰাজ্য আৰু তাত বসবাস কৰি থকা ৰজা-প্ৰজা সকলোৰে লগত সম্পৰ্কিত এক বিষয়। তেওঁ বীৰভদ্ৰৰ আঁচনিত সন্মতি দি এক মহান হৃদয়ৰ চিনাকি দিলে। তেওঁ বুজিব পাৰিছিল যে পতাকাত হনুমানৰ ছবি কঢ়িয়াই নিলে সৈন্যসকলৰ আত্মবিশ্বাস বৃদ্ধি পাব। আকৌ সৈন্যসকলে এই কথাও যদি ভাৱে যে তেওঁলোকৰ নাস্তিক ৰজাইও হনুমানৰ ছবি থকা পতাকাত বিশ্বাস কৰে, তেন্তে তেওঁলোকৰ আত্মবিশ্বাস দুগুণে বৃদ্ধি পাব। এই কথা অনুমান কৰা ভুল নহব যে যুদ্ধত ৰজা চন্দ্ৰগুপ্তৰ সৈন্যবাহিনীৰেই জয় হৈছিল।''

ৰজা বিক্ৰমে নিৰৱতা ভংগ কৰি এইদৰে বেতালৰ প্ৰশ্নৰ শুদ্ধ উত্তৰ প্ৰদান কৰাৰ লগে লগে বেতালে মৰাশটোৰে সৈতে উৰি গৈ আগৰ দৰেই গছজোপাত ওলমি ৰ'লগৈ।

– পি ভেংকটেশ্বৰ ৰাও

মাছৰ ফচল

কৌৰী নগৰত গুহ নামৰ এজন বিখ্যাত বুদ্ধিয়ক লোকে বাস কৰিছিল। তেওঁৰ এবাৰ খেতি কৰাৰ ইচ্ছা জাগিল। গতিকে তেওঁ ঘৰৰ আশে পাশে যিমান মাটি আছিল সকলোখিনি চহ কৰি নানা ধৰণৰ বীজ ৰোপন কৰিলে। তাৰপিছত তেওঁ সেইবিলাকৰ ভালদৰে যত্ন লৈ ডাঙৰ কৰিবলৈ ধৰিলে।

গুহই খেতি কৰাৰ কথা গম পাই তেওঁৰ বন্ধুসকলে নানা ধৰণৰ পৰামৰ্শ দিলে, কোনোৱে আহি হাতে-কামে লাগি সহায়ো কৰি দিলে। অলপ দিনৰ ভিতৰতে গুহৰ বাগিছাত সুন্দৰ সুন্দৰ ফুল ফুলিবলৈ আৰম্ভ কৰিলে।

এদিনাখন এক আঢ্যৱন্ত লোক সেই বাগিছা চাবলৈ আহিল।

"মই শুনা পাইছো যে তুমি এজন পাকৈত খেতিয়ক হৈ পৰিলা। কিন্তু মই তোমাৰ বাগিছাত দেখোন একো নতুন ধৰণৰ গছ নাই।" লোকজনে কলে।

"মই যি যি বীজ পালো, সেইবিলাককে সিঁচি দিলো। নতুন ধৰণৰ একো বীজ নাপালো।" গুহই উত্তৰ দিলে।

"নতুন ধৰণৰ বীজ মই তোমাক দিব পাৰিম, কিন্তু মোৰ সন্দেহ যে তুমি সেইবিলাকৰ যত্ন লব পাৰিবানে নোৱাৰা।"

"আপুনি চিন্তা নকৰিব। মই যিকোনো ধৰণৰ বীজৰে তদাৰক কৰিব পাৰিম।" গুহই আশ্বাস দিলে।

"তেতিয়াহলে মই কালিলৈ মোৰ গোলামৰ হাতত সেই বীজ প্ৰেৰণ কৰিম। সেই বীজ মোৰ জোৱাঁয়ে বাগদাদৰ পৰা

ৰাই আদি নাৰায়ণ



পঠিয়াইছিল। মোৰ বাগিছা আদি কৰাত ৰাপ নথকাৰ বাবে সেইবিলাক কাগজত বান্ধি থৈ দিছো।'' ধনী লোকজনে কলে।

পিছদিনাখন ৰাতিপুৱা সেই আত্মৰন্ত লোকজনৰ চাকৰে কাগজত মেৰিয়াই থোৱা কিছু বীজ দি কলে, ''এয়া মোৰ মালিকে আপোনালৈ দি পঠিয়াইছে। এই বীজ তেওঁ বৰ সাৱধানেৰে সিঁচিবলৈ কৈছে।''

গুহই সেই টোপোলা খুলি গোলামক সুধিলে, ''এয়া কিহৰ বীজ তোমাৰ মালিকে কোৱা নাই নেকি?''

''তেৰো নাজানে। মাত্র কলে যে যেতিয়া এইবিলাক গজিবলৈ আৰম্ভ কৰিব, তেওঁ তেতিয়া চাবলৈ আহিব।'' এইবুলি গোলাম গুচি গ'ল।

খেতি কৰা লোকে সাধাৰণতে কিহৰ বীজ গম নাপালে মুখত দি তাৰ স্বাদ পৰীক্ষা কৰি চায়। গুহয়ো তাকে কৰিলে আৰু লগে লগে সকলো কথা বুজি পালে।

সেয়া আচলতে কোনো বীজ নাছিল, শুকুৱাই থোৱা মাছৰ কণী আছিল। তেওঁক মূৰ্খ বনাবৰ বাবে সেই আত্মৰন্ত লোকজনে এই কাম কৰিছিল। গুহই তেওঁৰ এনে কামৰ পোতক তুলিবলৈ থিৰ কৰিলে।

দুসপ্তাহ পাৰ হৈ গ'ল। বজাৰত গুহক লগ পাই আত্মৰন্ত লোকজনে সুধিলে, ''গোলাপৰ খেতি এইবাৰ কেনে হৈছে?''

''আপোনালোকৰ আশীৰ্বাদত বৰ ভাল হৈছে। ইমানেই ফুল লাগিছে যে পাত দেখা পোৱাই নাযায়।'' গুহই কলে।

''মই দিয়া বীজ সিঁচিলানে?''

''মই সেইদিনাই সিঁচি দিছিলো।'' গুহই লগে লগে উত্তৰ দিলে।

''সম্ভৱত এতিয়ালৈকে গজালি ওলোৱা নাই। মোৰ জোঁৱায়ে কৈছিল যে এই বীজৰ পৰা গছ গজোৱা বৰ সহজ কথা নহয়।'' সেই আত্মৰন্ত লোকজনে কলে।

''মই সেই বীজৰ বাবে প্ৰয়োজনীয় সকলো যত্ন ললো। ভালদৰে মাটি চহ কৰি বীজ সিঁচাৰ পিছত তাত নিয়মিত পানী দি আছো। আজি দুদিনমানৰ আগৰ পৰা গজালি ওলাবলৈ আৰম্ভ কৰিছে। তাত বেছি ৰদ নপৰিবৰ বাবে খেৰ দি ঢাকিও দিছো। আপুনি কালিলৈ এবাৰ আহিলে

মই আপোনাক দেখুৱাব পাৰিম।'' গুহই কলে।

''ঠিক আছে। মই কালিলৈ আহিম।'' এইবুলি কৈ আঢ্যৱন্ত লোকজন গুচি গ'ল।

লগে লগে গুহ মাছৰ দোকানলৈ গৈ তাৰ পৰা অলপ সৰু সৰু মাছ কিনিলে। ঘৰলৈ আহি তেওঁ নিজৰ সৰু পুতেকক সেইবিলাক দি কলে, ''এইবিলাক নি বাগিছাত চহাই থোৱা মাটিত এনেদৰে পুতি দে যাতে মুখখন তললৈ থাকে আৰু তাৰ ওপৰত ভালকৈ খেৰ পাৰি দে।''

গুহৰ ল'ৰাই কোৱামতেই কৰিলে।

পিছদিনা সেই আঢ্যৱন্ত লোকজন গুহৰ বাগিছালৈ আহিল। গুহই তেওঁক লগত লৈ গৈ সেই খেৰ পাৰি থোৱা অংশ দেখুৱাই কলে, ''গজালিবিলাক খেৰৰ তলত লুকাই আছে।'' তেওঁ খেৰ আঁতৰাই দেখুৱালে। এটা মাছৰ পিছ অংশ আঢ্যৱন্ত লোকজনৰ চকুত পৰিল। এইদৰে গুহই আৰু অলপ অংশৰ খেৰ আঁতৰাই দেখুওৱাত সেই লোকজনৰ চকু কপালত উঠিল।

''আশ্চৰ্য। কালি মই তোমাৰ কথাত বিশ্বাস কৰা নাছিলো। আজি স্বয়ং দেখাৰ পিছতহে বিশ্বাস হৈছে।''

''এই বীজক মই বেছি যত্ন লবলগীয়া হোৱা নাই। যদি মোৰ ওচৰত অধিক মাটি থাকিলেহেতেন, তেন্তে এই বীজ লগাই মই বহু ধন ঘটিব পাৰিলোহেতেন।''

''মই এবাৰ চেষ্টা কৰি চাব লাগিব।'' এইবুলি আঢ্যৱন্ত লোকজন গুচি গ'ল। ঘৰলৈ গৈয়েই তেওঁ গোলামক কলে, ''তই মাটি চহ কৰি তাত মাছৰ কণী সিচি দে।'' গোলামে তাকে কৰিলে।

গুহই এই খবৰ গোটেই চহৰতে জনাজাত কৰি দিলে। সকলো লোকে সেই আঢ্যৱন্ত লোকজনক দেখি হাঁহিবলৈ ধৰিলে। আনক মূৰ্খ বনাবলৈ চেষ্টা কৰাৰ ফল তেওঁ হাতে হাতে পালে।

উপযুক্ত শিক্ষা

এসময়ত বেলতলা নামৰ এখন গাৱঁত অনন্ত নামৰ এজন ধনী খেতিয়কে বাস কৰিছিল। তেওঁ সৰু কালৰে পৰা দেউতাকৰ খেতিৰ পথাৰত কাম কৰিছিল। তেতিয়াৰে পৰাই দেখি-শুনি তেওঁ খেতি-বাতি সম্পৰ্কীয় বহু কথাই শিকি পেলাইছিল। ফলত খেতিৰ পৰা লাভ কৰি বহু মাটিবাৰী কিনিছিল। তেওঁ অলপমান মাটি ফল-মূলৰ বাগিছা হিচাপে ব্যৱহাৰ কৰিছিল। বাকী মাটিত ধান, মাহ, শাক-পাচলি আদি লগাইছিল। তেওঁ এজন সফল খেতিয়ক হিচাপে সকলোৰে মাজত জনাজাত আছিল। সকলোৰে তেওঁৰ প্ৰশংসা কৰিছিল। প্ৰশংসা লাভ কৰি লাহে লাহে তেওঁৰ আত্মগৌৰৱ বৃদ্ধি পাই আহিবলৈ ধৰিলে।

গাৱঁৰ সকলো খেতিয়ক ৰাতিৰ আহাৰ খোৱাৰ পিছত গাৱঁৰ সভা বহা স্থানত গোট খাইছিল। তেওঁলোকে নিজৰ নিজৰ সমস্যাৰ কথা গাৱঁৰ গাওঁবুঢ়া নৰহৰিৰ আগত বৰ্ণনা কৰিছিল। তেওঁ খেতিয়কসকলৰ সমস্যাৰ সমাধান আগবঢ়াবলৈ চেষ্টা কৰিছিল।

এদিনাখন অনন্ত সেই ঠাইত উপস্থিত হৈ দেখিলে যে গাওঁবুঢ়াৰ লগতে সকলোৰে মিলি সুনন্দ নামৰ খেতিয়কজনৰ সমস্যা সমাধান কৰিবলৈ চেষ্টা কৰি আছে। তেওঁ সমস্যা কি সুধিলে। তেওঁ যেতিয়া শুনিলে যে বেপাৰীয়ে কম দামতে সুনন্দৰ উৎপাদিত ফল কিনি ৰাম-ঠগন দিলে, তেওঁৰ বৰ হাঁহি উঠিল। অনন্তই কলে, ''যদি আমি বুদ্ধিমান নহও, তেন্তে যিকোনো লোকেই আমাক ঠগিব পাৰে।'' এই কথা শুনি সকলোৰে এনে লাগিল যে অনন্তই উপলুঙা সুৰত কথাষাৰ কৈছে আৰু সেইবাবে কোনেও বৰ ভাল নাপালে।

গাওঁবুঢ়া নৰহৰিয়ে অনন্তক কলে, ''অনন্ত, অভিজ্ঞতা আৰু বুদ্ধি সকলো সময়তে যথেষ্ট

এ হাম্যাৰতী

নহবও পাৰে। কেতিয়াবা সকলোতকৈ বুদ্ধিমান লোকজনেও ঠগ খাব পাৰে।''

অনন্তই যুক্তি দিলে এইদৰে, ''মই আপোনাৰ কথা মানি লব নোৱাৰো। আমি বুদ্ধিমান হলে নিশ্চয়কৈ ঠগ খোৱাৰ পৰা হাত সাৰি থাকিব পাৰো। মইটো আজিলৈকে কেতিয়াও ঠগ খোৱা নাই।''

অনন্তৰ কথা শুনি সুনন্দই কলে, ''তাৰমানে আপুনি কব বিচাৰিছে নেকি যে আপুনি বৰ বুদ্ধিমান?''

অনন্তই আত্মবিশ্বাসেৰে উত্তৰ দিলে, ''নিশ্চয়, মই আজিলৈকে কেতিয়াও ঠগ খোৱা নাই আৰু ভৱিষ্যতেও নাখাও। কাৰণ মই কিবা এটা কাম কৰাৰ আগতে চিন্তা কৰো।''

তাকে শুনি সুনন্দই অনন্তক প্ৰত্যাহ্বান জনাই কলে, ''ঠিক আছে, যদি এইটো প্ৰমাণিত হয় যে আপোনাক ঠগাটো সম্ভৱ নহয়, তেন্তে মই আপোনাক বিশহেজাৰ টকা দিম। যদি আপুনি ঠগ খাই, তেতিয়াহলে মোক কি দিব?''

তেতিয়া গাওঁবুঢ়াই কলে, ''যিহেতু অনন্তই এই কথাৰ দাবী কৰিছে যে গাওঁৰ ভিতৰতে সকলোতকৈ বুদ্ধিমান, তেনেক্ষেত্ৰত তেওঁ ঠগ খালে ছল্লিছহেজাৰ টকা দিব লাগিব। এই বাজীৰ ম্যাদ হব কেৱল তিনিমাহ। আমি সকলো ইয়াৰ সাক্ষী। তুমি মান্তিনে অনন্ত?''

অনন্তই কলে, ''মই মান্তি আছো। মই ঠগ খোৱাটো সম্ভৱেই নহয়। সুনন্দৰ এনেয়ে বিশহেজাৰ টকা লোকচান হব।''

সুনন্দ আছিল এজন দয়ালু লোক। সাধাৰণতে সকলোৱেই আম পকাৰ কিছুদিনৰ আগতেই গছৰ পৰা চিঙি পেলাইছিল।



তাৰপিছত তেওঁলোকে সেইবিলাক কৃত্ৰিমভাৱে পকাইছিল। তেনেদৰে পকোৱা আম গাৱঁৰ বজাৰত বিক্ৰী কৰি ভাল দাম পাইছিল। কিন্তু সুনন্দই আম গছতে নপকালৈকে চিঙি নেপেলাইছিল। তেওঁ বিশ্বাস কৰিছিল যে কিনাজনে আমৰ সম্পূৰ্ণ সোৱাদ লাভ কৰা উচিত আৰু ভাল আম গ্ৰাহকক বিক্ৰি কৰিলে তেওঁ পূণ্য অৰ্জন কৰিব। গতিকে আনে আম চিঙাৰ এসপ্তাহমান পিছলৈকে আপেক্ষা কৰিছিল আৰু তাৰপিছতহে আম চিঙিছিল। এইবাৰো তেওঁ তেনেদৰেই কৰিলে আৰু দহগাড়ী পকা আম গাৱঁৰ বজাৰত বেচিবলৈ লৈ গ'ল। তেওঁ আশা কৰিলে যে সেইখিনি আম বিক্ৰী কৰি তেওঁ বেছ কিছু লাভ কৰিব পাৰিব।

গাৱঁৰ বজাৰত উপস্থিত হৈ সুনন্দই সকলো



আম একেলগে কিনি লব পৰা এজন বেপাৰী বিচাৰিবলৈ ধৰিলে।

সুনন্দৰ পৰা সদায় আম কিনি লোৱা হৰিকান্তক তেওঁ বজাৰত বিচাৰি নাপালে। সেইবাবে আন এজন বেপাৰী লক্ষ্মণক গোটেইখিনি আম বিক্ৰী কৰিবলৈ তেওঁ মান্তি হ'ল। লক্ষ্মণ আছিল এজন ধূৰ্ত লোক। তেওঁ সুনন্দক কলে, ''তুমি তিনিদিনমান দেৰি কৰিলা। আজি আমৰ দাম ভাল নহয়। তুমি মোৰ বন্ধু বাবে মই তোমাৰ পৰা আমখিনি কিনি লম। কিন্তু মই তোমাক প্ৰতিশ আমত আগতে কোৱা দামতকৈ তিনিটকাকৈ কমকৈ দিম। নহলে তুমি কালিলৈকে অপেক্ষা কৰিব পাৰা।''

তাকে শুনি সুনন্দই কলে, ''পকা আমবিলাক কালিলৈকে থলে বেয়া হৈ যাব পাৰে। ঠিক আছে, তুমি কোৱা দামতেই মই গোটেইখিনি আম তোমাক দিম।'' এইবুলি তেওঁ দহগাড়ী আম লক্ষ্মণক বিক্ৰী কৰি দিলে। তেওঁ যিমান দাম পাব বুলি ভাৱিছিল সিমান নোপোৱাৰ বাবে বৰ বেজাৰ পালে।

সেইদিনা সন্ধিয়া সুনন্দৰ খুলখালী আমন কুমাৰ তেওঁলোকৰ ঘৰলৈ আহিল। তেওঁ লগত এখৰাহী আম লৈ আহিছিল। সুনন্দই আমখিনি দেখি আচৰিত হ'ল। তেওঁ বুজিব পাৰিলে যে সেয়া তেওঁৰ বাগিছাৰেই আম। আমন কুমাৰে কলে, ''মই তোমালোকলৈ বুলি বজাৰৰ পৰা আম অলপকে কিনি লৈ আহিলো। দাম এশ আমত বিশ টকা। এইবিলাক দেখাত বৰ ভাল আম যেন লাগিছে। নহয়নে বাৰু?'' খুলখালীয়েকৰ কথা শুনি সুনন্দই বুজিব পাৰিলে যে তেওঁ ঠগ খালে। সুনন্দই এই ঘটনাৰ কথাকেই গাঁৱৰ সভা বহা স্থানত সকলোৰে আগত বৰ্ণনা কৰিছিল।

সুনন্দ আৰু অনন্তই বাজী মৰাৰ প্ৰায় ছল্লিশ দিন মানৰ পিছত অনন্ত নিজৰ চৈ দিয়া গৰুগাড়ীত উঠি কৰবালৈ গৈ আছিল। পথতে গাওঁবুঢ়া নৰহৰিয়ে লগ পালে। তেওঁ গৰুগাড়ীৰ ভিতৰত অনন্তৰ পত্নী আৰু সন্তানকো দেখিবলৈ পালে। তেওঁ সুধিলে, ''অনন্ত, তুমি পৰিয়াল লৈ ক'ৰবালৈ গৈ আছা যেন পাইছো।''

অনন্তই গৰুগাড়ীখন ৰখাই কলে, ''হয় গাওঁবুঢ়া ডাঙৰীয়া, আমি মিতিৰ খাবৰ বাবে গাঁৱৰ অলপ বাহিৰলৈ যাও। ফুৰি-চাকি দহ দিনমানৰ পিছতহে ঘূৰি আহিম।''

''কিন্তু তোমাৰ ঘৰত বহু বস্তা মাহ আদি জমা কৰি থোৱা আছে। সেইবিলাক নিৰাপদে থাকিবনে?'' গাওঁবুঢ়াই সুধিলে।

"মই সেইবিলাক ভালদৰে থৈ দিছো। গতিকে ঠিকেই থাকিব। তাতে মোৰ ঘৰৰ চাৰিওফালে চাকৰে পহৰা দি থাকে। সেইবাবে চুৰি হোৱাৰো সম্ভাৱনা কম।"

"কিন্তু তোমাৰ ঘৰত নিশ্চয় বেছ কিছু পৰিমাণৰ ধন-সম্পত্তিও আছে।"

"মই সেইবিলাকো সুৰক্ষিত কৰি থৈছো। মই সেইবিলাক এটা পাত্ৰৰ ভিতৰত ভৰাই সেই পাত্ৰ পাকঘৰত থৈ দিছো। কোনো চোৰে তাৰ গমেই ধৰিব নোৱাৰিব। কাৰণ তেনে ঠাইত সাধাৰণতে মানুহে টকা-পইছা নথয়। মই এতিয়া যাওহে। মই সন্ধিয়া হোৱাৰ আগতেই গৈ পাবগৈ লাগিব।" এইবুলি গাওঁবুঢ়াৰ পৰা বিদায় লৈ অনন্ত গুচি গ'ল।

দহদিনৰ পিছত ঘূৰি আহি অনন্তই দেখিলে যে পাকঘৰত থৈ যোৱা টকা-পইছা নাই। তেওঁৰ কিবা এটা সন্দেহ হ'ল আৰু জমা কৰি থোৱা শস্যৰ বস্তাবিলাক নিৰাপদে আছেনে নাই তাক চাবলৈ লৰ দিলে। তেওঁ দেখিলে যে শস্যৰ বস্তাও নাই। তেওঁ লগে লগে গাওঁবুঢ়াৰ ওচৰলৈ গৈ কন্দমামুৱা হৈ কলে, "মহাশয়, মোৰ ঘৰত চুৰি হ'ল। সেইবিলাকৰ বিষয়ে কেৱল মই আপোনাকহে কৈছিলো। এয়া নিশ্চয় সুনন্দৰে কাম। মোৰ ওপৰত ঈৰ্ষা কৰিয়েই হয়তো তেওঁ এই কাম কৰিলে।"

নৰহৰিয়ে সেইদিনা ৰাতি এই ঘটনাটোৰ বিষয়ে গাৱঁৰ সভা বহা স্থানত আলোচনা কৰিলে। তেওঁ তাৰপিছত কলে, "অনন্তই তেওঁ ক'ত কি কি বস্তু থৈছে সকলো কথা কৈছিল। বুদ্ধিয়ক মানুহে এইদৰে নিজৰ বুদ্ধিৰ কথা আনক ভাঙি-পাতি কয়নে বাৰু। সেইসময়ত কাষতে থকা খেতি পথাৰত বহু বনুৱাই কাম কৰি আছিল। অনন্তৰ গোপন কথা তেওঁলোকৰ যিকোনো এজনেই শুনিব পাৰে। আচলতে খুব বুদ্ধিয়ক মানুহেও ঠগ খাব পাৰে।" তাৰপিছত অনন্তক কলে, "তোমাৰ সকলো বস্তু মোৰ ঘৰত নিৰাপদে আছে। যোৱা, গৈ সেইবিলাক লৈ আহাগৈ। সুনন্দক সন্দেহ নকৰিবা। যেতিয়া কেনোবা বিপদত পৰে তেতিয়া সেইসকলক নিৰাশ কৰিব পৰাকৈ কথা কোৱা উচিত নহয়।" গাওঁবুঢ়াৰ কথা শুনি অনন্তই লাজতে মূৰ তল কৰিলে।

পঞ্চতন্ত্ৰৰ সাধু

দক্ষিণদেশত মহিলাৰূপ্য নগৰৰ ওচৰত এখন মহাৰণ্য আছিল। সেই অৰণ্যৰ মাজেদি বৈ যোৱা গোদাৱৰী নদীৰ তীৰত এজোপা প্ৰকাণ্ড শিমলু গছ আছিল। চাৰিওফালৰ পৰা নানান বৰণৰ নানান ধৰণৰ চৰাই সেই গছজোপালৈ উৰি আহিছিল। আহি সেই গছজোপাতে বহি জিৰণি লৈছিল, টোপনিয়াইছিল।

সেই গছজোপাৰ তলৰ শীতল ছাঁত বাটৰুৱাই জিৰণি লৈছিল। কেৱল চৰাইৰেই নহয়, সেই গছজোপা কিছুমান বান্দৰৰো বাসস্থান আছিল।

সেইজোপা গছতে লঘুপতনক (যি থিতাতে মাটিলৈ নামি আহিব পাৰে) নামৰ এটা কাউৰীয়ে বাস কৰিছিল। এদিন সি এজন ব্যাধ দেখা পালে। ব্যাধৰ হাতত আছিল এখন জাল। তেওঁৰ গাৰ বৰণ আছিল কিচকিচকৈ কলা। চকুমুখত আছিল নিষ্ঠুৰতা। কাউৰীটোৱে চিন্তা কৰিলে যে এই ব্যাধে নিশ্চয় এই গছৰ সকলো চৰাই জাল পাতি ধৰাৰ তালতে আছে।

ব্যাধৰ গঢ়-গতি চাই, ৰতাহত বিপদৰ উমান পাই, কও নকওকৈ অৱশেষত কোৱাটোকে থিৰ কৰি লঘুপতনকে সকলো চৰাইক মাতি কলে, ''চোৱাঁহত, জাল হাতত লৈ ব্যাধ আহি আছে। কেৱল জালেই নহয়, চাউলো লৈ আহিছে। চাউল খাবলৈ দি আমাক ধৰাৰ চল চাই থাকিব। তাৰ চাউল আমি কোনেও নাখাও যেন। তোমালোক সকলো বৰ সাৱধানে থাকিবা। এবাৰ তাৰ জালত পৰিলে ৰক্ষা পোৱাটো সম্ভৱ হৈ নুঠিবও পাৰে।''

মিত্ৰ লাভ - ১

কাউৰীয়ে কোৱাৰ দৰেই ঘটনা ঘটিল। ব্যাধ গছৰ তললৈ আহি চাউল ছটিয়াই দি জালখন ভালদৰে পাতি গছৰ আঁৰ লৈ অলপমান দূৰতে বহি থাকিল। ইপিনে কাউৰীয়ে সাৱধান কৰি দিয়াৰ বাবে কোনো চৰাই সেই চাউল খাবলৈ নগ'ল।

সেই গছজোপাত বহু কপৌ আছিল। সিহঁতৰ ৰজাৰ নাম আছিল চিত্ৰগ্ৰীৱ (ৰজাৰ ডিঙি ম'ৰা চৰাইৰ দৰে চিকমিকায়)। সেই চাউল দেখি কপৌৰ জাকটোৰ মুখৰ পানী ওলাবলৈ ধৰাত চিত্ৰগ্ৰীৱই কলে, "এই অৰণ্যৰ মাজত ইমান চাউল ক'ৰ পৰা আহিব পাৰে। কোনে এনে কৰিব পাৰে তাক বুজিবলৈ চেষ্টা কৰা। নাজানি নগমি খাবলৈ নাযাবা। বিপদত পৰিবা।"

কিন্তু কাৰ কথা কোনে শুনে। চাউল খোৱাৰ লোভত কপৌবিলাকৰ গা সাতখন আঠখন। এটা লুভীয়া কপৌয়ে কলে, "কামৰ কথা হোৱাহলে শুনিলোহেতেন। চাউল পৰি থাকিলে নাখাম নেকি?"

এই কথা শুনি চাউল খাবলৈ বুলি সকলো কপৌৱে ডেউকা মেলি দিলে। চাউল খাবলৈ মাটিত বহাৰ লগে লগে সিহঁতৰ ঠেং জালত লাগি ধৰিল। সিঁহতে নিজৰ ভিতৰতে কথা পাতিলে, "ছেঃ, লুভীয়াৰ কথা শুনি আমি নিগমে মৰিলো।"

লোভৰ সীমা আছে নে? ইমান যে শ্ৰেষ্ঠ জীৱ মানুহ – সেই মানুহো লোভৰ দাস। নহলে ৰাৱণৰ দৰে দেৱভক্তই কিয় আনৰ

ধৰ্ম পত্নীক অপহৰণ কৰিব? সীতাই সোণৰ হৰিণা দেখা পাই লুভীয়া হৈ উঠিছিল কিয়? যুধিষ্ঠিৰৰ দৰে সত্যবাদীয়েও লোভত পৰি মিছা মতা নাছিল জানো? আচল কথা হ'ল মন। মনে খোজাখিনি পাবলৈ মানুহে চাটিফুটি কৰে। পাবলৈ গৈ জালত পৰিলেহে বুজি পায়।

চিত্ৰগ্ৰীৱে জালত পৰা কপৌবিলাকৰ অৱস্থা বুজিলে। সি কলে, "এতিয়া আমি বিপদত পৰিছো। এতিয়া কাজিয়া বা যুক্তি তৰ্কৰ সময় নহয়। এতিয়া আমি একগোট হৈ কিবা এটা কৰিলেহে যদি মুক্তি লাভ কৰাটো সম্ভৱ হয়। আমি গোটবান্ধি কাম কৰিলেহে শত্ৰুক পৰাজিত কৰিব পাৰিম। মই ভাৱি চালো, এতিয়া আমাৰ ওচৰত

কেৱল এটাহে উপায় আছে। আমি সকলোৱে এই জালখনকে লৈ উৰি যাব লাগিব। নহলে আমাৰ ৰক্ষা নাই। আমি সেই দুটা মূৰ থকা চৰায়ে কৰাৰ দৰে ভুল নকৰো যেন।''

দুটা মূৰ থকা চৰাইৰ সাধু

এসময়ত এজনী দুমুৰীয়া চৰাই আছিল। চৰাইজনীৰ মূৰ দুটা বিপৰীতফালে মুখ কৰি আছিল। এবাৰ এটা মূৰে অমৃত দেখা পালে। সেইখন মুখে অমৃতৰ পাত্ৰৰ কাষ চাপি সেই অমৃত খাব বিচাৰিলে। তাকে দেখি আনখন মুখেও অমৃতৰ জুতি লব বিচাৰিলে। এই কথাত প্ৰথমখন মুখ মান্তি নহ'ল। ফলত দ্বিতীয়খন মুখে বৰ বেজাৰ পালে আৰু পোতক তুলিবলৈ বুলি বিষ খাই দিলে। বিষ খোৱাৰ ফলত গোটেই চৰাইজনী মৰি থাকিল।

কপৌহতে এই সাধু আগতেই শুনিছিল। সিঁহত সকলো চিত্ৰগ্ৰীৱৰ প্ৰস্তাৱত মান্তি হ'ল আৰু একেলগে চাৎকৰে জালৰ সৈতে আকাশলৈ ডেউকা মেলি দিলে।

ঘটনা দেখি ব্যাধে ভেবাচেকা খালে। সি কিংকৰ্তব্যবিমোৰ হৈ আকাশৰ ফালে চাই থাকিল। অলপ পৰৰ পিছত সি সম্বিত ঘূৰাই পাই ভাবিলে, 'মোৰ ইমান গধুৰ জালখন লৈ কপৌবিলাক বেছি দূৰ উৰিব নোৱাৰিব।' তেওঁ কপৌজাকৰ পিছে পিছে দৌৰি যাবলৈ ধৰিলে।

বহুপৰলৈকে দৌৰি দৌৰি ব্যাধ ভাগৰি পৰিল। ইফাল জালৰ কাষে কাষে লঘূপতনকো উৰি গৈ থাকিল।

ব্যাধ হতাশ হ'ল। লাহে লাহে জালখন লৈ কপৌবিলাক নেদেখা হ'ল। সি ভাবিলে, 'ভাগ্যত যি আছিল তাকে হ'ল। ভাবিছিলো পা-পৰিয়ালে পাৰ ধৰি খাম আৰু বিধিয়ে বোলে লগে লগে যাম।' সি মনৰ দুখ মনতে সামৰি ঘৰলৈ উভতি গ'ল।

(আগলৈ)

স্বৰ্গ আৰু নৰক

এদিনাখন কৌমুদী ৰাজ্যৰ ৰজা ৰবিবাৰ্মাৰ মনত এটা আচৰিত প্ৰশ্ন উঠিল। চিন্তা কৰিলে যে মৃত্যুৰ পিছত তেওঁ স্বৰ্গলৈ যাবনে নৰকলৈ যাব। এই কথা চিন্তা কৰি তেওঁ আন কামত মনোযোগ দিব নোৱাৰা হৈ পৰিল।

তেওঁ মন্ত্ৰী আৰু ৰাজপণ্ডিতসকলক মাতি এখন জৰুৰী সভা পাতিলে। তেওঁ সকলোকে উদ্দেশি কলে, ‘‘মই মোৰ প্ৰজাৰ সুখতেই সুখী হৈ আহিছো। কিন্তু কেতিয়াবা এই কথা মোৰ মনলৈ আহে যে মই কব নোৱাৰাকৈয়ে কিবা বেয়া কাম কৰিছো নেকি? এটা কথা মই মানি লও যে কৰ সংগ্ৰহ কৰাৰ ক্ষেত্ৰত মই অলপ কঠোৰ। মই বল প্ৰয়োগ কৰি আনৰ পৰা আজিলৈকে একো বস্তুৱেই লোৱা নাই। আপোনালোকে কি কয়?’’

সকলোৱে ৰজাৰ কথাৰ আঁৰত এক চিন্তাৰ সুৰ লক্ষ্য কৰিলে। প্ৰধানমন্ত্ৰী বৰ্ধনে কলে, ‘‘মহাৰাজ, আপোনাৰ সু-প্ৰশাসনৰ বাবেই ৰাজ্যৰ সকলো প্ৰজাই সুখে সন্তোষে দিন কটাই আছে। এই কথা সকলোৱেই জানে। আমাৰ দেশৰ সকলো লোকেই সমৃদ্ধিশালী। কিবা কাৰণত আপোনাক চিন্তিত দেখা গৈছে। অনুগ্ৰহ কৰি আমাক সেই সমস্যাৰ কথা বিৱৰি কওক। তাক সমাধান কৰিবৰ বাবে আমি সকলোৱে চেষ্টা কৰিম।’’

কেই মূহুৰ্তমানৰ বাবে ৰজা ৰবিবাৰ্মাই সকলোৰে মুখলৈ চালে। তাৰপিছত তেওঁৰ মনত খেলোৱা কথা সকলোকে বিৱৰি কলে, ‘‘মই মৃত্যুৰ পিছত স্বৰ্গলৈ যাম নে নৰকলৈ যাম সেই কথা ভাৱি চিন্তিত হৈ পৰিছো। সেই চিন্তাতেই মোৰ শোৱন-খাৱন একেবাৰে নাইকীয়া হৈছে।’’

ৰজাৰ সমস্যাৰ কথা শুনাৰ পিছত, সকলো পণ্ডিতে কলে যে ৰজা ৰবিবাৰ্মা হ’ল এজন

জি প্ৰিয়া ৰাণী

প্ৰজাৰ বাবে কাম কৰি ভাল পোৱা ৰজা। সেইবাবেই মৃত্যুৰ পিছত তেওঁৰ মোক্ষ প্ৰাপ্তি নিশ্চিত।

এই কথা শুনি ৰজা বৰ বিৰক্ত হৈ উঠিল। ''ইমান নিশ্চিতকৈ কেনেকৈ কব পাৰে? আনকি সকলোতকৈ পূণ্যৱান লোকেও কিবা নহয় কিবা বেয়া কাম কৰি পেলাব পাৰে। একেদৰে ময়ো অজানিতে কিবা বেয়া কাম কৰি পেলাব পাৰো। মই যদি পাপ কৰিছো, তাৰবাবে লাভ কৰিব পৰা নৰকবাসৰ পৰা মুক্তি লাভ কৰিবৰ বাবে মোক বিধান দিয়ক। সেইবিলাক পালন কৰি মই যাতে মই নৰকবাসৰ পৰা মুক্ত হৈ থাকিব পাৰো। আপোনালোক সকলোৱে চিন্তা কৰি আলোচনা কৰক আৰু মোৰ সমস্যাৰ এক সমাধান বিচাৰি উলিয়াওক।'' এইবুলি তেওঁ গুচি গ'ল।

তিনিদিনৰ পিছত, কান্ধত এটা পাত্ৰ কঢ়িয়াই এক ব্ৰাহ্মণপুত্ৰ ৰাজসভাত উপস্থিত হ'ল। তেওঁ ৰজাৰ সন্মুখলৈ গৈ কান্ধৰ পৰা পাত্ৰটো নমাই মজিয়াত থলে। তাৰপিছত কলে, ''মহাৰাজ, মোৰ নাম শশীন্দ্ৰ। মই এক ব্ৰাহ্মণ পুত্ৰ। মই আমাৰ পৰম্পৰা অনুসৰি পুৰোহিতবিদ্যা শিকিছো। মা-দেউতাৰ লগত মই এক সৰু কুটীৰত বাস কৰো। ময়েই তেওঁলোকৰ একমাত্ৰ সন্তান। মোৰ মা-দেউতাই আমৰ আচাৰ বৰ ভাল পায়। সেইবাবে মই দুই ডজন কেঁচা আমৰ পৰা আচাৰ তৈয়াৰ কৰিলো। বৰ্তমান মোৰ ম-দেউতা তীৰ্থ ভ্ৰমণ কৰিবলৈ গৈছে আৰু চাৰি-পাঁচদিনমানৰ পিছত উভতি আহিব। এটা পুজা সমাপন কৰিবৰ বাবে মই আজি কাষৰ গাওঁখনলৈ যাবলগীয়া আছে। আমাৰ ঘৰত দুৱাৰেই নাই। গতিকে মোৰ ভয় লাগি আছে যে কোনোবাই আমৰ আচাৰ চুৰ কৰি লৈ যাব পাৰে। সেইবাবে আচাৰখিনি মই ইয়ালৈকে লৈ আহিছো যাতে আপোনাৰ ওচৰত নিৰাপদে থৈ যাব পাৰো। হে মহাৰাজ, আপুনি মোক সহায় কৰক।''

শশীন্দ্ৰৰ এই অনুৰোধ শুনি ৰজা ৰবিবাৰ্মা প্ৰথমতে বিৰক্ত হ'ল। তেওঁৰ অলপ খঙো উঠিছিল। কিন্তু শশীন্দ্ৰৰ নিজৰ পিতৃ-মাতৃৰ প্ৰতি থকা ভক্তিৰ বাবে ৰজা বৰ সুখী হ'ল। ৰজাই সেই আচাৰৰ পাত্ৰটো নিজৰ কোঠাৰ ভিতৰত সুৰক্ষিতকৈ ৰাখিবলৈ গোলামক আদেশ দিলে। ৰজাৰ পৰা সহায় লাভ কৰি সুখী হৈ শশীন্দ্ৰ তাৰ পৰা গুচি গ'ল।

চাৰিদিনৰ পিছত শশীন্দ্ৰ পুণৰ ৰাজসভালৈ আহিল। ৰজা ৰবিবামাই শশীন্দ্ৰক সম্ভাষণ জনাই

আসন গ্ৰহণ কৰিবলৈ অনুৰোধ কৰিলে। তাৰপিছত ভাল-বেয়া খবৰ সোধাৰ পিছত ৰজাই গোলামক নিজৰ কোঠাৰ ভিতৰৰ পৰা শশীন্দ্ৰৰ আচাৰৰ পাত্ৰটো লৈ আনিবৰ বাবে হুকুম দিলে।

তাৰপিছত ৰজাই শশীন্দ্ৰক সুধিলে, "তুমি নিজেই এই আচাৰ প্ৰস্তুত কৰিলা নে কাৰোবাৰ সহায় ললা ?"

"মই এই আচাৰ নিজেই প্ৰস্তুত কৰিলো মহাৰাজ।" শশীন্দ্ৰই কলে।

"হয় নেকি, তোমাৰ হাতত যাদু আছে। আমাৰ আচাৰৰ সোৱাদ বৰ সুন্দৰ। আনকি মহাৰাণীয়েও তোমাৰ আচাৰৰ বৰ প্ৰশংসা কৰিলে। আমাৰ ফালৰ পৰা এহেজাৰ মোহৰ পুৰস্কাৰ হিচাপে স্বীকাৰ কৰা। এই ধনে তোমাৰ দৰিদ্ৰতা দূৰ কৰাত সহায় কৰিব।" ৰজা ৰবিবামাই শশীন্দ্ৰৰ প্ৰশংসা কৰি কলে।

ৰজাৰ কথা শুনি শশীন্দ্ৰই জোৰেৰে হাঁহি উঠিল আৰু কলে, "মহাৰাজ, কোনো সন্দেহ নাই, আপুনি নিশ্চিতভাৱে নৰকলৈ যাব।" লগে লগে ৰজাকে ধৰি ৰাজসভাত থকা সকলোলোক গম্ভীৰ হৈ পৰিল, সকলোৰে মুখৰ হাঁহি সৰিল। ৰজা ৰবিবামাই একো বুজি নাপাই শশীন্দ্ৰৰ ফালে চালে।

শশীন্দ্ৰই পুণৰ হাঁহি মাৰি কলে, "মহাৰাজ, আপোনাক সুৰক্ষিতকৈ ৰাখিবলৈ দিয়া আচাৰ বিনা অনুমতিত খোৱাৰ বাবে মই আপোনাক ক্ষমা নকৰিম। এই কাৰ্যই আপোনাক নৰকলৈ যোৱাৰ পথহে মুকলি কৰি দিলে।"

তাৰপিছত শশীন্দ্ৰই পুণৰ কলে, "জেদ কৰি কৰা কাম সাধাৰণতেই ভুল আৰু তেনে কামে নৰকলৈ যোৱাৰ পথহে সুগম কৰি দিয়ে। আনৰ সহায় হব পৰাকৈ কৰা কামে আমাক মোক্ষ লাভ কৰাত সহায় কৰে। সেয়াই হ'ল স্বৰ্গ আৰু নৰকৰ পাৰ্থক্য।"

ৰজা ৰবিবামাই শশীন্দ্ৰৰ কথা শুনি বৰ লজ্জিত হ'ল। তেওঁ জানিব পাৰিলে যে শশীন্দ্ৰ আচলতে প্ৰধানমন্ত্ৰীৰ ল'ৰা। তেওঁ শশীন্দ্ৰৰ বুদ্ধমত্তাৰ প্ৰশংসা কৰিলে। কেৱল সেয়াই নহয়, তাৰপিছত ৰবিবামাই তেওঁ ৰাজসভাৰ পণ্ডিতসকলক এনে অবান্তৰ প্ৰশ্ন কেতিয়াও সোধা নাছিল।



ৰান্ধিব জনা গিৰিয়েক

নৰ্মদাৰ নতুনকৈ বিয়া হৈছিল। তাই গিৰিয়েকৰ লগত বাস কৰিবলৈ লোৱাৰে পৰা সমস্যাৰ সন্মুখীন হবলৈ ধৰিলে। তাইৰ গিৰিয়েকে কাম কৰিবল নগৈছিল। তাৰ পৰিৱৰ্তে তেওঁ নৰ্মদাই পাকঘৰত ৰন্ধা-বঢ়া কৰি থকাৰ সময়ত কাষত থাকি ৰন্ধন-সম্বন্ধীয় নানা ধৰণৰ পৰামৰ্শ প্ৰদান কৰিছিল। খোৱাৰ সময়তো প্ৰায়েই অভিযোগ কৰিছিল যে তেওঁ কোৱা ধৰণেৰে নৰন্ধা বাবে খাদ্য সোৱাদ ভাল হোৱা নাই। নৰ্মদাই এই সমস্যা বেছিদিনৰ বাবে সহ্য কৰি থাকিব নোৱাৰিলে। তাই নিজৰ সমস্যাৰ কথা চুবুৰীয়া চম্পাক বিৱৰি কলে। চম্পাৰ ৰন্ধা-বঢ়া আদি কৰাৰ ব্যৱসায় আছিল।

চম্পাই সুধিলে, ''তাৰমানে তোমাৰ পতিয়ে তোমাৰ ৰন্ধা ভাল নাপায়?''

''কেৱল সেয়াই নহয়, তেওঁ একো কাম-বন নকৰি কেৱল বহি থাকে। এইদৰে বহি বহি খাই থাকিলে এদিন সাঁচতীয়া টকা কেইটা শেষ হৈ পৰিব।'' চিন্তিতভাৱে নৰ্মদাই কলে।

''মই তোমাৰ পতিৰ এই বেমাৰ ঠিক কৰিম। তুমি চাই থাকা।'' চম্পাই কলে।

সেইদিনা সন্ধিয়া চম্পা নৰ্মদাৰ ঘৰলৈ গ'ল। তাই নৰ্মদাৰ গিৰিয়েকক কলে, ''ককাইদেউ, নৰ্মদাই মোক কলে যে আপুনি খাদ্যৰ সোৱাদ চাকি চোৱাত বৰ পাৰ্গত। কালিলৈ আমি সত্য সোণাৰীৰ ঘৰৰ এটা ডাঙৰ ভোজৰ বাবে খাদ্য ৰান্ধিব লাগিব। তেওঁ খাদ্য বেয়া হোৱাটো একেবাৰে পচন্দ নকৰে। গতিকে, যদি আপুনি আহি আমি তৈয়াৰ কৰা খাদ্যত নিমখ, মছলা, জ্বলা আদি ঠিক হৈছেনে নাই চাকি চাই, তেন্তে আমাৰ বৰ সহায় হব। বিনামূল্যতে আমাক এই সহায় কৰিব নালাগে। এই কামৰ বাবে মই আপোনাক দুশ টকা দিম।''

পি কৃষ্ণমূৰ্তি

“মই নিশ্চয়কৈ আহিম। মই খাদ্যৰ সোৱাদ চাকি চোৱাত বৰ পাৰ্গত।” বুকু ফিন্দাই নৰ্মদাৰ গিৰিয়েক হৰিহৰে কলে।

পিছদিনা হৰিহৰ চম্পা আৰু তাইৰ দলৰ লগত গ’ল। তেওঁ নিজকে বৰ গুৰুত্বপূৰ্ণ অনুভৱ কৰিলে। কিয়নো খাদ্য ৰন্ধাৰ পিছত তেওঁ ভাল হৈছে বুলি কোৱাৰ পিছতহে বাকী লোকসকলক পৰিবেশন কৰা হ’ব। তেওঁ আন কামতো চম্পা আৰু তাইৰ দলক সহায় কৰিলে।

সকলো ঠিকে-ঠাকে পাৰ হৈ গ’ল। সেইদিনা সন্ধিয়া উভতি অহাৰ সময়ত চম্পাই কলে, “আপুনি প্ৰতিখন আঞ্জাৰ সোৱাদ পৰীক্ষা কৰি চোৱাৰ বাবেহে আঞ্জাবিলাক ইমান সোৱাদ লগা হ’ল। কালিলৈও আন এঠাইত ৰান্ধিবলগীয়া আছে। অনুগ্ৰহ কৰি আপুনি আহিব।” এইবুলি তাই আগতে কোৱাৰ দৰে দুশ টকা হৰিহৰৰ হাতত দিলে।

“মই নিশ্চয়কৈ আহিম।”, হৰিহৰে কলে। তাৰপিছত সি ঘৰলৈ গ’ল আৰু নৰ্মদাক নিজৰ মহান গুণৰ কথা কলে।

পিছদিনাখনৰ পৰা, তেওঁ চম্পা আৰু তেওঁৰ দলক শাক-পাচলি আদি কটা, চাউল ধোৱা আদি কামত উপযাচি সহায় কৰিবলৈ ললে। তাৰপিছত তেওঁ আঞ্জাৰ সোৱাদ পৰীক্ষা কৰি চাই ৰান্ধনিক আৰু কি কি বস্তু দিব লাগিব তাৰ উপদেশ দিবলৈ ধৰিলে।

এইদৰে অলপ দিন যোৱাৰ পিছত হৰিহৰ চম্পাৰ ৰন্ধন দলৰ এক সদস্য হৈ পৰিল। তাৰপিছত তেওঁ নিজে নিজে ৰন্ধা-বঢ়াৰ কাম বিচাৰি লবলৈ ধৰিলে। লগত কেইজনমান লোক লৈ তেওঁ নিজৰ ব্যৱসায় আৰম্ভ কৰিলে আৰু অতি কম দিনৰ ভিতৰতে তেওঁ চহৰৰ এজন জনাজাত ৰান্ধনিত পৰিণত হ’ল। মানুহে ৰন্ধা-বঢ়াৰ কামৰ বাবে তেওঁৰ দলক মাতি নিবলৈ ধৰিলে।

এইদৰে ৰন্ধনৰ কাম কৰি কৰি নিজে ৰন্ধা খাই খাই তেওঁৰ আমনি লাগিবলৈ ধৰিলে। ঘৰত তেওঁ পত্নীয়ে ৰান্ধি দিয়া খাদ্য তৃপ্তিৰে খাবলৈ ধৰিলে। পত্নীয়ে ৰন্ধা খাদ্যৰ ওপৰত কোনো আভিযোগ নাইকিয়া হ’ল। কিয়নো তেওঁ বুজি পালে যে ৰন্ধাটোও এটা কষ্টকৰ কাম।

বিম্ব-প্ৰতিবিম্ব

বিশাল নগৰত বিবেকৱন্ত নামৰ এজন ৰজা আছিল। তেওঁ সদায় পুৱা গধুলি নিজৰ ৰাজমহলৰ ওপৰতলাৰ বাৰান্দালৈ গৈছিল। তাতে ইফালে সিফালে ঘূৰি পকি সূৰ্যোদয় আৰু সূৰ্যাস্ত উপভোগ কৰিছিল।

সদায় ৰাতিপুৱা ৰাজমহলৰ কাষেদিয়েই এজন খৰিকটীয়াই খৰি কাটিবলৈ গৈছিল আৰু সন্ধিয়া এবোজা খৰি লৈ সেই ৰাস্তাইদিয়েই উভতি আহিছিল।

প্ৰতিদিনেই পুৱা-গধুলি ৰজাই তেওঁক দেখা পাইছিল। পুৱা সেই খৰিকটীয়াৰ ওপৰত তেওঁৰ সহানুভূতি জাগিছিল, 'খৰিকটীয়া নিশ্চয় একেবাৰে দুখীয়া, দেখাটো ক্ষীণ মীন। সম্ভৱত ইমান কষ্ট নকৰিলে, তাৰ খাবলৈকো নহয়গৈ।'

যেতিয়া সন্ধিয়া খৰিকটীয়াই খৰিৰ বোজা লৈ উভতি অহা দেখা পাই, তেওঁৰ মনত খং উঠে, 'খৰিকটীয়া বৰ পাপী। এনে লোকক শাস্তি বিহিব লাগে।'

ৰজাই এইভাৱি আচৰিত হ'ল যে ৰাতিপুৱা এজন লোকক দেখি সহানুভূতি হয় আৰু সন্ধিয়া সেই একেজন লোকক দেখিয়েই খং উঠে।

ৰজাই অৱশেষত মন্ত্ৰীক মতাই আনিলে। তেওঁ মন্ত্ৰীক নিজৰ মনৰ ভাৱ ব্যক্ত কৰিলে আৰু সুধিলে যে একেজন ব্যক্তিৰ ক্ষেত্ৰত পুৱা-গধুলি সম্পূৰ্ণ বিপৰীত চিন্তা উপজাৰ কাৰণ কি।

মন্ত্ৰীয়ে উত্তৰ দিবৰ বাবে ৰজাৰ পৰা তিনিদিনৰ সময় বিচাৰিলে।

পিছদিনাখন মন্ত্ৰীয়ে এজন দুখীয়া লোকৰ ভেশ ধাৰণ কৰি সেই খৰিকটীয়াৰ পিছে

চি কুৰ্মচাৰ্যলু

পিছে হাবিলৈ গ'ল। তেওঁ গোটেই দিনটো লক্ষ্য কৰিলে যে খৰিকটীয়াই কি ধৰণৰ কষ্ট কৰে। সন্ধিয়া তেওঁ পুণৰ খৰিকটীয়াৰ পিছে পিছে উভতি আহিল।

সেই খৰিকটীয়াক দেখি ৰজাৰ মনত কিয় সহানুভূতি উপজে সেই কথা মন্ত্ৰীয়ে উপলব্ধি কৰিলে। কিন্তু এই কথা বুজিব নোৱাৰিলে যে কিয় তাক দেখি ৰজাৰ খং উঠে।

পিছদিনাখন মন্ত্ৰীয়ে এজন সাধুৰ ভেশ ধৰি সেই খৰিকটীয়াৰ ঘৰৰ ফালে গ'ল।

ঘৰৰ ফালে এজন সাধুক অহা দেখা পাই সেই খৰিকটীয়াৰ পত্নীয়ে তেওঁক ঘৰলৈ নিমন্ত্ৰণ কৰিলে আৰু বহিবলৈ দি আদৰ-সংস্কাৰ কৰিলে।

তেওঁলোকৰ ঘৰত মন্ত্ৰীয়ে চন্দন কাঠৰ সুগন্ধ লাভ কৰিলে।

"সম্ভৱ তোমালোকৰ ঘৰত বহু চন্দন কাঠ আছে। গোন্ধে আমোলমোলাই আছে। সেইবিলাক বেচি কিয় এটা সুখৰ জীৱন-যাপন নকৰা। ইমান কষ্টত কিয় আছা?" সাধুৰূপী মন্ত্ৰীয়ে সহানুভূতি প্ৰদৰ্শন কৰি কলে।

"গুৰুদেৱ, ডাঙৰকৈ নকব। মানুহে শুনিব। আমাৰ এও খৰি কাটোতে কেতিয়াবা কেতিয়াবা চন্দন কাঠো পায়। মই সেইবিলাক এটা কোঠাত ভালদৰে থৈ দিছো। আমাৰ ৰজা কোনোবা নহয় কোনোবা দিনাটো মৰিব। যেতিয়া ৰজাৰ মৃতদেহ দাহ কৰা হব, তেতিয়া আমি সেই কাঠ ভাল দামত বিক্ৰী কৰি একেদিনাই ধনী হব পাৰিম।" নিম্নস্বৰত খৰিকটীয়াৰ পত্নীয়ে কলে।

এই কথা শুনাৰ লগে লগে মন্ত্ৰীয়ে এই কথা গম পালে যে সেই খৰিকটীয়াক সন্ধিয়া দেখাৰ লগে লগে ৰজাৰ কিয় খং উঠে। যেতিয়া খৰিকটীয়াই ৰাতিপুৱা হাবিলৈ খৰি কাটিবলৈ যায়, তেতিয়া নিজৰ দৰিদ্ৰতাৰ কথা ভাৱে। ভাৱে যে জীৱন নিৰ্বাহ কৰিব পৰাকৈ কিছু খৰি গোটাব পাৰে। তেতিয়া তাক দেখি ৰজাৰ মনত সহানুভূতিৰ সৃষ্টিহয়।

যেতিয়া খৰিকটীয়া দিনটো কষ্টকৰি খৰি লৈ ঘৰলৈ উভতি আহে, তেতিয়া তাৰ চন্দন কাঠৰ কথা মনত পৰে। সি চিন্তা কৰে যে ৰজাৰ সোনকালে মৃত্যু হওক আৰু তেতিয়া সি বেছি দামত সেই চন্দন কাঠ বিক্ৰী কৰি ধনী হব পাৰিব। সেইসময়তে ৰজাই তাক পুণৰ দেখা পায় আৰু ৰজাৰ তাৰ ওপৰত খং উঠে।

মন্ত্ৰীয়ে উপলব্ধি কৰিলে যে সেই খৰিকটীয়াৰ মনৰ ভাৱ আৰু ৰজাৰ মনৰ ভাৱ বিম্ব-প্ৰতিবিম্বৰ দৰে।

তাৰপিছত মন্ত্ৰীয়ে খৰিকটীয়াৰ পত্নীৰ পৰা বিদায় লৈ গুচি গ'ল।

পিছদিনাখন মন্ত্ৰী ৰজাৰ দৰবাৰত হাজিৰ হ'ল। মন্ত্ৰীক দুদিনমানৰ পিছত দেখা পাই ৰজাই সুধিলে, "মন্ত্ৰী ডাঙৰীয়া, মই সোধা কথাৰ কিবা সন্ধেদ ওলালনে?"

"হয় মহাৰাজ, মই সকলো সম্ভেদ লাভ কৰিলো। কিন্তু আপুনি মোক কথা দিব লাগিব যে মোৰ কথা শুনাৰ পিছত সেই খৰিকটীয়াক কোনো শাস্তি নিদিয়ে। তেতিয়াহলে মই সমস্ত কথা আপোনাক বিৱৰি কম।"

ৰজা মন্তি হ'ল আৰু মন্ত্ৰীয়ে তেওঁক সম্পূৰ্ণ ঘটনা বিৱৰি কলে।

ঘটনা শুনি ৰজাই মনতে ভাৱিলে যে খৰিকটীয়াই আন কাৰণত নহয়, সি দুখীয়া বাবেহে মোৰ মৃত্যু কামনা কৰে। তেওঁ খৰিকটীয়াক মাতি আনি বুজালে আৰু বহুত সোণৰ মোহৰ প্ৰদান কৰিলে যাতে সি বেছি কষ্ট কৰাৰ প্ৰয়োজন নহয়।

খেতিয়কৰ অভিযোগনামা

এখন গাৱঁত এজন খেতিয়কে বাস কৰিছিল। এজনী গৰুৰ বাহিৰে তেওঁৰ ওচৰত আৰু একো নাছিল। সেই গৰুজনী চৰাবলৈও তেওঁৰ ওচৰত সময় নাছিল। গতিকে গৰুজনী একেবাৰে দূৰ্বল হৈ পৰিছিল। সেই গৰুজনী তেওঁ ঘৰৰ চোতালতে সদায় বান্ধি থৈছিল।

সেই দুখীয়া খেতিয়কৰ চোতালতে এজন জমিদাৰৰ বাৰী লাগি আছিল। তাত থকা ঘাঁহবিলাক ডাঙৰ হৈ আছিল। গৰুজনীয়ে সেই ঘাঁহৰ সুগন্ধ পালে। তাই বান্ধি থোৱা ৰচী চিঙি পেলালে। তাৰপিছত জেওৰা ভাঙি জমিদাৰৰ বাৰীত প্ৰৱেশ কৰিলে আৰু ঘাঁহ খাবলৈ ধৰিলে।

গৰুৱে বাৰীৰ ঘাঁহ খোৱা দেখি জমিদাৰৰ চাকৰে গাইৰ মূৰত এটাঙোন মৰাত একে টাঙোনতে গাইজনী চেঁচা পৰিল।

খেতিয়কে জমিদাৰৰ ওচৰলৈ গৈ কান্দিবলৈ ধৰিলে। জমিদাৰে খেতিয়ক আৰু নিজৰ চাকৰ দুয়োৰে কথা শুনিলে। ‘‘কোনোবাই নিজৰ গৰুক আন কাৰোবাৰ বাৰীত ভৰাই দিয়ে আৰু তাৰ পিছত গাই মৰাত কয় যে এয়া অন্যায়। ইয়াক ঘৰৰ বাহিৰত থকা খুটাত বান্ধি বেতেৰে কোবাই পঠিয়াই দে।’’ জমিদাৰে চাকৰক কলে।

খেতিয়কে নিজৰ গাই হেৰুৱাৰ পিছত মাৰ খাই নিজৰ ঘৰলৈ উভতি আহিল। তেওঁ ঘৰলৈ আহি যি যি ঘটিল সেই কথা পত্নীক বিৱৰি কলে।

‘‘জমিদাৰে যদি ন্যায় কৰা নাই তেন্তে

আৰ সুশীলা

ইমানতে এৰি দিয়াটো ভাল নহব। তুমি ৰজাক গৈ গোচৰ দিয়াগৈ।''

ৰজাই নিশ্চয় ন্যায় বিচাৰ কৰিব।'' খেতিয়কৰ পত্নীয়ে কলে।

কিন্তু ৰজাৰ আগত গৈ কেনেকৈ এই অভিযোগ দিয়া যায়। তেওঁলোক দুয়ো নিৰক্ষৰ আছিল। গতিকে তেওঁ এডোখৰ কাঠ আনি তাতে এক চিত্ৰ তৈয়াৰ কৰিলে। নিজৰ ঘৰ, জমিদাৰৰ ঘৰ, জমিদাৰৰ বাৰীৰ জেওৰা, যি ঠাইত গাইজনী মৰিছিল, তেওঁক য'ত বান্ধি বেতেৰে কোবোৱা হৈছিল, এইবিলাকৰ চিত্ৰ আঁকিলে।

''বাহ, এই চিত্ৰ দেখি ৰজাই সকলো বুজিব পাৰিব। মই ৰাস্তাত খাবৰ বাবে ৰুটি তৈয়াৰ কৰি দিম। তুমি ৰাজধানীলৈ যাবলৈ সাজু হোৱা।'' পত্নীয়ে কলে।

পিছদিনা ৰাতিপুৱা খেতিয়কে যাত্ৰা আৰম্ভ কৰি দুপৰীয়াৰ সময়ত এখন বাগিছা পালেগৈ। সেই বাগিছা ৰজাৰ আছিল। খেতিয়কে তাত এজন লোক দেখা পালে। সেয়া আচলতে ৰজাই আছিল। কিন্তু তেওঁ সাধাৰণ পোছাকত থকাৰ বাবে খেতিয়কে চিনিব নোৱাৰিলে।

''নমস্কাৰ মহাশয়।'' খেতিয়কে কলে।

''তুমি কোন? ক'ৰবালৈ যোৱা নেকি?'' ৰজাই সুধিলে।

''গোচৰ দিবৰ বাবে ৰজাৰ ওচৰলৈ যাও। এয়া চাওক, মোৰ অভিযোগনামা পিছফালে ওলমাই থোৱা আছে। মোৰ গৰুক অন্যায় ভাৱে মাৰি পেলোৱা হ'ল। মোৰ ভোক লাগিছে। দুখন মান ৰুটি খাই লও। তাৰপিছত আপোনাক ঘটনাটো কম বাৰু।'' খেতিয়কে কলে।

এটা জুৰিৰ পাৰত দুয়ো বহি পৰিল। খেতিয়কে তেওঁৰ পত্নীয়ে বান্ধি দিয়া টোপোলা খুলি তাৰ পৰা ৰুটি আৰু মাখন উলিয়াই নিজেও খালে আৰু ৰজাকো দিলে। তাৰপিছত দুয়ো পানী খালে।

''তোমাৰ অভিযোগনামা ক'ত?'' ৰজাই খেতিয়কক সুধিলে।

খেতিয়কে পিছফালে ওলমাই থোৱা কাঠৰ টুকুৰাটো উলিয়াই বৰ্ণনা কৰিলে, ''এয়া চাওক- এইটো মোৰ ঘৰ আৰু কাষতে এইটো জমিদাৰৰ ঘৰ। এয়া মোৰ চোতালৰ কাষতে জমিদাৰৰ বাৰী। গাইজনী

এই ৰাস্তাইদি গৈ জমিদাৰৰ বাৰীৰ ভিতৰত সোমাই ঘাঁহ খাবলৈ ধৰিছিল। তাতেই জমিদাৰৰ চাকৰে টাঙোনেৰে মৰিয়াই মোৰ গাইজনী মাৰি পেলালে। মই গৈ জমিদাৰৰ ওচৰত এয়া অন্যায় হ'ল বুলি অভিযোগ কৰাত তেওঁ মোক চাকৰৰ হতুৱাই খুটাত বন্ধাই বেতেৰে কোবোৱালে আৰু কলে, 'যা, তোৰ য'তে মন যায় ত'তে মোৰ বিৰুদ্ধে অভিযোগ কৰ।''

''বৰ দুখৰ কাহিনী। কিন্তু একো সমস্যা নাই। মোক যিদৰে দেখুৱালা, সেইদৰে ৰজাকো দেখুৱাবা। ৰজাই নিশ্চয় ন্যায় কৰিব। মই এতিয়া যাওহে।'' এইবুলি খেতিয়কৰ পৰা বিদায় লৈ ৰজা গুচি গ'ল।

পিছদিনা খেতিয়কে কাঠৰ অভিযোগনামা লগত লৈ ৰজাৰ দৰবাৰত হাজিৰ হ'ল। ৰজাই ৰাজপোছাক পৰিধান কৰি সিংহাখনত বহি আছিল। তেওঁৰ চাৰিওফালে আন আন মন্ত্ৰীসকল বহি আছিল।

খেতিয়কে ৰজাক চিনিব নোৱাৰিলে। তেওঁ একেবাৰে ওচৰতে বহি থকা মন্ত্ৰীক নিজৰ অভিযোগনামা দি কলে, ''হুজুৰ, এই অভিযোগনামাখন চাওক। জমিদাৰৰ চাকৰে মোৰ গাইক মৰাৰ পৰা মোক খুটাত বান্ধি বেত দিয়ালৈকে সকলোবিলাক বৰ্ণনা কৰা আছে। অনুগ্ৰহ কৰি এবাৰ চাওক।''

মন্ত্ৰীয়ে সেই চিত্ৰ থকা কাঠৰ টুকুৰা দেখি কলে, ''মই একো বুজি পোৱা নাই। এইখন কেনেকৈ অভিযোগনামা হব পাৰে?'' এইবুলি তেওঁ কাষতে থকা আন এজন মন্ত্ৰীক অভিযোগনামাখন দি দিলে।

সেইজন মন্ত্ৰীয়েও কাঠৰ টুকুৰাটো চাই কলে, ''এয়া অভিযোগনামা হব নোৱাৰে। এই পাগলক বাহিৰ কৰি দিয়া।''

তেনেতে ৰজাই কলে, ''সেইখন মোক দিয়া।'' খেতিয়কৰ অভিযোগনামা হাত সলনি হৈ শেষত ৰজাৰ হাতত পৰিল। ৰজাই সেই কাঠ টুকুৰাটো ভালদৰে চাই কলে, ''এই অভিযোগনামাৰ পৰা সকলো কথা গম পোৱা গৈছে। তুমি মোৰ ওচৰলৈ আহা।'' ৰজাই খেতিয়কক ওচৰলৈ মাতিলে। খেতিয়ক ৰজাৰ ওচৰ গৈ পোৱাত ৰজাই খেতিয়কক সুধিলে, ''এইটো তোমাৰ ঘৰ আৰু এইটো জমিদাৰৰ ঘৰ, নহয়নে বাৰু?''

"হয় হুজুৰ।" খেতিয়কে কলে।

"এই ৰাস্তাইদিয়েই তোমাৰ গাই জমিদাৰৰ বাৰীত সোমাইছিল নেকি?" ৰজাই সুধিলে।

"হয় হুজুৰ।" খেতিয়কে উত্তৰ দিলে।

"বাকী কথাও ইয়াৰ পৰা গম পোৱা গৈছে। জমিদাৰৰ চাকৰে তোমাৰ গাইজনীক এইখিনিতেই মাৰিছিল ছাগে আৰু তোমাক এইটো খুটাত বান্ধি কোবাইছিল। নহয়নে বাৰু?" ৰজাই কলে।

"হুজুৰ, আপুনি গোটেই ঘটনাটো ভালদৰেই বুজি পাইছে।" খেতিয়কে আনন্দ মনেৰে ৰজাক কলে।

"ঠিক আছে। তুমি এতিয়া ঘৰলৈ ঘূৰি যোৱা। তোমাৰ পত্নীক এই কথা কবা যে মই নিশ্চয় তোমাক ন্যায় প্ৰদান কৰিম।" ৰজাই খেতিয়কক কলে।

খেতিয়কে ৰজাক নমস্কাৰ কৰিলে আৰু অবাক মন্ত্ৰীসকলৰ আগেদি ঘৰলৈ বুলি ৰাওনা হ'ল।

খেতিয়ক যোৱাৰ অলপ পিছতে ৰজাৰ ৰায় জমিদাৰৰ ওচৰলৈ প্ৰেৰণ কৰা হ'ল। সেয়া আছিল– 'জমিদাৰে খেতিয়কৰ ওচৰত ক্ষমা খুজিব লাগিব। তাৰপিছত খেতিয়কক এটা ঘৰ আৰু এটা গোহালী নিৰ্মাণ কৰি দিব লাগিব। লগতে চাৰি পুৰা মাটি আৰু সাতজনী গাই দিব লাগিব।'

জমিদাৰৰ পৰা এই সকলো লাভ কৰাৰ পিছত পত্নীয়ে কলে, "মই নকৈছিলো নে যে ৰজাই ন্যায় বিচাৰ কৰিব?"

"ৰজাৰ কোনো তুলনা নাই। তেওঁ সকলো কথাই বুজি পায়। তেওঁ মোৰ অভিযোগনামা দেখিয়েই সকলো বুজি পালে। তেওঁৰ লগত বাৰজন মন্ত্ৰী আছিল। তেওঁলোকে একো বুজিব নোৱাৰিলে। মই এই কথা বুজি নাপাও যে তেনে লোকক ইমান বেতন দি কিয় চাকৰিত ৰাখিছে?" খেতিয়কে আশ্চৰ্য প্ৰকাশ কৰি কলে।





সৰু সৰু মুদ্ৰা

এসময়ত ললিতপুৰ গাৱঁত ৰূপ নাৰায়ণ আৰু সমতা নামৰ এক দম্পত্তিয়ে বাস কৰিছিল। তেওঁলোকে নিজৰ সক্ষমতা অনুযায়ী আনক সহায় কৰিছিল। খগেন্দ্ৰ আছিল তেওঁলোকৰ একমাত্ৰ সন্তান।

খগেন্দ্ৰৰ বয়স কেৱল দহ বছৰ হোৱাৰ সময়তে তেওঁ দেউতাকে হৃদৰোগত ভুগি মৃত্যুবৰণ কৰিলে। তাৰপিছৰে পৰা সমতাই আনৰ ঘৰে ঘৰে কাম কৰি শিৱক ডাঙৰ দীঘল কৰিলে।

কেইবছৰমানৰ পিছত, সমতা পক্ষাঘাত ৰোগত আক্ৰান্ত হ'ল। খগেন্দ্ৰই পঢ়া-শুনা বাদ দি সৰু সুৰা কাম কৰি মাকৰ চোৱা-চিতা কৰিবলৈ ধৰিলে।

সময় বাগৰি গ'ল। এদিন সমতাই অনুভৱ কৰিলে যে তেওঁৰ সময় চমু চাপি আহিছে। তেওঁ পুতেকক কাষলৈ মাতি কলে, "পুত্ৰ, তুমি মোৰ বৰ যত্ন ললা। নিজৰ পিতৃ-মাতৃক ভালদৰে যত্ন লোৱাসকলক ভগৱানে চকু মেলি চায়। মই তোমাক কেৱল এই সৰু সৰু মুদ্ৰা কেইটামানহে দিব পাৰো। সেইবিলাকে তোমাৰ ভাগ্য উদয় কৰিব।" এইদৰে কৈ তেওঁ শিৱৰ হাতত কেইটামান সৰু মুদ্ৰা দিলে আৰু চিৰদিনৰ বাবে চকু মুদিলে। সেইকেইটা আছিল- এটা এপইছাৰ মুদ্ৰা, এটা আধা অনাৰ মুদ্ৰা, এটা এক অনাৰ মুদ্ৰা, এটা দুঅনাৰ মুদ্ৰা।

খগেন্দ্ৰই সেই মুদ্ৰাকেইটা নিজৰ লগত সযতনে ৰাখিলে। তেওঁ মাকৰ শ্ৰাদ্ধৰ সকলো কাজ-কৰ্ম পালন কৰিলে আৰু গাওঁ এৰি যাত্ৰা আৰম্ভ কৰিলে।

কিন্তু ক'লৈ যাব বা কেনি যাব সেইবিষয়ে খগেন্দ্ৰৰ কোনো জ্ঞান নাছিল। গৈ থাকোতে এটা ভিক্ষাৰীয়ে ভিক্ষা খোজাত তেওঁ জেপত

এন শিৱনাগেশ্বৰ ৰাও



হাত ভৰাই এপইছাৰ মুদ্ৰাটো উলিয়াই দি দিলে। তেতিয়া ভিক্ষাৰীয়ে আশীৰ্বাদ দি কলে, ''পূবফালে যোৱা। তোমাৰ ভাগ্য ভাললৈ আহিব।''

তেওঁ পূৱফালে যাত্ৰা কৰি কেইবাদিনৰ পিছত এখন অৰণ্য পালেগৈ।

সেই অৰণ্যতে এটা ৰাক্ষসে বাস কৰিছিল। তাৰ নাম আছিল ডুকৰুৰ। মানুহৰ গোন্ধ পাই সি গুহাৰ পৰা বাহিৰলৈ ওলাই আহিল আৰু খগেন্দ্ৰক দেখা পালে।

বিশাল আকৃতিৰ সেই ৰাক্ষসটোক দেখি খগেন্দ্ৰই বৰ ভয় খালে। সেই সময়তে মাকে কোৱা কথা তেওঁৰ মনত পৰিল – 'তোমাৰ ভাগ্য ভাললৈ আহিব।' তেওঁ মনত কিছু সাহস পালে।

ডুকৰুৱে খগেন্দ্ৰক কলে, ''মানুহটো, মই বহুদিনৰ পিছত আজি মানুহৰ মাংসৰ সোৱাদ লব পাৰিম। যি কি নহওক, এটা সংখ্যা আছে যিটো মোৰ বাবে একেবাৰে অশুভ। তুমি একৰ পৰা দহৰ ভিতৰত যি কোনো এটা সংখ্যা কোৱা। যদি সেইটো মোৰ অশুভ সংখ্যাটোৰ লগত মিলি যায়, মই তোমাৰ একো অনিষ্ট নকৰি যাবলৈ দিম।''

খগেন্দ্ৰই তেওঁৰ জেপত হাত ভৰাই আধা অনাৰ (তিনি পইছা) মুদ্ৰাটো পালে। তেওঁ বৰ বেছি নাভাৰি কলে, ''তিনি''

সেই সংখ্যাটো শুনাৰ লগে লগে ৰাক্ষসে ভয় খাই গ'ল আৰু কলে, ''সেইটোৱেই মোৰ অশুভ সংখ্যা। মই তোমাক এৰি দিছো। ইয়াৰ পৰা আঁতৰ হোৱা।''

ৰাক্ষসৰ কথা শুনি খগেন্দ্ৰই স্বস্তিৰ নিশ্বাস পেলালে আৰু তাৰ পৰা সোনকালে আঁতৰি গ'ল।

তাৰপিছত কেইবাদিনো অৰণ্যৰ মাজেদি যাত্ৰা কৰাৰ পিছত খগেন্দ্ৰই ৰাস্তা হেৰুৱাই পেলালে। তেওঁ অৱশেষত এখন জনজাতীয় গাঁৱত উপস্থিত হ'লগৈ। তেওঁ সেই গাঁৱত সোমোৱাৰ লগে লগে লোকসকলে তেওঁক বন্দী কৰি পেলালে আৰু তেওঁলোকৰ মুখিয়ালৰ ওচৰলৈ লৈ গ'ল।

মুখিয়ালে খগেন্দ্ৰৰ ফালে চাই খঙেৰে কলে, ''আমাৰ গাঁৱত সোমোৱা কোনো লোকেই জীৱিত অৱস্থাত উভতি যাব নোৱাৰে। আমাৰ ইয়াত এটা নিয়ম আছে। মোৰ লগত আহা।'' এইবুলি তেওঁক আৰাধ্য দেৱীমূৰ্তিৰ সন্মুখলৈ লৈ গ'ল।

মূৰ্তিৰ ভৰিৰ ওচৰত ছটা পাত্ৰ আছিল।

মুখিয়ালে সেই ছটা পাত্ৰ দেখুৱাই কলে, ‘‘সেইবিলাকৰ কেৱল এটাত আঙুৰৰ ৰস আছে। বাকীকেইটাত বিহ আছে। তুমি তাৰ মাজৰ পৰা এটা পাত্ৰ পচন্দ কৰিব লাগিব। যদি আমাৰ দেৱীয়ে কৃপা কৰে তেন্তে তুমি জীৱন্ত অৱস্থাত উভতি যাব পাৰিবা। নহলে মৃত্যুবৰণ কৰিব লাগিব।’’

খগেন্দ্ৰই তেওঁৰ মাকক মনত পেলালে আৰু জেপত হাত ভৰালে। এইবাৰ তেওঁ এক অনাৰ (ছয় পইছা) মুদ্ৰাটো পালে। শিৰই সেই ছটা পাত্ৰৰ মাজৰ পৰা যষ্ঠ পাত্ৰটো তুলি ললে। সেয়া আঙুৰৰ ৰস আছিল আৰু খগেন্দ্ৰই মুক্তি পালে।

তাকে দেখি মুখিয়ালে কলে, ‘‘আমাৰ দেৱীয়ে তোমাক দয়া কৰিছে।’’ তাৰপিছত তেওঁ নিজেই খগেন্দ্ৰক অৰণ্যৰ পৰা বাট দেখুৱাই বাহিৰলৈ লৈ গ’ল আৰু কলে, ‘‘যদি তুমি দক্ষিণ দিশলৈ যোৱা, তেন্তে মেমুৰী ৰাজ্যত উপস্থিত হবা।’’

মেমুৰী ৰাজ্যত উপস্থিত হৈ খগেন্দ্ৰই দেখিলে যে পথত হেজাৰ হেজাৰ মানুহ জমা হৈ আছে। তেওঁ ঘটনা কি এজন মানুহক সুধিলে।

মানুহজনে কলে, ‘‘আমাৰ মহাৰাজ সূৰ্ণধীৰে ইহলীলা সম্বৰণ কৰিলে। তেওঁৰ কোনো উত্তৰাধিকাৰী নাই। গতিকে ৰাজহাতীয়ে পৰৱৰ্তী ৰজাক বাচনি কৰিব। যাৰ ডিঙিতেই ৰাজহাতীয়ে মালা এডাল পিন্ধাই দিব তেৱেঁই ৰাজ্যৰ পৰৱৰ্তী ৰজা হব। তুমিও নিজৰ ভাগ্য পৰীক্ষা কৰিব পাৰা।’’

খগেন্দ্ৰই জেপত হাত দি দুই অনাৰ মুদ্ৰাটো পালে। সেইটো তেওঁ ওপৰলৈ দলিয়াই মুদ্ৰাটো পৰা ঠাইত থিয় দি থাকিল।

অলপ পিছতে ৰাজহাতী আহি সেই ঠাই পালেহি আৰু খগেন্দ্ৰৰ ডিঙিত মালা পিন্ধাই দিলে। তেওঁ মেমুৰীৰ ৰজা হ’ল। উপস্থিত সকলোৱে জয়ধ্বনি দিলে।

তেওঁ খগেন্দ্ৰসেন নাম লৈ মেমুৰী ৰাজ্যৰ সিংহাখনত আৰোহন কৰিলে আৰু ৰাজ্য শাসন কৰিবলৈ ধৰিলে। অতি কম দিনৰ ভিতৰতে তেওঁ এজন প্ৰজা-হিতৈষী ৰজা ৰূপে পৰিগণিত হ’ল।



ব্যৱসায়ৰ নীতি

মধুপুৰ গাৱঁত পশুপতিৰ এখন শাক-পাচলিৰ দোকান আছিল। তেওঁৰ ৰোহন নামৰ এজন সহকাৰী আছিল। সেই দোকানখন ভাল শাক-পাচলি আৰু উচিত পৰিমাণৰ দামৰ বাবে জনাজাত আছিল। আনকি কাষৰীয়া গাৱঁৰ মানুহেও তেওঁৰ দোকানত শাক-পাচলি কিনিবৰ বাবে আহিছিল। এদিনাখন, এজন ধনী জমিদাৰ কীৰ্তিবীৰ পশুপতিৰ দোকানলৈ আহি তেওঁক এখন দীঘল তালিকা দি সেই তালিকাত থকা সকলো শাক-পাচলি অতি সোনকালে মোনাত ভৰাই দিবলৈ কলে। পশুপতি আৰু ৰোহনে শাক-পাচলিৰ ওজন কৰি মোনাত ভৰাই দিবলৈ ধৰিলে। তেনেসময়তে এজন শিক্ষক ভীমৰাজ দোকানলৈ আহিল। পশুপতিয়ে কৰি থকা কাম এৰি ভীমৰাজে কিনিব খোজা বস্তু দি দিলে। ৰোহনে তেনে সময়তে লক্ষ্য কৰিলে যে পশুপতিৰ এই কামত কীৰ্তিবীৰে বৰ ভাল পোৱা নাই। অলপসময়ৰ ভিতৰতে কীৰ্তিবীৰে বিচৰা সকলো বস্তু ওজন কৰি মোনাত ভৰাই দিলে। কীৰ্তিবীৰে সেই বস্তুসমূহ লৈ তাৰ দাম পৰিশোধ কৰি গুচি গ'ল। কীৰ্তিবীৰ যোৱাৰ পিছত ৰোহনে পশুপতিক কলে, ''আপুনি এইদৰে মাজতে কাম এৰি ভীমৰাজক বস্তু দিয়াটো কীৰ্তিবীৰে ভাল পোৱা নাছিল।''

পশুপতিয়ে হাঁহি এটা মাৰি কলে, ''ভীমৰাজে প্ৰতিদিনেই আমাৰ দোকানৰ পৰা শাক-পাচলি কিনিবলৈ আহে। যদি মই তেওঁক ৰখাই থওঁ, তেন্তে তেওঁ আন দোকানলৈ যাবলৈ আৰম্ভ কৰিব। আমি এজন নিয়মীয়া গ্ৰাহক হেৰুৱাই পেলাম। আনহাতে কীৰ্তিবীৰৰ ক্ষেত্ৰত, আমি তেওঁৰ বস্তুৰ আধাখিনি মোনাত ভৰাইছিলোৱেই। গতিকে তেওঁ গুচি নগ'লহেতেন। তেওঁ আশা নকৰাকৈয়ে আহি ওলাইছিলহি আৰু আমাৰ পৰা সদায় নিকিনে। গতিকে কীৰ্তিবীৰৰ দৰে অনিয়মীয়া গ্ৰাহকৰ বাবে আমি ভীমৰাজৰ দৰে নিয়মীয়া গ্ৰাহক হেৰুওৱা উচিত নহয়।''

পশুপতিৰ ব্যৱসায়িক নীতি দেখি ৰোহন আচৰিত হ'ল। *– এছ সুধা ৰাণী*

সঁচাৰ দৰে লগা মিছা

এবাৰ এজন ৰজাই ঢোল পিটি ঘোষণা কৰোৱালে যে যি ব্যক্তিয়ে সঁচাৰ দৰে লগা মিছা কথা কব পাৰিব, তেওঁক এটা সোণৰ আম পুৰস্কাৰ দিয়া হব।

সোণৰ আম উপহাৰ পোৱাৰ আশাত অসংখ্য লোকে আহি ৰাজমহলত ভিৰ কৰিলেহি। সকলোৱে তৰহ তৰহৰ মিছা কথা কলে। কিন্তু ৰজাই সেইবিলাকৰ এটাও পচন্দ নকৰিলে। সেইবিলাকৰ কিছুমান সঁচা হব পাৰে, কিন্তু বেছিভাগেই বিশুদ্ধ মিছা কথা আছিল। গতিকে ৰজাই সোণৰ আম কাকো পুৰস্কাৰ নিদিলে।

এদিনাখন কেইবাটাও বস্তা লৈ এজন ভিক্ষাৰী ৰাজসভালৈ আহিল।

"তোমাক কি লাগে?" ৰজাই ভিক্ষাৰীক সুধিলে।

"মহাৰাজ, মই আপোনাৰ পৰা দহ বস্তা সোণৰ মোহৰ পাবলৈ আছে। দয়া কৰি মোক সেয়া প্ৰদান কৰক।" ভিক্ষাৰীয়ে কলে।

"এয়াটো মিছা কথা। তুমিটো মোকেই মিছলীয়া বনাইছা। মই তোমাক একো দিবলগীয়া নাই।" ৰজাই উত্তৰ দিলে।

"মিছা কথা! তেনেহলে মোক সেই সোণৰ আমটো দিয়ক।" ভিক্ষাৰীয়ে কলে।

ৰজাই সুখী হৈ সেই ভিক্ষাৰীক সোণৰ আমটো পুৰস্কাৰ দিলে।

ৰুদ্ৰম দেৱী

আমাৰ দেশত বহু বীৰাংগণাৰ জন্ম হৈ আহিছে। এনে বীৰাংগণাৰ সংখ্যা বহু যি দেশৰ বাবে প্ৰাণ আহুতি দিলে। বহুতে যুদ্ধক্ষেত্ৰত পৰাক্ৰম প্ৰদৰ্শন কৰিলে আৰু বহুতে কুশলতাৰে ৰাজ্য পৰিচালনা কৰিলে। তেওঁলোকৰ ভিতৰত এগৰাকী আছিল কাকতীয় ৰাজ্যৰ ৰুদ্ৰম দেৱী।

ৰুদ্ৰমদেৱী দক্ষিণৰ কাকতীয় ৰাজ্যৰ ৰাজকুমাৰী আছিল। সেই ৰাজ্যৰ জনতাই বেছ সুখেৰে জীৱন নিৰ্বাহ কৰিছিল। কলা-সংস্কৃতিতো বেছ আগবঢ়া আছিল।

কাকতীয় ৰাজ্যৰ এজন ৰজা আছিল গণপতি দেৱ। তেওঁৰ এক কণ্যা সন্তান আছিল। সেই ৰাজকুমাৰীৰ নাম আছিল ৰুদ্ৰম্মা। যিহেতু ৰজাৰ কোনো পুত্ৰ নাছিল, সেইবাবে ৰুদ্ৰম্মাই তৰোৱাল চালনা, ঘোঁৰা চেকুৰোৱা, যুদ্ধ কলা, ৰাজ্য শাসন পদ্ধতি আদিৰ প্ৰশিক্ষণ গ্ৰহণ কৰিছিল।

ৰাজকুমাৰী ৰুদ্ৰম্মাৰ মাতৃৰ নাম আছিল নাৰম্মা। তেওঁ ৰুদ্ৰম্মাই এইদৰে পুৰুষৰ কাম কৰি সময় অতিবাহিত কৰাটো বৰ ভাল নাপাইছিল। তেওঁ পতি গণপতি দেৱক বহুবাৰ এই কথা কৈছিল। কিন্তু গণপতি দেৱে একো নকৈ মাত্ৰ হাঁহিছিল।

ৰুদ্ৰম্মাৰ এই ৰূপ তেওঁৰ বান্ধৱীসকলেও ভাল নাপাইছিল। তেওঁলোকে ভাৱিছিল যে ৰুদ্ৰমদেৱীয়ে অলংকাৰ আদি পিন্ধি ৰাজকুমাৰীৰ দৰে থাকি কোনো উপযুক্ত দৰাৰে বিয়া হৈ জীৱন অতিবাহিত কৰাটো উচিত। সেইবাবে তেওঁলোকে ৰাজকুমাৰীৰ এই স্বভাৱ সলনি কৰিবৰ বাবে এটা বুদ্ধি পাঙিলে।

এদিনাখন যেতিয়া ৰাজকুমাৰী বাগিছাত বহি আছিল, তেতিয়া তেওঁৰ বান্ধৱীসকল এজনী এজনীকৈ আহি কলে, ''যুৱৰাজৰ জয় হওক... যুৱৰাজৰ জয় হওক।''

তেওঁলোকৰ কথা শুনি ৰুদ্রম্মা চক খাই উঠিল। তেওঁ চিন্তা কৰিলে যদিও লৰচৰ নকৰি তাতে বহি ৰ'ল।

ৰুদ্রম্মাই তাৰপিছত তেওঁলোকক গম্ভীৰভাৱে সুধিলে, ''যুৱৰাজৰ পৰা তোমালোকে কি পাবলৈ আশা কৰা?''

তাৰ উত্তৰত কি কব সেয়া বান্ধৱীসকলে আগতে ভাৱি থোৱা নাছিল, গতিকে ইজনীয়ে সিজনীৰ মুখলৈ চাই ৰ'ল।

''কিয় মনে মনে আছা। তোমালোকৰ কি ইচ্ছা কোৱা। মই তাক পুৰণ কৰিবৰ বাবে সাজু হৈ আছো।'' ৰুদ্রম্মাই কলে।

বান্ধৱীসকলে ভাৱিলে যে তেওঁলোকৰ মনৰ ইচ্ছা পূৰণ কৰিবৰ বাবে এয়া এক সুৱৰ্ণ সুযোগ। তেওঁলোকে কলে, ''আমাক একো নালাগে। কেৱল তুমি আমাক কথা দিব লাগে যে তুমি অস্ত্ৰ-শস্ত্ৰ কেতিয়াও স্পৰ্শ নকৰা।''

এই কথা শুনি ৰুদ্রম্মাৰ খং উঠিল। কিয়নো তেওঁ অস্ত্ৰ বিদ্যা অভ্যাস কৰিবৰ বাবে বৰ ভাল পাইছিল। আনকি তেওঁৰ পিতৃ গণপতি দেৱেও বিচাৰিছিল যে ৰুদ্রম্মা অস্ত্ৰ-শস্ত্ৰ চালনাত নিপুণ হৈ উঠক। গতিকে তেওঁ অনুশীলন বন্ধ কৰিব খোজা নাছিল। কিন্তু তেওঁ ইতিমধ্যেই বান্ধৱীসকলক কথা দিছিল। সেইবাবে তেওঁ কলে, ''ঠিক আছে, তোমালোকে কোৱাৰ দৰেই মই অস্ত্ৰ-শস্ত্ৰ স্পৰ্শ নকৰো। কিন্তু মোৰ এটা চৰ্ত আছে। সেয়া হ'ল মোক কোনোবাই অস্ত্ৰ চালনাত



পৰাস্ত কৰাৰ পিছতহে মই অস্ত্ৰৰ অনুশীলন বাদ দিম।’’

এই কথা শুনি ৰাজকুমাৰীৰ বান্ধৱীসকল বৰ সুখী হ’ল। তেওঁলোকে এই শুভ বাৰ্তা ৰুদ্ৰম্মাৰ মাতৃ নাৰম্মাক দিলেগৈ। তেওঁ ভাবিলে যে ৰাজকুমাৰী ৰুদ্ৰম্মা অতি সহজতে অস্ত্ৰচালনাত পৰাজিত হব। তেওঁ প্ৰধানমন্ত্ৰীক মাতি আনি কলে, ‘‘প্ৰধানমন্ত্ৰী ডাঙৰীয়া, আপুনি এনে কোনো এক লোকক মাতি আনক যি মোৰ কণ্যাক তৰোৱাল চালনাত পৰাজিত কৰিব পাৰে।’’

মন্ত্ৰীয়ে হাঁহি মাৰি কলে, ‘‘মহাৰাণী, মই কোনো এনে লোকক নাজানো যি ৰাজকুমাৰীক তৰোৱাল চালনাত পৰাজিত কৰিব পাৰিব।’’

এই কথা শুনি নাৰম্মা অবাক হ’ল। তেওঁ সুধিলে, ‘‘আপুনি এয়া কি কৈছে? এই কথা কেনেকৈ বিশ্বাস কৰো যে এই দেশত ৰাজকুমাৰীক তৰোৱাল চালনাত পৰাজিত কৰিব পৰা কোনো লোক নাই। আপুনি নিশ্চয় ধেমালি কৰিছে।’’

‘‘মহাৰাণী, মই আপোনাক সত্য কথাকেই কৈছো। আমাৰ দেশৰ সেনাপতিৰ পুত্ৰ তৰোৱাল চালনাত অতি নিপুণ। তেওঁ বহুতো যোদ্ধাক পৰাজিত কৰিছে। কিন্তু মই নিশ্চিত নহয় যে তেওঁ ৰাজকুমাৰীক পৰাজিত কৰিব পাৰিব। আপুনি যদি বিচাৰে তেন্তে মই ৰাজকুমাৰী ৰুদ্ৰম্মা আৰু সেনাপতিৰ পুত্ৰৰ মাজত এক তৰোৱাল যুদ্ধৰ আয়োজন কৰিব পাৰো।’’

পিছদিনাখনেই ৰাজকুমাৰী ৰুদ্ৰম্মা আৰু সেনাপতি পুত্ৰৰ মাজত তৰোৱাল চালনাৰ

প্ৰতিযোগিতাৰ আয়োজন কৰা হ'ল। সেই প্ৰতিযোগিতা চাবৰ বাবে বহু লোকৰ সমাগম হ'ল। মহাৰাণী নাৰম্মাও আহিল।

যথাসময়ত প্ৰতিযোগিতা আৰম্ভ হ'ল। কিন্তু প্ৰতিযোগিতা বেছি সময় ধৰি নচলিল। বিশেষ কৌশল প্ৰদৰ্শন কৰি ৰাজকুমাৰী ৰুদ্ৰম্মাই প্ৰতিদ্বন্দ্বীক নিৰস্ত কৰিলে। তেওঁ সহজতেই বিজয়ী হ'ল।

প্ৰতিযোগিতা চাই মহাৰাণী আচৰিত হ'ল। তেওঁ কল্পনাও কৰা নাছিল যে ৰাজকুমাৰী অস্ত্ৰ চালনাত ইমান বেছি পাৰদৰ্শী হব পাৰে। তেওঁৰ জেদ আৰু বাঢ়ি গ'ল আৰু ৰাজকুমাৰীৰ অস্ত্ৰৰ অনুশীলন বন্ধ কৰিবলৈ উঠি-পৰি লাগিল। তেওঁ ৰজা গণপতি দেৱৰ অনুমতি লৈ দেশে-বিদেশে এক ঘোষণা কৰোৱালে। ঘোষণা আছিল- 'যিজন লোকেই ৰাজকুমাৰীক অস্ত্ৰ চালনাত পৰাভূত কৰিব পাৰিব, তেওঁকেই দেশৰ সেনাপতি পদত মকৰল কৰা হব।'

এই ঘোষণা শুনি ৰুদ্ৰম্মাৰ লগত যুদ্ধ কৰিবলৈ বহু যোদ্ধা আৰু ৰাজকুমাৰ আহিল। যুদ্ধৰ আয়োজন কৰা হ'ল। কিন্তু কোনোৱেই ৰাজকুমাৰীক পৰাস্ত কৰিব নোৱাৰিলে। পৰাজিত নোহোৱা বাবে ৰাজকুমাৰীয়ে অস্ত্ৰ পৰিত্যাগ নকৰিলে।

ৰজা গণপতি দেৱৰ পিছত ৰাজকুমাৰী ৰুদ্ৰমদেৱী সিংহাসনত উঠিল আৰু বহুদিন ৰাজ্য শাসন কৰিলে।

ৰুদ্ৰমদেৱীৰো কণ্যা সন্তানৰেই জন্ম হ'ল। সেই কণ্যাৰ গৰ্ভত ৰাজকুমাৰ প্ৰতাপৰুদ্ৰৰ জন্ম হৈছিল। ৰুদ্ৰমদেৱীৰ পিছত ৰাজকুমাৰ প্ৰতাপৰুদ্ৰই কাকতীয় ৰাজ্যৰ সিংহাসনত আৰোহন কৰিছিল।

ৰুদ্ৰমদেৱীৰ শাসন কালত প্ৰজাই অতি সুখে-সন্তোষে বাস কৰিছিল আৰু সেই সময়চোৱাক কাকতীয় ৰাজ্যৰ সোণালী যুগ বুলি কব পৰা যায়।



চুটি-চাপৰ বাহুবলী

এসময়ত ৰামপুৰ নামৰ গাৱঁত বাহুবলী নামৰ এজন চুটি চাপৰ মানুহে বাস কৰিছিল। তেওঁ তৰোৱাল চালনা আৰু ধনুৰ্বিদ্যা জানিছিল। কিন্তু তেওঁ চাপৰ হোৱাৰ বাবে ৰজাৰ দৰবাৰত চাকৰি লাভ কৰিব পৰা নাছিল। এইদৰে বহুবাৰ উপেক্ষিত হোৱাৰ পিছত তেওঁ চাকৰি বিচৰা বাদ দিবলৈ ঠিক কৰিলে।

শেষবাৰ চেষ্টা কৰিবৰ বাবে তেওঁ সেনাধ্যক্ষক লগ ধৰিলে। কিন্তু সেনাধ্যক্ষই তেওঁক জোকাই কলে, ''তুমি আৰু দুফুটমান ওখ হবলৈ চেষ্টা কৰা। তেতিয়াহে মই তোমাক চাকৰি দিব পাৰিম।'' সেনাধ্যক্ষৰ এনে কথা শুনি বাহুবলী বৰ দুখী হৈ পৰিল আৰু বিমৰ্ষ মনেৰে উভতি আহিল।

ঘৰলৈ উভতি অহাৰ পৰত, তেওঁ জিৰণি লবলৈ বুলি এজোপা গছৰ তলতে বাগৰ দিলে। তেওঁ সোনকালেই টোপনিত ঢলি পৰিল। যেতিয়া তেওঁ সাৰ পালে, তেতিয়া দেখিলে যে এজন যুৱক তেওঁৰ সন্মুখত থিয় দি আছে। ''মোৰ নাম বিজয়, সেনাধ্যক্ষই খবৰ পালে যে কাষৰে এখন গাৱঁত এটা বাঘে প্ৰজাৰ মাজত অশান্তিৰ সৃষ্টি কৰিছে। সেই বাঘটোক নিধন কৰিবৰ বাবে মোক ইয়ালৈ প্ৰেৰণ কৰিছে।''

যুৱকৰ কথা শুনি বাহুবলীয়ে খন্তেক ভাৱিলে আৰু কলে, ''ময়ো এবাৰ চেষ্টা কৰি চাব বিচাৰো। মই সেই বাঘটো ধৰি সেনাধ্যক্ষক মোৰ বীৰত্বৰ প্ৰমাণ দিম। আমি দুয়ো একেলগে কাম কৰাই ভাল হব।''

বাহুবলীৰ কথাত বিজয় মান্তি হ'ল। তাৰপিছত দুয়ো গৈ চক্ৰপুৰ গাওঁ পালেগৈ। সেই গাৱঁৰ গাওঁবুঢ়াই তেওঁলোকক সম্ভাষণ জনালে আৰু কলে, ''বাঘটোৰ উপদ্ৰৱৰ বাবে গাৱঁৰ সকলো লোকে ভয়ৰ মাজত জীৱন-যাপন কৰিবলগীয়া হৈছে। এতিয়ালৈকে

এম আনন্দ ৰাও

বাঘটোৱে সাতজনী গৰু, ছটা ছাগলী আৰু তিনিজন লোকক বধ কৰিছে।''

''মই খালী হাতেৰেই বাঘটোক ধৰিব পাৰিম। কিন্তু যিহেতু এই কামৰ বাবে সেনাধ্যক্ষই বিজয়ক প্ৰেৰণ কৰিছে, গতিকে তেওঁ প্ৰথমতে চেষ্টা কৰক।'' বাহুবলীয়ে কলে। তাৰপিছত তেওঁ গাওঁবুঢ়াই যোগাৰ কৰি দিয়া খাদ্য খাই আৰামত শুই পৰিল।

বিজয়ে এজনী গৰু হাবিৰ মাজৰ এজোপা গছত বান্ধি বাঘৰ দৃষ্টি আকৰ্ষণ কৰিবৰ বাবে চেষ্টা কৰিলে। তাৰপিছত তেওঁ কাষৰে এজোপা গছৰ ওপৰত উঠি বাঘ অহালৈ অপেক্ষা কৰি থাকিল। কিন্তু বাঘ নাহিল। তিনিদিন পাৰ হৈ গ'ল। ইতিমধ্যে বাঘে গাঁৱৰ এঘৰৰ বেৰ ভাঙি শুই থকা লোক এজনক আক্ৰমণ কৰি গুৰুতৰ ভাৱে আঘাতপ্ৰাপ্ত কৰিলে।



ঘটনা দেখি বিজয়ে গাওঁবাসীক কলে, ''বাঘে ইতিমধ্যেই মানুহৰ তেজৰ সোৱাদ পাইছে। সেইবাবে গৰুৰ প্ৰতি সাৰ-সুৰেই কৰা নাই। সেইবাবে মোক এজন সাহসী লোক লাগে যি বাঘৰ বাবে টোপ হবলৈ ৰাজী।''

বিজয়ৰ কথা শুনি গাওঁবাসীৰ ইজনে সিজনৰ ফালে চালে। তাৰপিছত গাওঁবুঢ়াই হাঁহি এটা মাৰি কলে, ''বাহুবলীয়ে কৈছিল যে তেওঁ বাঘটোক খালী হাতেৰেই ধৰিব পাৰিব। গতিকে মই ভাৱোঁ যে তেওঁকেই টোপ হিচাপে ব্যৱহাৰ কৰাটো ভাল হব।''

যেতিয়া বাহুবলীয়ে গম পালে যে বাঘ ধৰিবৰ বাবে সকলোৱে তেওঁক টোপ হিচাপে ব্যৱহাৰ কৰাৰ কথা ভাৱিছে, তেতিয়া তেওঁ বৰ ভয় খালে। তেওঁ খঙেৰে কলে, ''আপোনালোক সকলোৱে মোক অপমান কৰিছে। মোৰ দৰে এজন বীৰক গৰুৰ ঠাইত টোপ হিচাপে থোৱাৰ কথা কেনেকৈ চিন্তা কৰিব পাৰিলে?'' কিন্তু গাওঁবাসীয়ে বাহুবলীক মনাবলৈ চেষ্টা কৰিলে। অৱশেষত বাহুবলী মান্তি হ'ল।

বাহুবলী গৰু বান্ধি থোৱা ঠাইত বহি পৰিল। বিজয়ে পুণৰ আগৰ দৰে কাষৰে এজোপা গছৰ ওপৰত উঠি অপেক্ষা কৰিলে। গৰু বান্ধিবলৈ ব্যৱহাৰ কৰা ৰছীডাল বাহুবলীৰ কাষতে পৰি আছিল।

বাহুবলীয়ে কেইটামান সৰু সৰু শিলগুটি গোটাই ললে আৰু বিজয়ৰ ফালে দলিয়াবলৈ ধৰিলে। ''তুমি শিলগুটি মোৰ ফালে কিয় দলিয়াই আছা?'' বিজয়ে সুধিলে।

''তুমি গছৰ ওপৰত আৰামেৰে বহি আছা। তোমাৰ টোপনি গলে তলত মোৰ কি অৱস্থা

হব?'' বাহুবলীয়ে সুধিলে। বাহুবলীৰ কথা শুনি বিজয় গছৰ পৰা নামি আহিল। তেওঁ তলত পৰি থকা সেই ৰচীডাল তুলি ললে আৰু এটা মূৰ বাহুবলীৰ হাতত বান্ধি দিলে। তাৰপিছত কলে, ''তোমাক বাঘে হত্যাও কৰিব পাৰে। কিন্তু তুমি যদি এইদৰে মোক আমনি কৰি থাকা, তেতিয়া হয়তো তুমি মোৰ হাতত মৃত্যুবৰণ কৰিব লাগিব।''

তাৰপিছত বিজয় পুণৰ গছৰ ওপৰলৈ উঠি গ'ল আৰু বাঘৰ বাবে অপেক্ষা কৰিবলৈ ধৰিলে। ইফালে বাহুবলীয়ে বিজয়ৰ ফালে শিলগুটি মাৰিয়েই থাকিল। মাজে মাজে তেওঁ জোৰে জোৰে গান গাবলৈ ধৰিলে। এইদৰে বহুসময়লৈকে সাৰে থকাৰ পিছত মাজনিশা দুয়ো টোপনি গ'ল।

ইফালে ৰাতি বাঘ আহি বাহুবলীৰ ওচৰ পালেহি। হঠাতে সাৰ পাই চকুৰ আগত বাঘ দেখি বাহুবলী জাপ মাৰি উঠিল আৰু চিঞৰ মাৰি দিলে। তেওঁৰ হাতত বান্ধি থোৱা ৰচি ডালৰ আনটো মূৰ এজোপা গছত বান্ধি থোৱা আছিল। সেইডাল খুলিবলৈ সময় নথকাত বন্ধা অৱস্থাতে তেওঁ গছজোপাৰ চাৰিওফালে দৌৰিবলৈ ধৰিলে। বাঘো তেওঁৰ পিছে পিছে চক্ৰাকাৰে দৌৰি থাকিল।

শব্দ শুনি অলপ পৰৰ পিছত বিজয়ে সাৰ পালে। তেওঁ চিঞৰি বাহুবলীক কলে, ''তুমি ৰৈ দিয়া। তেতিয়া মই বাঘলৈ লক্ষ্য স্থিৰ কৰি কাড় নিক্ষেপ কৰিব পাৰিম।'' বাহুবলীয়ে দৌৰি থাকিয়েই কলে, ''যদি মই ৰৈ দিও, তেন্তে বাঘৰ হাতত মোৰ মৃত্যু নিশ্চিত।''

এইদৰে বাহুবলী আৰু বাঘটোৱে গছজোপাৰ চাৰিওফালে চক্ৰাকাৰে দৌৰি থকাৰ বাবে বিজয়ে কাড় নিক্ষেপ কৰিবৰ বাবে সুবিধাই নাপালে। কিন্তু এপাকত সেই ৰচীডাল বাঘৰ ভৰিৰ মাজত সোমাই পৰিল আৰু বাঘৰ পিছঠেং

দুটাত পাক মাৰি ধৰিলে। বাঘটো দৌৰিব নোৱাৰা হৈ পৰিল। সি বহি পৰিল। বাঘে লৰচৰ কৰিব নোৱাৰা হোৱাত বাহুবলীয়ে বাঘৰ পিঠিত উঠি বহি পৰিল।

ইফালে বাহুবলীয়ে মৰা চিঞৰ শুনি বহুলোক সেইফালে দৌৰি আহিছিল। তেওঁলোকে বাহুবলীক বাঘৰ পিঠিত উঠি থকা দেখি তেওঁৰ সাহসৰ প্ৰশংসা কৰিলে।

"মই এজন চুটি চাপৰ মানুহ আৰু তাকে লৈ সকলোৱে মোক ঠাট্টা কৰে। তুমি এই বাঘটো ৰাজসভালৈ লৈ যোৱা। ৰজাৰ পৰা উচিত পুৰস্কাৰ লাভ কৰিব পাৰিবা।" বাহুবলীয়ে বিজয়ক কলে।

"মই ইতিমধ্যেই ৰাজ কাৰ্যালয়ত চাকৰি কৰি আছো। আৰু ইয়াৰোপৰি তুমিহে আচলতে বাঘটোক ধৰিছা। গতিকে তুমিহে বাঘটো ৰজাৰ ওচৰলৈ লৈ যোৱাটো উচিত হব। মই ভাৱো ৰজাই তোমাক উপযুক্ত পদত নিযুক্তি দিব।" বিজয়ে কলে।

বিজয়ৰ বুজনিত বাহুবলী মান্তি হ'ল আৰু সেই বাঘটো নি ৰজাক উপহাৰ হিচাপে প্ৰদান কৰিলে। প্ৰধানমন্ত্ৰী কুশলবুদ্ধিয়ে ৰজাক কলে, "মহাৰাজ, ইমান চুটি-চাপৰ এজন লোকে জীয়াই জীয়াই বাঘ ধৰাটো বিশ্বাস কৰিব নোৱাৰি। আশাকৰো এওঁৰ বীৰত্বৰ প্ৰমাণ দিব পৰাকৈ কোনোবাজন ওলাব।"

তাকে শুনি বাহুবলীয়ে কলে, "বিজয় নামৰ এজন লোকে মোৰ এই বীৰত্ব সচক্ষে দেখিছে। তেওঁ ৰাজ কাৰ্যালয়ত চাকৰি কৰে।" বাহুবলীৰ কথা শুনি প্ৰধানমন্ত্ৰীয়ে জোৰেৰে হাঁহিবলৈ ধৰিলে আৰু কলে, "মই জনাত ৰাজ কাৰ্যালয়ত বিজয় নামৰ কোনো নাই।"

লগে লগে ৰজাই থিয় হৈ কলে, "ময়েই বিজয়। এই বীৰপুৰুষজন বাঘটোৰ প্ৰতি বেছ দয়ালু আছিল। এওঁ তাক হত্যা নকৰি বন্দীহে কৰিলে। আমি শিক্ষিত আৰু অভিজ্ঞতাৰে সমৃদ্ধ। তথাপিও এওঁক চুটি চাপৰ বুলি অপমান কৰি আহিছো। আমি তেওঁক অভিনন্দনহে জ্ঞাপন কৰিব লাগে।"

তাৰপিছত ৰজাই বাহুবলীক সৈন্য বাহিনীৰ এটা উচ্চ পৰ্যায়ৰ পদত নিযুক্তি দিলে। বাহুবলীয়ে নিজৰ বীৰত্বৰে সকলোৰে প্ৰশংসাৰ পাত্ৰ হৈ পৰিল।



দুই পুত্ৰ

বসুধা ৰাজ্যৰ ৰজা একমুখৰ দুজন পুত্ৰ আছিল। তেওঁলোকৰ নাম আছিল সুমন্ত আৰু বসন্ত। তেওঁ দুয়ো পুত্ৰকে শিক্ষা লাভ কৰিবৰ বাবে গুৰু কেদাৰৰ গুৰুকুললৈ প্ৰেৰণ কৰিলে। ৰজাই তেওঁৰ ৰাজ্যক দুভাগ কৰি দুয়োজনকে একোভাগকৈ দিব বিচাৰিছিল। তেওঁ প্ৰশাসনৰ নানা খুটি-নাটি আৰু যুদ্ধৰ কৌশল দুয়ো পুত্ৰকে শিকাবলৈ গুৰুক অনুৰোধ কৰিলে।

কিছুদিনৰ পিছত দুয়ো পুত্ৰৰ শিক্ষা কেনে চলি আছে সেই কথা ৰজাই গুৰুৰ পৰা জানিব বিচাৰিলে। গুৰু কেদাৰে কলে, ''মহাৰাজ, আপুনি কোৱাৰ দৰেই মই দুয়ো ৰাজকুমাৰকে বিশেষ কৌশলসমূহৰ শিক্ষা প্ৰদান কৰিছো। সুমন্তই প্ৰশাসনিক কৌশলসমূহ শিকাত গুৰুত্ব দিছে। তেওঁ বেছ মনোযোগ দি প্ৰশাসনৰ নীতিসমূহ অধ্যয়ন কৰিছে। কিন্তু বসন্তই এই বিষয়সমূহত বৰ বেছি ৰাপ দেখুওৱা নাই। তেওঁ কেৱল প্ৰকৃতিৰ সৌন্দৰ্যত আপ্লুত হৈ ছবি অকাতহে ৰাপ দেখুৱাইছে।''

অলপ দিনৰ পিছত, ৰজা একমুখ নিজেই খোজকাঢ়ি গুৰু কেদাৰৰ গুৰুকুললৈ গ'ল। তেওঁ শিষ্যসকলৰ কাৰ্যকলাপসমূহ লক্ষ্য কৰিলে। গুৰুৰ বক্তৃতাৰ পিছত প্ৰতিজন ছাত্ৰই পচন্দ অনুসৰি একোটা বিষয় বাচি লৈ তাৰ অভ্যাস কৰিবলৈ ধৰিলে। সুমন্তই ধনুৰ্বিদ্যা অনুশীলন কৰাৰ বিপৰীতে বসন্তই চিত্ৰকলাৰ অভ্যাস কৰিছিল। ৰজাই সকলোৰে কাম-কাজ আবেলিলৈকে পৰ্যবেক্ষণ কৰি থাকিল।

গুৰু কেদাৰে ৰজাক শিষ্যৰ কাৰ্যকলাপ পৰ্যবেক্ষণ কৰি থকা দেখা পাই আশ্ৰমৰ ভিতৰলৈ নিমন্ত্ৰণ কৰিলে। ৰজা আশ্ৰমৰ চৌহদৰ ভিতৰত প্ৰৱেশ কৰাত গুৰুৱে তেওঁক এজোপা আম গছৰ তলত বহিবলৈ দিলে।

ৰজা একমুখে কলে, ''মুণিবৰ, বসন্তৰ

এছ শ্ৰীনিৱাস

কাম-কাজক লৈ মই চিন্তাত পৰিছো। যদি সি সাহসী আৰু শক্তিশালী নহয় তেন্তে কেনেকৈ ৰাজ্য শাসন কৰিব ?''

''মহাৰাজ, আপুনি ইমান বেছি চিন্তান্বিত হোৱাৰ প্ৰয়োজন নাই। আপুনি আমাৰ আশ্ৰমত আতিথ্য গ্ৰহণ কৰক। আমি বসন্তৰ ভৱিষ্যত সম্পৰ্কে ভালদৰে আলোচনা কৰিম।'' গুৰুৱে কলে। তাৰপিছত ৰজাক আহাৰ পৰিবেশন কৰা হ'ল। ৰজাই আহাৰ খোৱাৰ পিছত এটা বাতিত এবাটি আমো পৰিবেশন কৰা হ'ল।

ৰজাই কেইটুকুৰামান আম লৈ মুখত দিলে, ''সেয়া বৰ সোৱাদ আছিল। সেয়া শেষ কৰি আগ্ৰহেৰে আৰু কেইটুকুৰামান লৈ মুখত দিওতেই তেওঁ হতাশ হ'ল। সেয়া টেঙা আছিল। গুৰুৱে ৰজাৰ মুখৰ ভাৱ লক্ষ্য কৰি আছিল। তেওঁ কলে, ''মহাৰাজ, আপুনি এটা কথা লক্ষ্য কৰিলেনে? আপোনাক দিয়া দুয়োটা আম একেজোপা গছৰে ফল। যদিও দুয়োটা আম একেজোপা গছৰে, দেখাত একে, তথাপিও সোৱাদৰ মাজত সম্পূৰ্ণ পাৰ্থক্য আছে। আপোনাৰ দুই পুত্ৰৰ ক্ষেত্ৰতো একে কথাই খাটে। প্ৰতিজনৰে নিজৰ নিজৰ বৈশিষ্ট আৰু গুণ আছে।''

গুৰু কেদাৰে কৈ গ'ল, ''মহাৰাজ, আপুনি যদি বসন্তক ৰজা হৈ ৰাজ্য পৰিচালনা কৰিবলৈ জোৰ কৰে, তেওঁ এজন সফল ৰজা হব নোৱাৰিব। মানুহৰ যদি কোনো এটা কামত ৰাপ নেথাকে সেই কামত তেওঁ সফল হব নোৱাৰে। যদি আপুনি বসন্তৰ ৰাপ থকা বিষয়ত অধিক শিকিবলৈ উদগণি দিয়ে, তেন্তে তেওঁ এজন নিপুণ চিত্ৰশিল্পী বা কবিত পৰিণত হব। মোৰ কবলগীয়া এয়ে যে আপুনি সুমন্তক ৰজা পাতক। তেওঁৰ সেই বিষয়ত ৰাপ আছে। তেওঁ এজন মহান ৰজা হিচাপে নিজকে প্ৰতিষ্ঠিত কৰিব পাৰিব বুলি মোৰ বিশ্বাস।''

গুৰু কেদাৰৰ কথাই ৰজা একমুখক ভবাই তুলিলে। তেওঁ উপলব্ধি কৰিলে যে ইচ্ছাৰ বিৰুদ্ধে পুত্ৰক জোৰ কৰি লাভ নাই। ছাত্ৰক নিজৰ ৰাপ অনুসৰি শিক্ষা লাভ কৰাত উদগণি দিয়া বাবে তেওঁ গুৰু কেদাৰক প্ৰশংসা কৰিলে। তাৰপিছত তেওঁ মুকলি মনেৰে ৰাজপ্ৰসাদলৈ উভতি আহিল।



শুদ্ধ পচন্দ

চন্দ্ৰহাসে তেওঁৰ কণ্যা মেধাৰ বাবে অহা বিবাহৰ প্ৰস্তাৱৰ কথা তাইক কলে।

‘‘দেউতা, আপুনি তেওঁলোকৰ ভিতৰৰ পৰা দুজনক পচন্দ কৰক। মই তেওঁলোকৰ মাজৰ পৰা যোগ্যজনক বাচি উলিয়াম।’’ মেধাই দেউতাকক কলে।

কথামতেই চন্দ্ৰহাসে সুজয় আৰু অজয় নামৰ দুজন দেখনিয়াৰ যুৱকক পচন্দ কৰিলে। সুজয়ৰ কোনো চাকৰি–বাকৰি বা ব্যৱসায় নাছিল। তেওঁ দেউতাকৰ পৰা লাভ কৰা এক বিশাল পৰিমাণৰ সম্পত্তি ভোগ কৰি আৰামেৰে জীৱন নিৰ্বাহ কৰিছিল। আনহাতে অজয় আছিল এক চিত্ৰশিল্পী। তেওঁ নিজে অংকন কৰা চিত্ৰ বিক্ৰী কৰি জীৱন নিৰ্বাহ কৰিছিল।

তেওঁলোকৰ বিষয়ে সকলো কথা চন্দ্ৰহাসে কণ্যা মেধাক বিৱৰি কৈ কলে, ‘‘সুজয় হ’ল বেছ ধনী। তোমাৰ জীৱন তেওঁৰ লগত সুখৰ হব। তুমি তেওঁকেই পচন্দ কৰা উচিত।’’

মেধাই দেউতাকৰ কথা মানি নলৈ কলে, ‘‘দেউতা, মই ভাৱো অজয়হে আপোনাৰ জোঁৱাই হবৰ উপযুক্ত। সুজয় ধনী হব পাৰে, কিন্তু তেওঁ যদি কেৱল আৰামেৰে জীৱন কটাই থাকে, তেন্তে এটা সময়ত তেওঁৰ ধন–সম্পত্তি কমি আহিব। আৰামৰ জীৱন কটাই অহাৰ বাবে তেওঁ তেতিয়া কষ্ট কৰাত অসুবিধা পাব। সেয়া হলে আমাৰ জীৱন কঠিন হৈ পৰিব।’’

‘‘কিন্তু অজয়ক বিয়া কৰালে প্ৰথমৰ পৰাই তেনে পৰিস্থিতিৰ সন্মুখীন হব লাগিব।’’

‘‘নহয় দেউতা, মই অজয়ৰ চিত্ৰ দেখিছো। তেওঁ বেছ প্ৰতিভাৱান। অনুপ্ৰেৰণা পালে তেওঁৰ চিত্ৰ অধিক ভাল হৈ পৰিব। অতি সোনকালেই তেওঁ নাম–যশ লাভ কৰিব। তাৰোপৰি, তেওঁ এজন শিল্পী, গতিকে তেওঁ এজন ভাল পতি হব বুলি মোৰ বিশ্বাস।’’

চন্দ্ৰহাসে জীয়েকৰ চিন্তাৰ ওৰ পাই আচৰিত হোৱাৰ লগতে আনন্দিতও হ’ল। তেওঁ অজয়ৰ লগত মেধাৰ বিবাহৰ যো–জা কৰিবলৈ আৰম্ভ কৰিলে।

– জে মাৰ্টিন ফিনলেহ



শিথিলালয় - ২৯

(শিখিমুখী আৰু তেওঁৰ দল বৃশ্চিক দ্বীপত উপস্থিত হোৱাৰ পিছত সেই দ্বীপত বাস কৰা জংঘলী জাতিৰ লোকসকলে তেওঁলোকক বন্দী কৰিলে। সেই জাতিৰ নেতাই উন্মত্ত ফলৰ কথা কোৱাত সেই ফল বিচাৰিবলৈ বুলি নাগসোম পলাই গ'ল। তেওঁ সেই ফলৰ গছ পহৰা দি থকা চন্তৰীক হাতে-ভৰিয়ে বান্ধি শিলৰ কাষত পেলাই থলে। দুৰ্ঘটনাবশত সেই প্ৰহৰী পাহাৰেদি বাগৰি শিখিমুখী আৰু তেওঁৰ দল শুই থকা ঠাইৰ আহিবলৈ ধৰিলে। তাৰপিছত...)

পাহাৰেদি প্ৰহৰী বাগৰি অহাৰ শব্দত গুহাৰ ভিতৰত শুই থকা বৃশ্চিক জাতিৰ নেতা আৰু শিখিমুখীৰ দলক পহৰা দি থকা বৃশ্চিক জাতিৰ লোকসকলে ভয় খাই গ'ল। তেওঁলোকে ভাৱিলে যে নিশ্চয় ভূমিকম্পত পাহাৰৰ শিল ফাটি যোৱাৰ ফলত প্ৰহৰী তললৈ বাগৰি পৰিছে। শিখিমুখীয়ে নিজৰ দলক সাৱধান কৰোতেই গুহাৰ ভিতৰৰ পৰা বৃশ্চিক জাতিৰ নেতা খৰধৰকৈ বাহিৰলৈ আহিল।

''তোমালোক সকলো দূৰলৈ আঁতৰি যোৱা। ভূমিকম্প আহিছে। আঁতৰি নগলে মৃত্যুমুখত পৰিব লাগিব।'' বৃশ্চিক জাতিৰ নেতাই চিঞৰি কলে।

সকলো লোকে সেই কথা শুনি পলাবলৈ ধৰোতেই প্ৰহৰী আৰু শিলৰ টুকুৰা ভয়ংকৰ শব্দ কৰি তলত পৰিলহি। ভাগ্য ভাল আছিল। সেই শিল আহি কোনো লোকৰ ওপৰত নপৰি এডোখৰ খালী ঠাইত পৰিলহি। কিন্তু প্ৰহৰীটো চিঞৰি-বাখৰ কৰি নিজৰ জাতিৰে দুজন লোকৰ ওপৰত সশব্দে সৰি পৰিল।

দাসৰি সুব্ৰমন্যাম



বৃশ্চিক জাতিৰ নেতাই সৰি পৰা প্ৰহৰীৰ ওচৰলৈ গৈ সুধিলে, ‘‘এয়া কি? তুমি নিজৰ হাত-ভৰি কিয় বান্ধি লৈছা?’’

প্ৰহৰীয়ে লগে লগে ঠিয় হৈ কলে, ‘‘আমি বন্দী কৰা ইম্যু জাতিৰ এটা মানুহে মনে মনে মোক আক্ৰমণ কৰি হাত-ভৰি বান্ধি পেলালে। এই খবৰ দিবৰ বাবে মই পাহাৰেদি বাগৰি ইয়ালৈ আহিছো।’’ প্ৰহৰীৰ কথাই বৃশ্চিক জাতিৰ নেতা, শিখিমুখী আৰু বিক্ৰমকেশৰীক আচৰিত কৰি তুলিলে। শিখিমুখীয়ে নিজৰ দলত চকু ফুৰাই গম পালে যে নাগসোম নাই। তেওঁ সেই কথা বিক্ৰমকেশৰীক কবলৈ লওতেই বৃশ্চিক জাতিৰ নেতাই খঙেৰে কলে, ‘‘তোমালোকৰ ভিতৰৰ এজন লোক উন্মত্ত ফল বিচাৰিবলৈ পলাই গৈছে। যদি সি সাহস কৰি সেই ফল খাই, তেন্তে সি নিশ্চয়কৈ বিপদত পৰিব। এতিয়া আমি কি কৰা উচিত হব?’’

‘‘তেতিয়াহলে আমি নাগসোমক সেই ফল খোৱাত বাধা দিব লাগিব। কিন্তু ফল খোৱাজনৰ কেনেধৰণৰ বিপদ হব পাৰে?’’ শিখিমুখীয়ে বৃশ্চিক জাতিৰ নেতাক প্ৰশ্ন কৰিলে।

‘‘বৃশ্চিক জাতিৰ নেতাক বাদ দি সেই ফল কোনেও হজম কৰিব নোৱাৰে। মই দুদিনৰ আগতে বন্দী পুজাৰীক সেই ফল খোৱাই তাৰ মুখৰ পৰা সঁচা কথা উলিয়াবলৈ চেষ্টা কৰিছিলো। কিন্তু একো ফল নধৰিল।’’ বৃশ্চিক জাতিৰ নেতাই কলে।

এই কথা শুনি শিখিমুখীয়ে কলে, ‘‘মোৰ বোধেৰে নাগসোমে সকলোৰে চকুত ধুলি দি উন্মত্ত ফল বিচাৰিবলৈ যোৱা নাই। হয়তো এই দ্বীপৰ আবহ-হাৱা দেখি তাৰ চিত্ত ভ্ৰমিত হৈ পৰিল। আমি সকলো তোমালোকৰ মিত্ৰ। সেইবাবে শিথিলালয় বিচাৰি উলিওৱাৰ ক্ষেত্ৰত আমি তোমালোকক সকলোধৰণৰ সহায় আগবঢ়াম। বলা, এতিয়া আমি সকলোৱে গৈ নাগসোমক ধৰি লৈ আহোগৈ। মোৰ লগত সন্মত আছানে?’’

শিখিমুখীৰ কথা শুনাৰ পিছত বৃশ্চিক জাতিৰ নেতাই তেওঁৰ দলক কলে, ‘‘যদি

নাগসোমে ইতিমধ্যেই উন্মত্ত ফল খাই পেলাইছে, তেন্তে তেওঁক মই আমাৰ আৰাধ্যা দেৱীৰ আগত বলি দিম।'' তাৰপিছত তেওঁ ঘূৰি শিখিমুখীক কলে, ''ঠিক আছে, সেই ফল খাই বিপদৰ সন্মুখীন হোৱাৰ আগতেই আমি নাগসোমক ধৰি লৈ আহোগৈ।''

সকলো লোক বৃশ্চিক জাতিৰ নেতাৰ পিছে পিছে উন্মত্ত ফলৰ গছ থকা সেই হ্ৰদৰ পাৰলৈ বুলি যাত্ৰা কৰিলে। কিন্তু ইফালে নাগসোমে গছৰ ওপৰত উঠি ইতিমধ্যেই এটা ফল খাই পেলালে। সেই ফল খোৱাৰ পিছত তাৰ নিচা লাগিবলৈ আৰম্ভ কৰিলে। চকুৰ সন্মুখত গছ-গছনি, পৰ্বত-পাহাৰ সকলো ঘূৰিবলৈ আৰম্ভ কৰিলে।

''মই উন্মত্ত ফল খাই পেলালো। মই পাগল হবলৈ আৰম্ভ কৰিছো। এই উন্মত্ত অৱস্থাত মই ভূগৰ্ভৰ তলত থকা শিথিলালয়ৰ অৱস্থান নিৰ্ণয় কৰিব পাৰিম। শিথিলালয় আৰু বৃশ্চিক দেৱীৰ মন্দিৰ কি একেটাই? হয়তো, সেইটোৱেই শিথিলালয়। সেইটোৱেই বৃশ্চিক দেৱীৰ মন্দিৰ।'' এইদৰে চিঞৰি চিঞৰি নাগসোম পাহাৰৰ মাজৰ ৰাস্তাইদি দৌৰিবলৈ ধৰিলে।

নাগসোমক ধৰিবৰ বাবে শিখিমুখী আৰু তেওঁৰ দলে নাগসোমৰ পিছ লবলৈ ধৰিলে। কিন্তু পাহাৰত থকা নানা বৃক্ষৰ মাজেদি তেওঁলোকে কেৱল তাৰ মাতহে শুনিবলৈ পাইছিল, দেখা পোৱা নাছিল। সেই মাত অনুসৰণ কৰি কৰি সূৰ্যোদয়ৰ সময়লৈকে তেওঁলোকে নাগসোমক বিচৰি থাকিল। শেষত ভাগৰত জুৰুলা হৈ পাহাৰৰ দাঁতিত থকা এজোপা গছৰ ছাঁত সকলো বহি পৰিল।

উন্মত্ত ফল থকা হ্ৰদৰ আনটো ফালে আন এখন অৰণ্য আছিল। সেই অৰণ্যতে বৃশ্চিক জাতিৰ লোকসকলে শিথিলালয়ৰ পুজাৰী আৰু তেওঁৰ দলক বন্দী কৈ থৈছিল। মাজ ৰাতি নাগসোমৰ চিঞৰ শিথিলালয় পুজাৰীয়ে শুনা পালে। লগে লগে পুজাৰীয়ে সবৰগীধ আৰু আন অনুচৰসকলক সাৱধান কৰি দিলে। তাৰপিছত তেওঁ বৃশ্চিক জাতিৰ লোকসকলক কলে, ''মোৰ এনে লাগিছে


CHITRA

যে বৃশ্চিক মাতাৰ নাম লৈ চিঞৰি থকা লোকজন দেৱীৰ পৰম ভক্ত। তেওঁৰ ওপৰত দেৱী সদয় হৈছে আৰু মন্দিৰলৈ বাট দেখুৱাই লৈ গৈছে। আমি তেওঁক অনুসৰণ কৰি মন্দিৰত উপস্থিত হ'ব পাৰিম। আমি তেওঁৰ পিছে পিছে যাও বলা।''

পুজাৰীৰ কথা বৃশ্চিক জাতিৰ লোকসকলে বিশ্বাস কৰি ললে। তেওঁলোকে নাগসোমক বিচাৰি যাত্ৰা আৰম্ভ কৰিলে। বহু বিচৰাৰ অন্তত সূৰ্যোদয়ৰ সময়ত এটা গুহাৰ সন্মুখত তেওঁলোকে নাগসোমক দেখা পালে। সেই গুহাৰ মুখখন মকৰাৰ জালেৰে বন্ধ হৈ আছিল। সেই জালত এজনী ডাঙৰ বৃশ্চিক লাগি ধৰিছিল আৰু মুক্তি পাবৰ বাবে চটফটাই আছিল।

নাগসোমে তৰোৱাল উলিয়াই লৈ চিঞৰিবলৈ ধৰিলে, ''ৰক্ষা কৰা, মোক ৰক্ষা কৰা, এটা ভয়ংকৰ জলজন্তুৱে মোক গিলি পেলাব বিচাৰিছে।''

নাগসোমৰ এনে বিচিত্ৰ অংগী-ভংগী দেখি আৰু তাৰ অসংলগ্ন কথা-বতৰা শুনি পুজাৰীয়ে এইকথা বুজি পালে যে নাগসোমে উন্মত্ত ফল ভক্ষণ কৰি উন্মত্ত হৈ পৰিছে। পুজাৰীৰ মনত এই আশাও জাগিল যে বৃশ্চিক জাতিৰ বিশ্বাস অনুসাৰে এতিয়া নাগসোমৰ যোগেদি শিথিলালয়ৰ অৱস্থান নিৰ্ণয় কৰাটো সম্ভৱ হৈ উঠিব পাৰে।

নাগসোমৰ ওচৰ চাপি পুজাৰীয়ে সুধিলে,



''তুমি ইম্যু জাতিৰ লোক নহয় জানো? তোমাক মই গোলভৰা গাৱঁত দেখা মনত পৰে। তোমাৰ নাম নাগসোম নাছিল জানো?''

নাগসোমে পুজাৰীৰ কথা শুনি ঘূৰি লৈ কলে, ''মুৰত জটা থকা তুমি কোন মহাত্মা? দেখাততো সিদ্ধ পুৰুষ যেন লাগিছে। মোক এই জন্তুৰ পৰা ৰক্ষা কৰা। মই তোমাৰ উপকাৰ কেতিয়াও পাহৰি নাযাও।'' এইবুলি কৈ নাগসোম পুজাৰীৰ চৰণত বাগৰি পৰিল।

পুজাৰীয়ে নাগসোমক তুলি ধৰি বুজালে, ''এয়া কোনো জলজন্তু নহয়, এইজনী বৃশ্চিকহে। মই ক্ষন্তেকতে তাইক মাৰি পেলোৱাৰ ব্যৱস্থা কৰো।'' এইবুলি

‘‘সিদ্ধ গুৰুৰ যি আজ্ঞা।’’ এইবুলি কৈ নাগসোম দ্ৰুত গতিৰে আগুৱাই যাবলৈ ধৰিলে। পুজাৰীয়ে নিজৰ অনুচৰ সকলক কলে, ‘‘ইয়াক অনুসৰণ কৰা। কোনে জানে ইয়াৰ পাগল মনে আমাক শিথিলালয়ত উপনীত কৰোৱাব পাৰে। কিন্তু আমি সাৱধান হব লাগিব যাতে ই পলাই নাযায়।’’ এইবুলি তেওঁলোকে নাগসোমৰ পিছ ললে।

নাগসোমে পাহাৰৰ পিছত পাহাৰ পাৰ হৈ আগুৱাই গ’ল। তাৰ পিছ লওতে সকলো নানা অসুবিধাৰ সন্মুখীন হ’ল। উন্মত্ত ফলে নাগসোমৰ মগজুৰ ওপৰত ব্যাপক প্ৰভাৱ পেলাইছিল। সি সৰু সৰু বস্তুকো হাতীৰ সমান দেখিবলৈ আৰম্ভ কৰিছিল।

দুপৰীয়া সময়ত নাগসোমৰ পিছে পিছে গৈ সকলো এটা ওখ পাহাৰত উপস্থিত হ’ল। তলত এডোখৰ সমতল স্থান দেখা গ’ল। সেই স্থান বিশাল গছেৰে আবৃত্ত আছিল। নাগসোমে সেই স্থানলৈ আঙুলিয়াই কলে, ‘‘সিদ্ধ গুৰু, শিথিলালয় সেই স্থানতেই আছে। আহ, কিমানযে সোণ, ৰত্ন কলহে কলহে জিলিকি আছে।’’

পুজাৰীয়ে তলত থকা সেই সমভূমিলৈ চাই পঠিয়ালে। কিন্তু তেওঁ তেনেধৰণৰ একো নেদেখিল। কেৱল ডাঙৰ ডাঙৰ বৃক্ষ দেখিবলৈ পালে।

‘‘এয়াটো পাগলৰ প্ৰলাপ যেন বোধ হৈছে। এই পাগলে আমাক ঘূৰাই ঘূৰাই

পুজাৰীয়ে সবৰগীধৰ ফালে চাই কলে, ‘‘এই পিশাচিনীক মাৰি পেলা।’’

লগে লগে সবৰগীধে তৰোৱাল উলিয়াই সেই বৃশ্চিকক ঘাপ মাৰি দিলে। একোঘাপে বৃশ্চিক দুটুকুৰা হৈ পৰিল। তাইৰ তেজ মকৰাৰ জালেদি বৈ আহিল। নাগসোমে সেই তেজ দেখি পুজাৰীৰ ভৰিত ধৰি কবলৈ ধৰিলে, ‘‘মই তেজৰ ধাৰাত বৈ যাব ধৰিছো। সাঁতুৰিব নাজানো। তুমি এজন সিদ্ধ ব্যক্তি। মোক ৰক্ষা কৰা।’’

শিথিলালয়ৰ পুজাৰীয়ে নাগসোমৰ মূৰত হাত থৈ কলে, ‘‘তুমি ভয় নকৰিবা। মই সেই তেজৰ ধাৰাত এটা সুৰংগ বনাই দিও। তুমি সেইফালেদি গৈ ভূগৰ্ভত থকা শিথিলালয়ত উপস্থিত হব পাৰিবা।’’

অৱস্থা নাইকিয়া কৰিলে। ইয়াক এই পাহাৰৰ পৰা তললৈ পেলাই দিলেহে হয়তো আমাৰ শান্তি হ'ব।'' পুজাৰীয়ে খং কৰি কলে। পুজাৰীৰ কথা শুনি সবৰগীধে কলে, গুৰুদেৱ, আজ্ঞা কৰক, মই এই পাগলক পাহাৰৰ পৰা তললৈ ঠেলা মাৰি পেলাই দিও নে টুকুৰা টুকুৰকৈ কাটি পেলাই দিও।'' এইবুলি সি তৰোৱাল উলিয়ালে।

পিছ মূহুৰ্ততে বৃশ্চিক জাতিৰ লোকৰ মাজত গুণগুণনি আৰম্ভ হ'ল। তেওঁলোকে শিলেৰে নিৰ্মিত কুঠাৰ ওপৰলৈ তুলি কলে, ''ইম্যু জাতিৰ এইজন লোকৰ কোনো অনিষ্ট হোৱাটো আমি নিবিচাৰো। তেওঁ বৃশ্চিক মাতাৰ এক পৰম ভক্ত। হবওতো পাৰে যে তেওঁ কোৱা ধৰণে সেই তলৰ স্থানতেই দেৱী মাতাৰ মন্দিৰ আছে।''

পুজাৰীয়ে কিবা কোৱাৰ আগতেই সবৰগীধে কলে, ''গুৰুদেৱ, ইয়াৰ কথা সঁচা হবও পাৰে। মই বতাহত উৰি তললৈ নামি যাও নেকি?''

পুজাৰীয়ে সবৰগীধক ধমকি দি কলে, ''তই আজিও বেছিকৈ খালি? মনে মনে থাক। নহলে তোক বান্দৰ বনাই এই গছত এৰি থৈ যাম।''

''গুৰুদেৱ এনেকৈ নকব। এই জংঘলৰ মাজত জীয়াই থকা সম্ভৱ নহয়...'' সবৰগীধে কলে।

সবৰগীধৰ কথা শেষ নহওতেই পুজাৰীয়ে চিঞৰি উঠিল, ''আৰে, সেই

শৱৰ শিখিমুখী আৰু তাৰ দল আহি পালেহি।''

শিখিমুখীয়ে পাহাৰৰ ওপৰত থিয় হৈ চিঞৰি উঠিল, ''নাগসোমক পিছলৈ লৈ আহা।'' তাৰপিছত পুজাৰীক দেখি কলে, ''দুষ্ট, বহুদিনৰ পিছত তোক হাতৰ মুঠিত পাইছো। পলাবলৈ চেষ্টা নকৰিবি।''

পুজাৰীয়ে পলাবৰ বাবে সুবিধা বিচাৰিবলৈ ধৰিলে। তাৰ মূৰত এটা বুদ্ধি খেলাল। সি নাগসোমক পিঠিত তুলি পাহাৰৰ শিলৰ মাজেদি পলাবলৈ ধৰিলে।

পুজাৰীৰ অৱস্থা সাপৰ মুখৰ পৰা পলাই গৈ বাঘৰ আগত পৰাৰ দৰে হ'ল। পুজাৰী যি ফালে আগুৱাই গ'ল, সেইফালৰ পৰা জংঘলা আগুৱাই আহিল আৰু গৰজি কলে,

''দুষ্ট, তই প্ৰাণ লৈ কলৈ পলাব খুজিছ ?'' এইবুলি কৈ জংঘলাই পুজাৰীক আক্ৰমণ কৰিলে।

পুজাৰীয়ে নাগসোমক কান্ধৰ পৰা নমাই, ককালৰ পৰা চুৰি উলিয়াই জংঘলাক প্ৰতি আক্ৰমণ কৰিব খুজিলে। কিন্তু ইতিমধ্যেই জংঘলা পুজাৰীৰ ওপৰত জপিয়াই পৰিছিল। পুজাৰীৰ চুৰি গৈ জংঘলাৰ কান্ধত লাগিল। কিন্তু সি তালৈ কেৰেপ নকৰি পুজাৰীক ডিঙি চেপা মাৰি ধৰিব খুজিলে। কিন্তু পুজাৰীয়ে মূৰটো ঘূৰাই দিয়াত পাহাৰৰ খাৰৈৰ ফালে বাগৰি গ'ল আৰু তেনেতে জংঘলাই পুজাৰীৰ চুলিত খামুচি ধৰিলে।

জংঘলাৰ চুৰিবিদ্ধ কান্ধৰ পৰা তেজ ওলাবলৈ ধৰিলে। কিন্তু জংঘলাই তালৈ গুৰুত্ব নিদি পুজাৰীক পাহাৰৰ ওপৰলৈ টানি আনিবলৈ চেষ্টা কৰিলে। খাৰৈত পৰি যোৱাৰ ভয়ত পুজাৰীয়ে চটফটাবলৈ ধৰিলে।

তেনেসময়তে শিখিমুখী দৌৰি আহি সেই স্থানত উপস্থিত হ'ল আৰু কলে, ''জংঘলা, মালিকৰ প্ৰতি তোমাৰ ভক্তি প্ৰশংসনীয়। এই দুষ্ট পুজাৰীক আমি পাহাৰৰ ওপৰলৈ তুলি আনি লাভ নাই। সবৰ নেতাৰ কণ্যা নাগমল্লীয়ে এই পুজাৰীৰ শিৰত থকা জটা আনিবলৈ কৈছিল।'' এইবুলি শিখিয়ে তৰোৱাল উলিয়াই পুজাৰীৰ শিৰৰ জটা কাটি পেলালে। লগে লগে পুজাৰীয়ে চিঞৰ মাৰি খাৰৈত সৰি পৰিল।

নাগসোমৰ কি হ'ল ইমান সময়ে কোনেও বিচাৰ কৰা নাছিল। তেওঁ ইমান সময়ে এজোপা ডাঙৰ বৃক্ষৰ ফালে একেথিৰে চাই আছিল। হঠাতে তেওঁ তললৈ সৰি পৰা শিথিলালয়ৰ পুজাৰীৰ চিঞৰ শুনা পালে। সেই চিঞৰ শুনি নাগসোমেও চিঞৰি উঠিল, ''চোৰা, চোৰা, সেয়া শিথিলালয়।'' এইবুলি সি পাহাৰৰ গড়াইদি তলৰ সমতলৰ সেই বৃক্ষৰ ফালে দৌৰিবলৈ ধৰিলে। *(আগলৈ)*



সহজ–সৰল বোৱাৰী

এগৰাকী বোৱাৰী বিয়া হোৱাৰ পিছত প্ৰথম বাৰৰ বাবে শহুৰৰ ঘৰলৈ আহিল। তেওঁ কাজুবাদাম বৰ ভাল পাইছিল। তেওঁ লুকাই লুকাই পাকঘৰলৈ গৈছিল আৰু বৈয়ামৰ পৰা কেইটামান কাজু উলিয়াই মুখত ভৰাইছিল। এইদৰে যেতিয়াই সুবিধা পাই, তেতিয়াই খাইছিল।

কিছুদিন পাৰ হৈ গ'ল। বৈয়ামৰ কাজুবাদাম আধাতকৈ কমি গ'ল। শাহুৰ বোৱাৰীয়েকৰ ওপৰত সন্দেহ হ'ল। ইফালে বোৱাৰীয়েকে অনুমান কৰিলে যে কাজু চুৰিৰ কথা শাহুৱেকে গম পাই গৈছে।

এদিনাখন তেওঁ ঘৰ সাৰি আছিল। মজিয়াত এটা কাজুবাদাম পৰি আছিল। তেওঁ সেইটো তুলি লৈ আচৰিত হোৱা যেন দেখুৱাই শাহুৱেকক সুধিলে, "শাহু মা, এইটো কি বস্তু?"

'অহ, বেচেৰী। বোৱাৰীয়েটো কাজুবাদাম দেখিয়েই পোৱা নাই। মইহে মিছাতে তেওঁৰ ওপৰত সন্দেহ কৰি আহিছো।' এই ভৱি শাহুৱে মনতে বৰ বেজাৰ পালে।



জ্যোতিষীৰ কাহিনী

পূৰ্ণিমাৰ জোনাকৰ তলত ককা আৰামী চকীত বহি আছিল। হঠাতে তেওঁ এটা শ্লোক আওৰালে–

মন্ত্ৰঃ কাৰ্যানুগৌ যেষা
কাৰ্য স্বামী হিতানুগ
ত এব মন্ত্ৰীণৌ ৰাজা
নতু য়ে গত পল্লৱাঃ।

ককাৰ চাৰিওফালে বহি থকা শিশুসকলে সুধিলে, ‘‘ককা, এইটো কি শ্লোক? ইয়াৰ অৰ্থ কি?’’

ককাই আৰামেৰে বহি কলে, ‘‘তোমালোকে কি এই শ্লোকৰ আঁৰত থকা কাহিনীটো জানিব বিচাৰা নেকি? ঠিক আছে কওঁ বাৰু। ভালদৰে শুনা।’’

‘‘মন্ত্ৰীয়ে ৰজাৰ অনুকুলে কাম কৰিব লাগে। যিয়ে এনে নকৰে, তেওঁ বেছিদিন মন্ত্ৰী হৈ থাকিবলৈ নাপায়। এই শ্লোকৰ অৰ্থ এয়েই।’’

‘‘ককা, কাহিনীটো কওক এতিয়া।’’ সকলো শিশুৱে আব্দাৰ ধৰিলে।

বহু দিনৰ আগতে চক্ৰপুৰ নামৰ ৰাজ্যত সুদৰ্শন নামৰ এক মহাৰাজা আছিল। তেওঁৰ এজন মন্ত্ৰী আছিল। সেই মন্ত্ৰীৰ নাম আছিল বুদ্ধিসিন্ধু। মন্ত্ৰী বুদ্ধিসিন্ধু বৰ বুদ্ধিমান আছিল আৰু সেই বাবে কেৱল ৰজাই নহয়, ৰাজ্যৰ প্ৰজায়ো তেওঁৰ প্ৰশংসা কৰিছিল।

ৰজাই জ্যোতিষ শাস্ত্ৰত বৰ বেছি বিশ্বাস ৰাখিছিল। তেওঁ নানা দেশৰ পৰা জ্যোতিষীক মতাই আনি মাজে সময়ে ভৱিষ্যত বাণী কৰোৱাইছিল।

এবাৰ এজন জ্যোতিষী ৰজাৰ ওচৰলৈ

চি শেষাদ্ৰী

আহিল। তেওঁ ৰজাৰ বুদ্ধিমত্তা আৰু চাতুৰ্যৰ বিষয়ে নানা কথা কবলৈ ধৰিলে।

জ্যোতিষীৰ কথা ৰজাই বৰ ভাল পালে। তেওঁ নিজৰ জন্ম কুণ্ডলী দেখুৱাই জ্যোতিষীক সুধিলে, ‘‘দেউ, আপুনি মোৰ আয়ুস কিমান সেই কথা কব পাৰিব নেকি?’’

জ্যোতিষীয়ে ৰজাৰ কুণ্ডলী পৰীক্ষা কৰি কলে, ‘‘মহাৰাজ, আজিৰ পৰা ছমাহ পিছত আপোনাৰ আয়ুস সমাপ্ত হব। মই আপোনাৰ পৰা একো লুকুওৱা নাই।’’

এই কথা শুনি ৰজা চিন্তিত হৈ পৰিল। তেওঁ খোৱা-বোৱা বাদ দিলে। শৰ্যা ললে। ‘আৰু ছমাহৰ পিছত মোৰ জীৱন শেষ হৈ পৰিব?’ এই কথা ভাৱি তেওঁৰ স্বাস্থ্য দিনক দিনে পৰি আহিবলৈ ধৰিলে।

সকলোবিলাক কৰ্ম-কাণ্ড দেখি মন্ত্ৰীৰ জ্যোতিষীৰ ওপৰত বৰ খং উঠিল। তেওঁ ৰজাক কলে, ‘‘মহাৰাজ, আপুনি জ্যোতিষীবিলাকৰ কথাত বিশ্বাস নকৰিব। বৈশিষ্ঠ দৰে ঋষিয়ে ৰামৰ ৰাজ্য অভিশেষৰ বাবে মূহুৰ্ত গণণা কৰি উলিয়াইছিল। কিন্তু কি হ’ল। সেই মূহুৰ্ততে ৰাম বনবাসলৈ যাবলগীয়া হ’ল। তেওঁ আনকি পত্নীকো হেৰুৱাবলগীয়া হ’ল। এইবিলাক সকলো মিছা।’’

তথাপিও ৰজাৰ চিন্তা দূৰ নহ’ল। মন্ত্ৰীয়ে এইবাৰ সেই জ্যোতিষীক মতাই আনিলে। সুধিলে, ‘‘আপুনিটো ৰজাৰ আয়ুসৰ কথা কলে, কিন্তু আপোনাৰ আয়ুস আৰু কিমান আছে কব পাৰিবনে?’’

‘‘মোৰ আৰু ছল্লিছ বছৰ আয়ুস বাকী আছে।’’ জ্যোতিষীয়ে উত্তৰ দিলে।

‘‘ঠিক আছে।’’ মন্ত্ৰীয়ে লগে লগে সেই জ্যোতিষীক মৃত্যু দণ্ড প্ৰদান কৰিলে আৰু জ্যোতিষীৰ শিৰচ্ছেদ কৰা হ’ল।

ঘটনা দেখি ৰজাৰ ভুল ভাগিল। তেওঁ স্বাস্থ্য ভাললৈ আহিবলৈ ধৰিলে। অলপ দিনৰ পিছত তেওঁ পুণৰ সুস্থ হৈ ৰাজ্য শাসন কৰিবলৈ ধৰিলে।

হেৰুৱাবলৈ একো নাই

এখন ৰাজ্যত এজন অতি দৰিদ্ৰ লোকে বাস কৰিছিল। আন এখন ৰাজ্যলৈ গৈ কিবা এটা কৰি জীৱন নিৰ্বাহ কৰাৰ আঁচনি লৈ পাঁচশখনমান গৰুগাড়ীৰ এটা দলৰ লগত যাত্ৰা আৰম্ভ কৰিলে। গোটেই দিনটো যাত্ৰা কৰি সেই গৰুগাড়ীবিলাক গৈ অৰণ্যৰ মাজত ৰাতি বিশ্ৰাম লবৰ বাবে ৰ'লগৈ। তম্বু তৰি সকলো লোক শুই পৰিল, কিন্তু সেই দৰিদ্ৰজনে গছৰ তলতে বহি থাকিল।

ৰাতি কিছুমান ডকাইতে গৰুগাড়ীত বোজাই কৰি নিয়া বয়-বস্তু লুট কৰিবৰ বাবে আক্ৰমণ কৰিবলৈ আহিল। তেওঁলোকে সেই দৰিদ্ৰলোকজন গছত তলত জাগি থকা দেখা পালে আৰু তাৰ পৰা আঁতৰি গ'ল। এইদৰে পিছত আকৌ আহি সিঁহতে পুণৰ সেই দৰিদ্ৰলোকজনক দেখি পুণৰ আঁতৰি গ'ল। শেষত, পুৱতি নিশাৰ সময়ত সিঁহতে শেষবাৰৰ বাবে চেষ্টা কৰিবৰ বাবে আকৌ আহিল। কিন্তু দেখিলে যে সেই লোকজন তেতিয়াও জাগি আছে। সিঁহতে শিলগুটি দলিয়াই চিঞৰি চিঞৰি কলে, "এইজন লোকেই তহতক আমাৰ হাতৰ পৰা ৰক্ষা কৰিলে। তেঁওক ভাল ব্যৱহাৰ কৰিবি।" তাৰ পিছত ডকাইতবিলাক তাৰ পৰা আঁতৰি গ'ল।

আনবিলাক লোক শোৱাৰ পৰা উঠি বহিল আৰু শিলগুটি পৰি থকা দেখি সেই দৰিদ্ৰজনক সুধিলে, "ইয়ালৈ ৰাতি ডকাইত আহিছিল নেকি? তুমি ডকাইতলৈ ভয় নকৰা নেকি?"

"মই কিয় ডকাইতলৈ ভয় কৰিম?" হাঁহি মাৰি দৰিদ্ৰলোকজনে কলে, "মোৰটো হেৰুৱাবলৈ একোৱেই নাই।"



জীৱনত সুখ

নাগৰী নামৰ গাৱঁত শিৱ আৰু কাশ্যপ নামৰ দুজন বন্ধুৱে বাস কৰিছিল। তেওঁলোক প্ৰায় সমান বয়সৰ আছিল।

শিৱ আছিল খেতিয়কৰ ল'ৰা। উচ্চ শিক্ষা সমাপ্ত কৰাৰ পিছতো তেওঁ গাৱঁতে খেতি কৰা অব্যাহত ৰাখিলে। তেওঁ নিজৰ খেতিৰ পৰা যি উপাৰ্জন হৈছিল, সেই সীমিত উপাৰ্জনেৰেই পৰিয়াল চলাবলৈ ধৰিলে।

আনহাতে কাশ্যপ আছিল ব্যৱসায়িক পৰিয়ালৰ ল'ৰা। দেউতাকৰ পৰা নানা ধৰণৰ ব্যৱসায়িক বুদ্ধি শিকি তেওঁ ব্যৱসায়ত লাগিল আৰু আন আন ব্যৱসায়ীসকলতকৈ অধিক পাৰদৰ্শিতাৰে ব্যৱসায় চলাবলৈ ধৰিলে। তেওঁ নিজৰ ব্যৱসায় কেৱল গাৱঁৰ ভিতৰতে আবদ্ধ নাৰাখি চুবুৰীয়া গাওঁবিলাকলৈকো বিস্তাৰ কৰিলে। আনকি তেওঁ ৰাজধানী চহৰতো ব্যৱসায় স্থাপন কৰিলে। তেওঁ অতি সোনকালেই এজন জনাজাত ব্যৱসায়ীত পৰিণত হ'ল।

এইদৰে শিৱ আৰু কাশ্যপ দুয়ো পৰিয়ালৰ কাম আৰু ব্যৱসায়ত লাগিল। তেওঁলোকে কিয় নিজৰ পৰিয়ালৰ পেশাত লাগিল সেই কথা কোনোবাই সুধিলে কৈছিল, "আমাৰ পৰিয়ালৰ পেশাক আমি সন্মান কৰো। এই কথাত আমি আত্মবিশ্বাসী যে আমি পৰিয়ালৰ পেশাক আগবঢ়াই লৈ যাব পাৰিম।"

শিৱ আৰু কাশ্যপে দুয়ো দুয়োকে প্ৰায়েই লগ ধৰিছিল আৰু ভাল-বেয়াৰ খবৰ লৈছিল। শিৱই প্ৰায়েই কৈছিল যে তেওঁ যিমান যি আছে তাকে লৈ তেওঁ সন্তুষ্ট। কাশ্যপে তেওঁক প্ৰায়েই উপদেশ দিছিল, "বন্ধু, তোমাৰ কেৱল পাঁচ পুৰা মানহে মাটি আছে। তুমি কোনোবা লোকৰ পৰা মাটি আধিলৈ লৈ খেতি নকৰা কিয়? মাটিৰ গৰাকীক আধা ফচল দিলেও তোমাৰ

এন উমামহেশ্বৰ ৰাও



লাভেই হব। যদি তোমাৰ এনে কৰিবৰ বাবে মূলধনৰ অভাৱ, মই তোমাক কিছু টকা-পইছা দিও সহায় কৰিম। পইছা পাতিৰ যদি তোমাৰ প্ৰয়োজন হৈছে, তেন্তে মোক খুজিবলৈ তুমি সংকোচ নকৰিবা। মই সাধ্যমতে তোমাক সহায় কৰিম। তোমাৰ ভাল হোৱাটোকেই আমি সকলোৱে কামনা কৰো।''

ইয়াৰ উত্তৰত শিৱই কৈছিল, ''তোমাৰ এনে উদাৰতাৰ বাবে ধন্যবাদ। মই ভাৱো যে মোৰ নিজৰ মাটিত খেতি কৰি যি অলপ উপাৰ্জন কৰো, তাৰে মোৰ জীৱন সুন্দৰ ভাৱেই চলি আছে। বৰ জাক-জমক জীৱন অতিবাহিত নকৰিব পাৰো, কিন্তু মোৰ কোনো অভাৱো নাই। অধিক উপাৰ্জনৰ লোভ মোৰ নাই। আৰু সেইবাবেই তোমাৰ পৰামৰ্শ যুক্তিপূৰ্ণ হলেও সেয়া হয়তো মই গ্ৰহণ কৰিব নোৱাৰিম। মই আনৰ মটি আধিলৈ লৈ খেতি কৰি অধিক উপাৰ্জন কৰিব নুখোজো।''

দহবছৰমান পাৰ হৈ গ'ল। শিৱ দুজনী ছোৱালীৰ বাপেক হ'ল। ছোৱালীৰ পঢ়া-শুনা, কাপোৰ-কানিৰ খৰচ আদিয়ে তেওঁ মাহিলী খৰচৰ পৰিমাণ বৃদ্ধি কৰি তুলিলে। তথাপিও তেওঁ যিমান উপাৰ্জন কৰে সেই টকাৰেই কোনোমতে জোৰা-টাপলি মাৰি পৰিয়াল চলাই থাকিল।

আনহাতে, কাশ্যপে তেওঁৰ ব্যৱসায়ক বৃদ্ধি কৰি এনে এক পৰ্যায়লৈ লৈ গ'ল যে আন ব্যৱসায়ীসকলৰ লগত তেওঁৰ প্ৰতিদন্দ্বতা নাইকীয়া হৈ পৰিল। তেওঁক সকলোৱে সন্মান আৰু সমীহ কৰা হ'ল। তেওঁ এজন ভব্য-গব্য লোকত পৰিণত হ'ল।

এবাৰ বহুদিনৰ মূৰত কাশ্যপ নাগৰীলৈ আহিল। তেওঁ এজন পুৰণা বন্ধুৰ ঘৰৰ এক অনুষ্ঠানত অংশ গ্ৰহণ কৰিবৰ বাবে আহিছিল। সকলো কাম শেষ কৰাৰ পিছত তেওঁ শিৱক লগ ধৰিবলৈ গ'ল। তেওঁ ভাল-বেয়া ইত্যাদি খবৰ ললে।

কাশ্যপে লক্ষ্য কৰিলে যে শিৱৰ অৰ্থনৈতিক অৱস্থাৰ একো পৰিৱৰ্তন হোৱা নাই। দহবছৰৰ আগতে তেওঁৰ ঘৰ, গোহালি আদিৰ অৱস্থা যেনে আছিল এতিয়াও তেনেই আছে। সম্পত্তিৰো কোনো বৃদ্ধি হোৱা নাই। এই কথাত কাশ্যপ চিন্তিত হৈ পৰিল।

কাশ্যপে শিৱক সুধিলে, ''তোমালোকে জীৱন নিৰ্বাহ কৰাত একো অসুবিধা হোৱা নাইতো? তুমি তোমাৰ কণ্যাক ভাল বিদ্যালয়ত শিক্ষা দিছানে?''

শিৱই উত্তৰ দিলে, ''আমাৰ যিমান যি

আছে তাৰে ঠিকে-ঠাকে বাস কৰি আছো। মোৰ সক্ষমতা অনুযায়ী মোৰ কণ্যাকো স্কুললৈ পঠিয়াইছো। মই সুখী।''

সেই কথা শুনি কাশ্যপৰ হাঁহি উঠিল। তেওঁ কলে, ''তুমি বৰ বুদ্ধিৰে মোৰ প্ৰশ্নৰ উত্তৰ দিলা। নহয়নে বাৰু?''

শিৱ আচৰিত হ'ল। তেওঁ কলে, ''ইয়াত টেঙৰামি কৰিবৰ কি আছে। মই পৰিস্থিতি যেনে তেনে বিৱৰণেই দিছো।''

কাশ্যপে কলে, ''বন্ধু, তুমি সৰু কালৰে পৰাই কিমান সৎ আৰু বুদ্ধিমান সেই কথা মই জানো। আৰম্ভণিৰ পৰাই তোমাৰ নিজৰ ওচৰত যি আছিল, তাকেই লৈ সন্তুষ্ট আছিলা। সেয়াই হ'ল তোমাৰ একমাত্ৰ ভুল। তুমি আৰু মই একেলগেই জীৱনৰ পাতনি মেলিছিলো। এইটো সঁচা যে অধিক বিচৰাটো লোভ আৰু লোভ মানুহৰ বাবে ভাল বস্তু নহয়। কিন্তু শুদ্ধ পথেৰে কষ্ট কৰি নিজৰ সম্পদ বৃদ্ধি কৰাটো অপৰাধ নহয়।''

তেওঁ পুণৰ কলে, ''তোমাৰ ওচৰত থকা সম্পত্তি তুমি আৰু তোমাৰ পত্নীৰ বাবে যথেষ্ট। দুয়োজনে সুখে-সন্তোষে খাই-বই থাকিব পাৰিলাহেতেন। কিন্তু তোমাৰ সন্তান ডাঙৰ হৈ অহাৰ লগে লগে সিঁহতৰ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ তোমাৰ উপাৰ্জন বৃদ্ধি পোৱাটো দৰকাৰ। কিন্তু তুমি তেনে একো আঁচনি হাতত নললা। সেইবাবেই সেই তেতিয়াৰে পৰা এতিয়ালৈকে তোমাৰ আৰ্থিক অৱস্থাৰ একো সলনি নহ'ল। এয়া সত্য যে এজন খেতিয়কে দেহৰ ঘাঁম মাটিত পেলাই শস্য উৎপাদন কৰে আৰু সেই শস্যৰ আহাৰ খায়েই বহু লোক জীয়াই থাকে। কিন্তু তাৰ অৰ্থ এইটো নহয় যে এজন খেতিয়কে জীৱনত ডাঙৰ কিবা এটা পাবলৈ আশা কৰিব নোৱাৰে, সপোন দেখিব নোৱাৰে। শুদ্ধ পথ লৈ অধিক আশা কৰাটো পাপ নহয়। মই ভাৱো তুমি মোৰ কথা ভালদৰেই বুজিব পাৰিছা। যদি তুমি কিবা আঁচনি লব খোজা মোক কবা। মই তোমাক সহায় কৰিবলৈ সাজু আছো।''

বন্ধুৰ কথাই শিৱক ভৱাই তুলিলে। তেওঁ বন্ধুৰ সহায় লৈ নিজৰ কৃষি কাৰ্য বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিলে।



সঁজাত থকা ভাটো

ৰামচন্দ্ৰই কৃষ্ণপুৰৰ জমিদাৰৰ লগত কাম কৰিছিল। তেওঁ নিজৰ পত্নী আৰু দুটি সন্তানৰ সৈতে এটা সুখৰ জীৱন যাপন কৰিছিল। পুত্ৰ মুৰুলীৰ এঘাৰ বছৰ আৰ কন্যা লক্ষ্মীৰ দহ বছৰ হৈছিল। ৰামচন্দ্ৰই নিজৰ ল'ৰা ছোৱালী দুটিক খুব মৰম কৰিছিল। কামৰ পৰা ঘূৰি আহোতে তেওঁ সদায় ল'ৰা ছোৱালী দুটিলৈ মিঠাই ইত্যাদি লৈ আহিছিল।

এদিন ৰামচন্দ্ৰ পৰিবাৰ সহিতে শহুৰেকৰ ঘৰলৈ গৈছিল। প্ৰতি বছৰে তাত এটা ডাঙৰ উৎসৱ পালন কৰা হৈছিল। ইয়াত ভাগ ল'বলৈকে তেওঁ তালৈ গৈছিল। বাটতে এঠাইত আমৰ এখন বাগিছাত তেওঁলোকে কিছু সময় জিৰণি ল'লে। বাগিছাত নানা পক্ষী দেখি ল'ৰা ছোৱালী দুটিয়ে বৰ ভাল পালে।

অলপ পাছত তেওঁলোক এখন হাটলৈ যাওঁতে মুৰুলিয়ে এটা ভাটো আৰু এজন জ্যোতিষী দেখিলে। জ্যোতিষীয়ে কোৱাৰ লগে লগে ভাটোটো সঁজাৰ পৰা ওলাই আহে আৰু তেওঁৰ হাতত এখন চিঠি তুলি দিয়ে। তাৰপাছত জ্যোতিষীয়ে দিয়া গুটি এটা লৈ ভাটোটো চুপচাপ সঁজাৰ ভিতৰলৈ সোমাই যায়। দৃশ্যটো দেখি মুৰুলীয়ে বৰ ভাল পালে। সি এনেকুৱা এটা ভাটো কিনিবলৈ দেউতাকক জোৰকৈ ধৰিলে।

"চা, ভাটো হ'ল স্বতন্ত্ৰ পক্ষী। এনে ভাটোক সঁজাত বন্দী কৰি ৰখাটো ভুল কথা। তাক তাৰ স্বাধীনতাৰ পৰা বঞ্চিত কৰা উচিত নহয়।" দেউতাকে মুৰুলিক বুজাবলৈ বহুত চেষ্টা কৰিলে। কিন্তু মুৰুলিও নাচোৰবান্দা হৈ ৰ'ল। ঘৰলৈ ঘূৰি অহাৰ পাছত ৰামচন্দ্ৰই এটা ভাটো কিনি আনিলে। তাক এটা সুন্দৰ সঁজাত বন্দী কৰি ৰখা হ'ল। মুৰুলীয়ে গোটেই দিনটো এই ভাটোটোৰ লগতে পৰা কৰিবলৈ ধৰিলে।

এদিন হঠাতে মুৰুলী বেমাৰত পৰিল। তিনি

এছ অতুল বালমুৰগান

দিনলৈকে সি বিচনাতে পৰি থাকিল। চিকিৎসকে আহি তাক পৰীক্ষা কৰিলেহি। পৰীক্ষা কৰি উঠি চিকিৎসকে ক'লে, ''ই এক ধৰণৰ বিষ জ্বৰ। ঔষধ খাই থাকিব লাগিব আৰু দুসপ্তাহলৈকে বিচনাৰ পৰা তললৈ নমাও উচিত নহয়। যদিহে সাৱধানতা অৱলম্বন কৰা নহয় তেন্তে এই জ্বৰ বাঢ়ি যাব আৰু বহুত দিনলৈকে বিচনাতে পৰি থাকিব লাগিব।

এইদৰে মুকুলি দুসপ্তাহ বিচনাতে পৰি থাকিল। ঔষধ খাই থকা, বিচনাতে পৰি থকা লাহে লাহে তাৰ একেবাৰে অসহ্য হৈ আহিল। তাৰ এনেকুৱা লাগিল কোনোবাই যেন তাৰ হাত ভৰি বান্ধিহে থৈছে। জ্বৰ অলপ কম হোৱাৰ পাছতো, মাক-দেউতাকে তাক বাহিৰলৈ যাবলৈ নিদিলে। খিৰিকীৰে সি বাহিৰত আৰামেৰে খেলা ধূলা কৰি থকা ল'ৰা ছোৱালীবোৰ চাই থকা হ'ল। সিয়ো সিহঁতৰ দৰে খেলিব খুজিছিল, কিন্তু সি নিৰুপায় আছিল। নিজৰ অৱস্থাৰ কথা ভাবি সি সদায় চকুপানী টুকিছিল।

মুকুলিয়ে এদিন দেখিলে সঁজাত বন্দী ভাটৌটোৱে মাকে দিয়া দানা খাই আছে আৰু ভিতৰতে ইফালে সিফালে ঘূৰি আছে। ভাটৌটোক বৰ দুখী যেন অনুভৱ হ'ল। সেই অসহায় ভাটৌটোক দেখি তাৰ বৰ দুখ লাগিল।

এতিয়া মুকুলী সম্পূৰ্ণৰূপে সুস্থ হৈ উঠিছে। চিকিৎসকেও কৈছে সি হেনো এতিয়া বাহিৰলৈ গৈ খেলা ধূলা কৰিব পাৰে। মাকে তাক এদিন গৰম পানীৰে গা পা ধুৱাই ক'লে, ''এতিয়া যা, লগৰ ল'ৰাৰ লগত খেলগৈ।''

মুকুলীয়ে সঁজাটো লৈ চোতাললৈ আহিল আৰু সঁজাৰ দুৱাৰখন খুলি দি সি ক'লে, ''পোন্ধৰ দিন মই বিচনাতে পৰি থাকিলো। সেইকেইটা দিন জেলত থকাৰ দৰে লাগিল। এতিয়াহে মই বুজি পালো এনেকৈ থকাটো কিমান জটিল কাম। তোমাক সঁজাত বন্দী কৰি মই বৰ ডাঙৰ অন্যায় কৰিলো। এতিয়া যোৱা, উৰি ফুৰাগৈ। তুমি এতিয়া স্বাধীন।,'' এইবুলি কৈ সি ভাটৌটো সঁজাৰ পৰা উলিয়াই আনিলে আৰু তাক এৰি দিলে।

ভাটৌটো আনন্দেৰে উৰি গুচি গ'ল। মুকুলীৰ মুখত হাঁহি বিৰিঙি উঠিল।

অদ্ভুত বিজয়

এবাৰ শিৱদুৰ্গৰ ৰজাই নিজৰ ৰাজ্যৰ পশ্চিম দিশত থকা মহেন্দ্ৰ দুৰ্গত অকস্মাতে আক্ৰমণ কৰিলে। সেই একেসময়তে শিৱদূৰ্গৰ পূৱফালে থকা বিজয় দুৰ্গৰ ৰজায়ো শিৱদূৰ্গৰ ওপৰত আক্ৰমণ কৰিলে।

বিজয় দুৰ্গৰ ৰজাৰ আক্ৰমণৰ বাতৰি শুনিয়েই শিৱদূৰ্গত অচলাৱস্থাৰ সৃষ্টি হ'ল। সেই সময়ত শিৱ দুৰ্গত শত্ৰুক প্ৰতিৰোধ কৰিবৰ বাবে কোনো সৈন্যবাহিনী নাছিল। ভূতপূৰ্ব এক বৃদ্ধ সেনাপতি আৰু তিনি চাৰিজন মান যোদ্ধা সেই সময়ত তাত উপস্থিত আছিল। সেই ভূতপূৰ্ব সেনাপতি শক্তি সিং বেছ পৰাক্ৰমী আছিল। তেওঁ এক উপায় চিন্তা কৰি দুৰ্গৰ সকলো লোকক আদেশ দিলে, ''তোমালোক দূৰ্গৰ দুৱাৰ খুলি দিয়া। মুখ্য দ্বাৰত তোৰণ সজাই দিয়া। সংগীত শিল্পী, বাদক আদিকো মাতি আনা।'' তাৰপিছত শক্তি সিঙে মূল্যৱান পোছাক পৰিধান কৰিলে। তেওঁ হাত যোৰ কৰি মূখ্য দ্বাৰত ৰৈ থাকিল। আশে পাশে তিনি চাৰিজনমান বৃদ্ধ যোদ্ধাও ৰৈ থাকিল।

শত্ৰু সৈন্য ওচৰ চাপি অহাৰ লগে লগে শক্তি সিঙে চিঞৰি উঠিল, ''বিজয় দুৰ্গৰ মহাৰাজৰ জয় হওক। মহাৰাজলৈ স্বাগতম।'' তেওঁ লগত বাকীসকলেও চিঞৰি উঠিল।

ঘটনা দেখি বিজয় দুৰ্গৰ ৰজাই নিজৰ ৰথ ৰখাই দিলে। তেওঁৰ লগে লগে সৈন্যবাহিনীও ৰৈ পৰিল। ''আৰে, মই জানো যে তুমি বৰ ধূৰ্ত আৰু চতুৰ। দূৰ্গলৈ আমাক স্বাগতম জনাইছা যাতে ভিতৰত লুকাই থকা সেনাই আমাক আক্ৰমণ কৰিব পাৰে। তোমাৰ জালত আমি পৰিবলৈ নাই।'' এইবুলি বিজয় দুৰ্গৰ ৰজাই ৰথ ঘূৰাই উভতি গুচি গ'ল।

মই কি হ'ব পাৰো?

এই মাহত আমি এটা বিশেষ ধৰণৰ পেশাৰ কথা কম, সেয়া হ'ল – ফৰেনছিক বিজ্ঞানী।

ফৰেনছিক বিজ্ঞান বা ফৰেনছিকছ হ'ল নানা ধৰণৰ বৈজ্ঞানিক প্ৰক্ৰিয়া আৰু সূত্ৰৰ প্ৰয়োগ কৰি অপৰাধী বা আন কাৰ্যৰ প্ৰণালীবদ্ধ অনুসন্ধান কৰা, যিবিলাকে এক নিৰ্দিষ্ট আইনী ব্যৱস্থা বাহাল ৰাখি সামাজিক সুসমতা ৰক্ষা কৰাত সহায় কৰে।

এক অপৰাধ সংঘটিত হোৱা স্থানৰ পৰা সকলো তথ্য সংগ্ৰহ কৰি এটা বিজ্ঞানাগাৰত ফৰেনছিক বিজ্ঞানীৰ দ্বাৰা ভালদৰে বিশ্লেষণ কৰা হয়। তাৰ পিছত সেই পৰীক্ষাৰ পৰা অপৰাধী আৰু অপৰাধ সম্পৰ্কে নানা ধৰণৰ প্ৰমাণ সংগ্ৰহ কৰি আদালতত উপস্থাপন কৰা হয়।

ভৌতিক প্ৰমাণসমূহত দৈহিক ৰস যেনে তেজ আৰু লেলাউটি, চুলি বা নোম, গাড়ীৰ চকা বা জোতৰ ছাপ, আঙুলিৰ ছাপ আৰু ভৰিৰ ছাপ আদি অন্তৰ্ভুক্ত। ফৰেনছিক বিজ্ঞানী হবৰ বাবে সকলোতেকৈ প্ৰয়োজনীয় গুণবিলাকৰ ভিতৰত প্ৰধান হ'ল– এটা বিশ্লেষণ কৰিব পৰা মনৰ অধিকাৰী হোৱাটো, দলবান্ধি কাম কৰিব পৰা ক্ষমতা, কল্পনাশক্তি ইত্যাদি।

ফৰেনছিক বিজ্ঞানৰ নানা শাখা আছে। সেইবিলাকৰ ভিতৰত ফৰেনছিক প্ৰত্নতত্ব, ফৰেনছিক জীৱবিদ্যা, ফৰেনছিক অৰ্থনীতি, ফৰেনছিক প্ৰযুক্তি, ফৰেনছিক ভাষাবিজ্ঞান, ফৰেনছিক মনোবিজ্ঞান, ফৰেনছিক নৃতত্ব, ফৰেনছিক চেৰ'লজি, ফৰেনছিক দৰ্শন, ফৰেনছিক কম্পিউটিং বা ডিজিটেল ফৰেনছিকেই প্ৰধান।

ফৰেনছিক বিজ্ঞানৰ স্নাতকোত্তৰ কোৰ্ছত ভৰ্তি হবৰ বাবে প্ৰাৰ্থী কলা বা বিজ্ঞান শাখাৰ স্নাতক হব লাগিব। বিজ্ঞান শাখাৰ প্ৰাৰ্থীয়ে অগ্ৰাধিকাৰ লাভ কৰে। মৃতদেহৰ পোষ্টমৰ্টেম কৰিবৰ বাবে এমবিবিএছ ডিগ্ৰীধাৰী হোৱাৰ লগতে ফৰেনছিক বিজ্ঞানক বিশেষ পাঠ্যক্ৰম হিচাপে লৈ উৰ্ত্তীণ হোৱা হব লাগিব। ৬০ শতাংশতকৈ অধিক নম্বৰ লাভ কৰি ফৰেনছিক বিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাসকলে গৱেষণা কৰিবলৈ সুবিধা লাভ কৰে।

সাধাৰণতে ফৰেনছিক বিজ্ঞানীয়ে আৰক্ষী, আইনী অনুসন্ধান শাখা (চৰকাৰী আৰু ব্যক্তিগত) আদিত নিযুক্তি লাভ কৰে। ফৰেনছিক নৃতত্ব, ফৰেনছিক প্ৰত্নতত্ব আদি কোৰ্ছ অধ্যয়ন কৰিলে, তেওঁলোকে নিজে বিশেষ বিষয় হিচাপে লৈ পঢ়া বিষয়ৰ চাকৰিত নিযুক্তি লাভ কৰাৰ সম্ভাৱনা থাকে।

– *হাই*

চান্দমামা সাধাৰণ জ্ঞান সাঁথৰ - ৪৩

(১৬ বছৰতকৈ কম বয়সৰ ল'ৰা - ছোৱালীৰ বাবে)

সঠিক উত্তৰ দিওঁতা জনক ₹২৫০/- টকাৰ পুৰস্কাৰ দিয়া হ'ব।*

***যদি সম্পূৰ্ণ সঠিক উত্তৰ দিওঁতা এজনতকৈ বেচি হয়, প্ৰত্যেকজন সফল প্ৰতিযোগীক ₹৫০/- টকাকৈ পুৰস্কাৰ দিয়া হ'ব।**

তুমি কি কৰিব লাগিব:

১) এখন কাগজত উত্তৰবোৰ লিখা।

২) তোমাৰ নাম, বয়স আৰু পিন ক'ডৰ সৈতে ঘৰৰ সম্পূৰ্ণ ঠিকনা লিখা।

৩) লেফাফাৰ ওপৰত চান্দমামা সাধাৰণ জ্ঞান প্ৰশ্নোত্তৰ-৪৩ লিখা।

৪) তোমাৰ উত্তৰ ৩০ চেপ্তেম্বৰ ভিতৰত পাব লাগিব।

৫) সঠিক উত্তৰ ২০১২ চনৰ নভেম্বৰ মাহৰ সংখ্যাত প্ৰকাশ কৰা হ'ব।

স্বাধীনতা সংগ্ৰাম

১. স্বাধীনতা সংগ্ৰামৰ সময়ত লোকমান্য তিলকে আৰম্ভ কৰা বাতৰি কাকতখনৰ নাম কি?

২. ১৯৪২ চনৰ আগষ্টত মহাত্মা গান্ধীয়ে আৰম্ভ কৰা বিখ্যাত আন্দোলনটোৰ নাম কি?

৩. কোনজন সংগ্ৰামীয়ে বালাচুৰত ১৯১৫ চনত পুলিচৰ লগত হোৱা এখন ৰণত নিজৰ জীৱন আহুতি দিছিল?

৪. ক'ত আৰু কেতিয়া ইণ্ডিয়ান নেচনেল আৰ্মী গঠন কৰা হৈছিল?

৫. লোকসভাৰ প্ৰথমজন অধ্যক্ষৰ নাম কি?

৬. ভাৰতৰ ৰাষ্ট্ৰপতিক কোনে শপত গ্ৰহণ কৰোৱায়?

৭. ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ সময়ত ভগত সিঙে প্ৰচলন কৰা শ্ল'গানটো কি?

৮. লালা লাজপত ৰয়ে কিহৰ বিৰোধিতা কৰিবলৈ যাওতে পুলিচৰ বৰ্বৰতাৰ সন্মুখীন হবলগীয়া হৈছিল?

৯. ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতৰ ক'ত প্ৰথমটো ফেক্টৰী স্থাপন কৰিছিল?

১০. শিৱাজী উৎসৱসমূহ আৰম্ভ কৰি কোনে ভাৰতীয়সকলৰ মাজত দেশপ্ৰেমৰ ভাৱ পুণৰ জগাই তুলিবলৈ চেষ্টা কৰিছিল?

চান্দমামা সাধাৰণ জ্ঞান সাঁথৰ-৪০, মে' ২০১২ চনৰ উত্তৰ:

১. ব্ৰহ্মগুপ্ত, ভাৰতীয় গণিতজ্ঞ, ২. শুশ্ৰুত, ৩. আৰ্যভট্ট, ৪. জগদীশ চন্দ্ৰ বসু, ৫. চতুৰংগ, ৬. তক্ষশীলা, ৭. বৌদ্ধয়ান.

২০১২ চনৰ মে' মাহৰ সাধাৰণ জ্ঞান (GK) কুইজ প্ৰতিযোগীতাৰ কোনো বিজেতা নাই।

কৌতুক

যোচেফ: তুমি সেয়া ৫০০০ হেজাৰ টকাৰ এখন চেক লিখিছা দেখোন।

ৰাহুল: হয়, মই মোৰ ভন্টিলৈ জন্মদিনৰ উপহাৰ হিচাপে প্ৰেৰণ কৰিম।

যোচেফ: কিন্তু তুমি সেইখন চহী নকৰিলাই দেখোন।

ৰাহুল : এইখন কোনে প্ৰেৰণ কৰিছে সেই কথা তাই জনাটো মই নিবিচাৰো।

গ্ৰাহক: এনে লাগিছে যে এই ষ্ট্ৰবেৰীবিলাক এসপ্তাহমানৰ আগতেই চিঙা হৈছে। কিন্তু তথাপিও আপুনি লিখি থৈছে – 'একেবাৰে সজীৱ'

দোকানী: হয়, এই লিখাটো একেবাৰে সজীৱ। মই অলপমান আগয়েহে লিখিছো।

ছাৰ্জেন্ট (নতুনকৈ মকৰল হোৱা সেনাৰ প্ৰতি): বাৰু কোৱাচোন, তুমি সেনাবাহিনীত যোগ দিয়াৰ আগতে কি আছিলা?

নতুনকৈ মকৰল হোৱা সেনা: সুখী, ছাৰ্জেন্ট।

নতুনকৈ এখন গাড়ী কিনাৰ অলপদিনৰ পিছত গ্ৰাহকজন পুণৰ বিক্ৰেতাৰ ওচৰলৈ উভতি আহিল।

''মই বিশ্বাস কৰো আপুনি মোৰ গাড়ীখনৰ গেৰাণ্টি দিছিল?

''হয় মহাশয়'', বিক্ৰেতাই কলে। ''কিবা বেয়া হলে আমি বিনামূলীয়াকৈ ঠিক কৰি দিম।''

''মোক গেৰেজৰ এখন নতুন দুৱাৰ লাগে।''

অফিচাৰ (লিগিৰাৰ প্ৰতি খঙত): তুমি আজিও পলমকৈ অফিচলৈ আহিছা?

লিগিৰা: মই দেৰীলৈকে শুই আছিলো চাৰ।

অফিচাৰ (খঙত): তাৰমানে তুমি ঘৰটো শুৱা?

যাত্ৰী: এইখন মোৰ ৰেলগাড়ীনে?

টি টি: নহয়, এইখন ৰেলৱেৰ ৰেলগাড়ী।

যাত্ৰী: ধেমালি নকৰিব। এইখন ধৰি মই কেৰেলালৈ যাব পাৰিমনে?

টি টি: নোৱাৰে মহাশয়, এইখন বৰ গধুৰ।

কথাৰ মালিহা

তুমি বাৰু কেইটা ভাৰতীয় ভাষা জানা? এতিয়া চান্দমামাৰ সহায়ত ভাষা শিকা আৰু প্ৰত্যয়েৰে ভাৰতৰ অন্বেষন কৰা !

English	He is a famous director	There was nothing new
Assamese	তেওঁ এগৰাকী বিখ্যাত নিৰ্দেশক।	ইয়াত একো নতুন নাই।
Telugu	అతడు ప్రసిద్ధ దర్శకుడు. অটডু প্ৰসিদ্ধ দৰ্শকুডু.	దానిలో కొత్త విషయం లేదు. ডানিলু কট্টবিষয়ম লেডু.
Tamil	அவர் ஒரு பிரபல இயக்குனர். অভৰ অৰু প্ৰবাল ইয়াক্কুনাৰ.	அதில் புதிதாக ஒன்றுமில்லை. অথিল পুথিথাক অনৰুমিল্লাই.
Bengali	তিনি একজন বিখ্যাত নির্দেশক। তিনি একজন বিখ্যাত নিৰ্দেশক।	সেখানে নতুন কিছুই ছিল না। সিখানে নতুন কিছুই ছিল না।
Marathi	तो खूप प्रसिद्ध दिग्दर्शक आहे. তু খুপ প্ৰসিদ্ধ দিগাৰ্শক অহে.	त्यात काही नवीन नाही. ত্যাত কহী নভীন নহি.
Kannada	ಅವರು ಖ್ಯಾತ ನಿರ್ದೇಶಕರು অভৰু খ্যাতা নিৰ্দেশকৰু.	ಅಲ್ಲೇನೂ ಹೊಸತು ಇರಲಿಲ್ಲ অলিনু হসটু ইৰলিল্লা.
Odia	ସେ ଜଣେ ପ୍ରସିଦ୍ଧ ନିର୍ଦ୍ଦେଶକ। সে জনি প্ৰসিদ্ধ নিৰ্দেশক।	ସେଠାରେ କିଛି ନୂଆ କଥା ନଥିଲା। সেথাৰে কিচ্ছি নুৱা কথা নাথিলা।
Gujarati	તે એક પ્રખ્યાત નિર્દેશક છે তে এক প্ৰখ্যাত নিৰ্দেশক চে.	ત્યાં કંઈ નવું નહોતું. ত্যান কায়ি নভু নহতু.
Hindi	वह एक प्रख्यात निर्देशक है ৱহ এক প্ৰখ্যাত নিৰ্দেশক হে.	कुछ भी नया नहीं था। কুছ ভি নয়া নেহি থা.
Malayalam	അയാൾ ഒരു പ്രസിദ്ധ സംവിധായകനാണ്. অয়ল অৰু প্ৰসিদ্ধ সম্ভিধায়কনু.	പുതുതായി ഒന്നുമില്ലായിരുന്നു. পুথুথায়ি ওন্নুমিল্লয়িৰুন্নু.
Santali	ᱩᱱᱤ ᱧᱩᱛᱩᱢᱟᱱ ᱩᱰᱩᱜᱤᱡ ᱠᱟᱱᱟᱭ উনি নুটুমন উডুগিজ কনয়.	ᱚᱛᱮ ᱪᱮᱫ ᱦᱚᱱ ᱱᱟᱶᱟ ᱵᱟᱝ ᱛᱟᱦᱮᱸᱱᱟ ওথে চেদ হন নৱা বং টহেন্যা.
Sanskrit	स: सुप्रसिद्ध: दिग्दर्शक: अस्ति। সহ সুপ্ৰসিদ্ধহ দিকদৰ্শকহ অস্তি।	तत्र किमपि नूतनं नास्ति। তত্ৰ কিমপি নতুনং নাস্তি।

English	It was very boring	This is my favourite actor
Assamese	ই বৰ আমনি লগা আছিল।	এয়া মোৰ প্ৰিয় অভিনেতা।
Telugu	ఇది చాలా విసుగెత్తించింది. ইডি চালা ভিছুগেত্তিচিণ্ডি.	ఇతడు నా అభిమాన నటుడు. ইটডু না অভিমান নটুডু.
Tamil	அது அலுப்பாக இருந்தது. অধু অলুপ্পাগ ইরুনধাথু.	எனக்குப் பிடித்த நடிகர் இவர். ইনক্কু পিডিথ নডিগাৰ ইভাৰ.
Bengali	সেটা খুব বিরক্তিকর ছিল। সেটা খুব বিৰক্তিকৰ ছিল।	ইনি আমার প্রিয় অভিনেতা। ইনি আমাৰ প্ৰিয় অভিনেতা।
Marathi	ते खूप कंटाळवाणं होतं. তে খুপ কন্টলভন হতা.	हा माझा खूप आवडता अभिनेता आहे. হ মাজা খুপ অৱধট অভিনেতা অহে.
Kannada	ಅದು ತುಂಬಾ ಬೋರಿಂಗ್ ಆಗಿತ್ತು অডু টুম্বা ব'রিং আগিট্টু	ಇವರು ನನ್ನ ನೆಚ್ಚಿನ ನಟ ইভরু নান্না নিচচাইনা নট.
Odia	ଏହା ଭାରି ବିରକ୍ତିକର ଥିଲା। ইহা ভাৰী বিৰক্তিকৰ থিলা।	ସେ ମୋର ପ୍ରିୟ ଅଭିନେତା। সে মোৰা প্ৰিয় অভিনতা।
Gujarati	તે ખૂબ કંટાળાજનક હતું. তে খুব কটালাজনক হতু.	આ મારો મનપસંદ અભિનેતા છે আ মাৰু মনপচন্দ অভিনেতা ছে.
Hindi	वह बहुत उबाऊ था। ৱহ বহুত উবাও থা.	यह मेरा प्रिय अभिनेता है। . য়েমেৰা প্ৰিয় অভিনেতা হে.
Malayalam	അത് വളരെ മടുപ്പുളവാക്കുന്നതായിരുന്നു. অথু ভলৰে মডুপ্পুলভক্কুননথায়িৰুন্নু.	ഇതാണ് എന്റെ പ്രിയപ്പെട്ട നടൻ. ইথনু হন্টে প্ৰিয়পেট্ট নদন.
Santali	ᱱᱚᱣᱟ ᱟᱰᱤ ᱵᱮᱠᱚᱨ ᱴᱷᱮᱱ ᱠᱟᱱᱟ নৱা অডি বেকৰ টহেন কন.	ᱱᱩᱭ ᱮᱠᱴᱚᱨ ᱟᱰᱤᱧ ᱠᱩᱥᱤ ᱟᱭᱚ নুই ইকটৰ অডিঞ্জ কুচি অয়.
Sanskrit	अतीव नीरसम् आसीत् অতীৱ নীৰসম অসিত।	एष: मम प्रिय: अभिनेता। এষহ মম প্ৰিয়হ অভিনেতা।

আমাৰ ৰাষ্ট্ৰীয় সংগীত



মূল বঙালী গীত জন গণ মন ১৯১১ চনত কবি ৰবীন্দ্ৰ নাথ ঠাকুৰে ৰচনা কৰিছিল আৰু সেই গীতটো তত্ব বোধ প্ৰকাশিকাত প্ৰকাশ পাইছিল। ১৯১৯ চনত কবিয়ে বেছান্ত থিঅ'ছফিকেল কলেজৰ অধ্যক্ষ, এজন আইৰিচ কবি ড. জেমছ এইছ কাজিনছৰ আমন্ত্ৰণ ক্ৰমে অন্ধ্ৰপ্ৰদেশৰ চিট্টোৰ জিলাৰ মদনপল্লী ভ্ৰমণ কৰিছিল। ফেব্ৰুৱাৰী মাহৰ এটা সন্ধিয়া, ড. কাজিনছ, তেওঁ পত্নী মাৰ্গাৰেট আৰু কিছু ছাত্ৰ-ছাত্ৰীয়ে কবিক এটা বঙালী গীত গাবৰ বাবে অনুৰোধ কৰিলে। যেতিয়া কবিয়ে জয় হে জয় হে গীতটো গাবলৈ ধৰিলে তেতিয়া বাকীসকলো আনন্দিত হৈ কবিৰ লগতে গীত গাবলৈ ধৰিলে। মদনপল্লীত থকাৰ সময়তে ৰবীন্দ্ৰনাথে গীতটোৰ ইংৰাজী তৰ্জমা কৰিছিল।

যেতিয়া প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে ১৯৪৮ চনৰ ১৫ আগষ্টত দিল্লীৰ লালকিল্লাত প্ৰথম বাৰৰ বাবে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিছিল, তেতিয়া শিখ ৰেজিমেণ্টে শ্ৰীমতী কাজিনছে সংগীত দিয়া ৰাষ্ট্ৰীয় সংগীতটো পৰিবেশন কৰিছিল। আমি তেতিয়াৰে পৰা সেই সুৰতে গীতটো গাই আহিছো।

প্ৰথম পৰ্যায়ৰ স্বাধীনতা সংগ্ৰামৰ সেনানী

ভাৰতৰ প্ৰথম স্বাধীনতা সংগ্ৰাম আখ্যা পোৱা চিপাহী বিদ্ৰোহ ১৮৫৭ চনৰ ২৯ মাৰ্চত আৰম্ভ হয়। বেৰাকপুৰত থকা ব্ৰিটিছ ৰেজিমেণ্টৰ এজন চিপাহী মংগল পাণ্ডেই এজন ব্ৰিটিছ সেনা বিষয়াক গুলিয়াই হত্যা কৰে। মংগল পাণ্ডেক পিছত ফাঁচী দিয়া হ'ল আৰু বৰ্তমান তেওঁক এজন স্বাধীনতা সংগ্ৰামৰ শ্বহীদ হিচাপে গণ্য কৰা হয়। ১৮০৬ চনত ভেলোৰ, ১৭৮০ চনত বিশাখাপট্টনম, ১৭৬৩ চনত মাদুৰাইত ব্ৰিটিছ শাসনৰ বিৰুদ্ধে হোৱা বিদ্ৰোহৰ বিষয়ে বেছিভাগ লোকেই নাজানে। তেতিয়াৰ ভাইজাগত হোৱা হোৱা বিদ্ৰোহত ভাৰতীয় চিপাহীয়ে ব্ৰিটিছ সেনা আৰু ব্ৰিটিছ লোকক হত্যা কৰিছিল। বিদ্ৰোহী দলৰ নেতা আছিল মেজৰ শ্বেইখ মহম্মদ। তেওঁলোকক মাদ্ৰাজলৈ (বৰ্তমান চেন্নাই) যোৱাৰ বাবে এখন জাহাজত উঠিবলৈ কোৱাৰ বাবে এই বিদ্ৰোহৰ সূচনা হৈছিল। তেওঁলোকে ভাইজাগত বহু ব্ৰিটিছ বিষয়াক পণবন্দী কৰি ৰাখিছিল। পিছত তেওঁলোকক ব্ৰিটিছ বাহিনীয়ে বন্দী কৰে। কিছুমান চিপাহী ব্ৰিটিছ বাহিনীৰ লগত হোৱা ৰণত মৃত্যুবৰণ কৰে। শ্বেইখ মহম্মদক বন্দী কৰি পিছত ফাঁচী দিয়া হয়।


CHANDAMAMA'S
Ramayana
An Epic Journey
CHANDAMAMA'S
Ramayana
Follow the epic journey of Prince Rama, from his birth to his exile, from the abduction of his wife, Sita, to his great war with the Asura King, Ravana, in Chandamama's latest offering: Ramayana - An Epic Journey.
Price: Rs 449/-
To place an order, go to www.chandamama.com
Chandamama's Ramayana is available only in English at all leading book shops.

ৰসিক মানুহ

বীৰবল

দেশত কাউৰীৰ সংখ্যা



১. গৰমৰ দিনৰ এটা পুৱা, আকবৰ আৰু বীৰবলে বাগিছাত প্ৰাতঃভ্ৰমণ কৰি আছিল। ''মই নাভাৱো যে গৰম কাল আৰম্ভ হ'ল। এতিয়াও শীতল বতাহ বলি আছে।'' আকবৰে মন্তব্য কৰিলে।

২. ''শ্বাহেনশ্বাহ, চৰাই-চিৰিকটিয়ে এতিয়াও কিৰিলি পাৰি আছে, যেন সিঁহতে এতিয়াও বসন্তকাল উপভোগ কৰি আছে।'' পথৰ কাষৰ গছলৈ দেখুৱাই বীৰবলে কলে।

৩. তেওঁলোকে এনে এডোখৰ ঠাইত উপস্থিত হ'ল য'ত কিছুমান কাউৰীয়ে পানী খাই আছিল। অকস্মাতে, আকবৰে বীৰবলৰ উপস্থিত বুদ্ধি পৰীক্ষা কৰিবলৈ এটা সুবিধা ললে।

৪. ''বীৰবল, আমাৰ ৰাজ্যত কিমান কাউৰী আছে কব পাৰিবানে?'' আকবৰে সুধিলে। প্ৰশ্ন শুনি এক মূহূৰ্তৰ বাবে বীৰবল অপ্ৰস্তুত হ'ল।

৫. বীৰবলে পিছ মূহূৰ্ততে গণিবলৈ ধৰিলে... ''এক...দুই...তিনি...নবৈব হেজাৰ চাৰিশ... শ্বাহেনশ্বাহ, আমাৰ ৰাজ্যত মুঠ নবৈব হেজাৰ চাৰিশ একাৱনটা কাউৰী আছে।''



৬. আকবৰে ইমান সহজতে বীৰবলৰ কথা মানি নললে। ''যদি তাতোকৈ বেছি সংখ্যক কাউৰী আছে, তেতিয়া...?'' আকবৰে সুধিলে।



৭. ''যদি তাতোকৈ বেছি সংখ্যক কাউৰী থাকে, তেন্তে সেইবিলাক নিশ্চয় চুবুৰীয়া ৰাজ্যৰ পৰা মিতিৰ খাবলৈ অহা কাউৰী হব।'' বীৰবলে হাঁহি মাৰি উত্তৰ দিলে।

৮. ''যদি তাতোকৈ কম কাউৰী আছে তেতিয়া?'' আকবৰে পুণৰ সুধিলে। প্ৰশ্নটো সুধি আকবৰে ভাৱিলে যে এইবাৰ নিশ্চয় বীৰবল ফান্দত পৰিব।

৯. কিন্তু বীৰবলৰ উত্তৰ সাজু হৈ আছিল – ''তেন্তে আমাৰ ৰাজ্যৰ কিছু কাউৰী চুবুৰীয়া ৰাজ্যৰ কাউৰীৰ ঘৰলৈ মিতিৰ খাবলৈ যাব পাৰে।'' এইবাৰ আকবৰে পৰাজয় স্বীকাৰ কৰি ললে, ''তুমি বৰ বুদ্ধিয়ক, বীৰবল।''

হাম ৰেডিঅ'

যেতিয়া আমি নানান ধৰণৰ প্ৰাকৃতিক দুৰ্যোগৰ সন্মুখীন হও, আমি সহায়হীন অনুভৱ কৰো। ঘূৰ্ণী বতাহ অহাৰ লগে লগে আমাৰ যোগাযোগৰ সকলো ধৰণৰ আহিলাবিলাক বিকল হৈ পৰে। তেতিয়া আমি কি কৰো জানানে? এনে পৰিস্থিতত আমি হাম বা এমেচাৰ ৰেডিঅ' ব্যৱহাৰ কৰো। এটা হাম ৰেডিঅ'ই বিশ্বৰ যিকোনো ঠাইলৈ বাৰ্তা প্ৰেৰণ কৰিব পাৰে আৰু সেই বাৰ্তা আমি হাম ৰেডিঅ' ব্যৱহাৰ কৰি গ্ৰহণ কৰিব পাৰো। এটা হাম ৰেডিঅ' হ'ল এটা ৰেডিঅ' ষ্টেচন তথা ৰেডিঅ' ৰিচিভাৰ একেলগে নিৰ্মাণ কৰি থোৱা সজুলি। দৰাচলতে, ই ঘৰৰ পৰা পৰিচালিত কৰা এটা ৰেডিঅ' ষ্টেচনৰ দৰে। এবাৰ এই হাম ৰেডিঅ' ব্যৱহাৰৰ উপযোগী হৈ পৰিলে ইয়াক সাধাৰণ ৰেডিঅ'ৰ দৰে কোনো চেনেললৈ টিউন কৰিব পাৰি আৰু সেই চেনেলত সংযুক্ত হৈ থকা যিকোনোলৈকে বাৰ্তা প্ৰেৰণ কৰিব পাৰি। ই হ'ল অনলাইন চাটিং কৰা দৰে। কেৱল পাৰ্থক্য হ'ল ই হ'ল এটা ৰেডিঅ', কম্পিউটাৰ নহয়।

গুপ্তধনৰ বাকচ

এইমাহত আমি কেইটামান ৰাষ্ট্ৰীয় চিহ্নৰ ছবিৰে এখন স্ক্ৰেপবুক তৈয়াৰ কৰো আহা।

তিনিৰঙৰ পতাকা

পদুম ফুল

বাঘ



বট গছ

ময়ুৰ চৰাই



আম

Chandamama

Art Book

Chandamama Art Book is a treasure house of art that all Indians should be proud of. The illustrations in the book make us feel as if those celestial beings have come down to earth to greet us. We are carried away by a feeling of rapture and devotion. The illustrations of artists Chitra, Vapa, Sankar and M.T.V. Acharya are captivating and full of life. By owning a copy of Chandamama Art Book, we will pay a tribute to our culture. The price of Art Book is very little compared to the joy it brings us.

N. Lalitha, Hyderabad

Order Now

2 Volumes

Log on to: **www.chandamama.com** or Contact: Chandamama India Ltd.
B3, Cross Road 'B', MIDC, Andheri(E), Mumbai-400093. Ph. No: 022 28312872/28311849

CHANDAMAMA (Assamese) August 2012 Registrar of Newspapers of India No. MAHASS/2010/35906
Posting Date: 28/07/2012, Licensed to post regd. No. MH/MR/N/134/MBI/10-12